## ভিতৰৰ পৃষ্ঠাত

ধৈৰ্য, আত্মবিশ্বাস... পৃষ্ঠা ৪
সমস্নেহৰ দাৰিদ্ৰতাত সন্তানৰ... পৃষ্ঠা ৫
মিচিং জনগোষ্ঠীৰ... পৃষ্ঠা ৭
জামুগুৰিহাটত নটসূৰ্যৰ... পৃষ্ঠা ৮
আন্তৰ্জাতিক মাতৃভাষা... পৃষ্ঠা ৯



RNI No. ASSASS/2014/56974
Postal Registration No. GH-164/2021-2023
www.asombhumi.com ত উপলব্ধ

# অসম ভূমি

জাতীয় স্বাৰ্থত দায়বদ্ধ

■ Vol :11 ■ Issue : 27 ■ Guwahati ■ Wednesday ■ 28 February, 2024 ■ Rs. 5 ■ বছৰ - ১১ ■ সংখ্যা- ২৭ ■ গুৱাহাটী ■ বুধবাৰ ■ ১৫ ফাগুন, ১৯৪৫ শক ■ মূল্য ঃ ৫ টকা


### বিধানসভাত মুখ্যমন্ত্ৰীৰ ঘোষণাৰ পিছতেই ৰাজ্যজুৰি প্ৰতিবাদ কৰ্মচাৰী সমাজৰ

# ৰাজ্যত পুনৰ প্ৰৱৰ্তন নহয় অ'পিএছ

**ষ্টাফ ৰিপ'ৰ্টাৰ ঃ** অসম বিধানসভাৰ মজিয়াত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বিধায়ক অখিল গগৈৰ এক প্ৰশ্নৰ উত্তৰত সম্প্ৰতি অসমত অ'পিএছ ব্যৱস্থা পুনৰ প্ৰৱৰ্তন সম্ভৱ নহয় বুলি কৰা মন্তব্যৰ পিছতে জাঙুৰ খাই উঠিছে সদৌ অসম চৰকাৰী এনপিএছ কৰ্মচাৰী সংস্থা। সংস্থাই আনকি তেওঁলোকৰ দাবীৰ সমৰ্থনত পুনৰ আন্দোলনৰো হুংকাৰ দিছে। এই বিষয়টো সন্দৰ্ভত সদৌ অসম চৰকাৰী এনপিএছ কৰ্মচাৰী সংস্থাৰ সভাপতি অচ্যুতানন্দ হাজৰিকাই কয়, 'অসম বিধানসভাত বিধায়ক অখিল গগৈয়ে সোমবাৰে উত্থাপন কৰা প্ৰশ্নৰ উত্তৰত অসমৰ মুখ্যমন্ত্ৰীয়ে দিয়া বিবৃতি সংস্থাৰ দৃষ্টিগোচৰ হৈছে। মুখ্যমন্ত্ৰীগৰাকীয়ে নিশ্চিত পেঞ্চনৰ ব্যৱস্থাৰ বাবে কেন্দ্ৰক আৰ্জি পেছ কৰা কথাটোৱেই স্পষ্ট কৰিছে যে সংস্থাই যোৱা সময়ছোৱাত দাঙি ধৰা তথ্যসমূহ নিৰ্ভুল আৰু সত্যৰ ওপৰত প্ৰতিষ্ঠিত। অসমৰ চৰকাৰী কৰ্মচাৰী সমাজৰ একাংশই এনপিএছৰ অধীনত অৱসৰ গ্ৰহণ কৰি আৰ্থিক সংকটৰ সন্মুখীন হৈছে, সেয়া চৰকাৰৰ মুৰব্বী তথা মুখ্যমন্ত্ৰী হিচাপে তেওঁৰ বক্তব্যত ভালকৈ উপলব্ধি কৰা যেন অনুমান নহ'ল। যি ক্ষেত্ৰত পুৰণি দুই পৃষ্ঠাত

## নলবাৰীত সহস্ৰাধিক বিজেপিলৈ

**অসম ভূমি সেৱা, নলবাৰী ঃ** ভাৰত মাতৃ তথা দেশসেৱাৰ মনোভাব থকা প্ৰতিজন ব্যক্তিৰ বাবে ভাৰতীয় জনতা পাৰ্টিৰ দুৱাৰ সদায় খোলা আছে। এই মন্তব্য অসম চৰকাৰৰ মন্ত্ৰী তথা নলবাৰী সমষ্টিৰ বিধায়ক জয়ন্তমল্ল বৰুৱাৰ। ভাৰতীয় জনতা পাৰ্টিৰ নলবাৰী জিলা সমিতিৰ উদ্যোগত ৩৯ নম্বৰ নলবাৰী বিধানসভা সমষ্টি ভিত্তিত যোৱা দুই পৃষ্ঠাত



১৫ পৃষ্ঠাত

### ঢকুৱাখনাত ভূমি পট্টা প্ৰদান অনুষ্ঠানত মুখ্যমন্ত্ৰী

## পূৰ্বতকৈ শিথিল কৰা হ'ব মিছন বসুন্ধৰা আঁচনিৰ নীতি-নিয়ম

**অসম ভূমি সেৱা, ঢকুৱাখনা ঃ** লখিমপুৰ জিলাৰ ঢকুৱাখনা বিধানসভা সমষ্টিৰ অন্তৰ্গত মিছন বসুন্ধৰা ২.০ৰ অধীনত যোৱা ২৬ ফেব্ৰুৱাৰীত ১১ হাজাৰ ৪৮৩ গৰাকী যোগ্য হিতাধিকাৰীক ভূমি পট্টা প্ৰদান উপলক্ষে আয়োজিত অনুষ্ঠানত 'মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰে। উল্লেখ্য যে মিছন বসুন্ধৰা ২.০ৰ অধীনত লখিমপুৰ জিলাৰ ২০,৪১৯ গৰাকী আৱেদনকাৰীয়ে ভূমি পট্টাৰ বাবে যোগ্যতা আহৰণ কৰিছিল। ইয়াৰ ভিতৰত বিহপুৰীয়া বিধানসভা সমষ্টিৰ ১,২৫৩ গৰাকী, ৰঙানদী বিধানসভা সমষ্টিৰ ১,৩৫২ গৰাকী, নাওবৈচা বিধানসভা সমষ্টিৰ ৩,২৪৪ গৰাকী, লখিমপুৰ দুই পৃষ্ঠাত

### নগাঁৱত 'বিকাশৰ বাবে এদিন কাৰ্যসূচী'ত ড° শৰ্মা

## যুৱ প্ৰজন্মৰ আশা-আকাংক্ষা পূৰণৰ বাবে চৰকাৰে প্ৰয়াস কৰিছে




**অসম ভূমি সেৱা, নগাঁও ঃ** নগাঁও জিলাৰ উন্নয়নৰ গতি অধিক ত্বৰান্বিত কৰাৰ উদ্দেশ্যেৰে 'বিকাশৰ বাবে এদিন কাৰ্যসূচী'ৰ অধীনত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি জিলাখন ভ্ৰমণ কৰি আন্তঃগাঁথনি, ক্ৰীড়া, বাণিজ্য, দক্ষতা আদিকে ধৰি বিভিন্ন দিশত বিকাশৰ সহায়ক হোৱাকৈ একাধিক প্ৰকল্পৰ উদ্বোধন তথা শিলান্যাস কৰে। মুখ্যমন্ত্ৰীয়ে যোৱা ২৫ ফেব্ৰুৱাৰীত প্ৰথমে নগাঁও বিধানসভা সমষ্টিত ১৫ পৃষ্ঠাত

## একেদিনাই পাঁচখন এইমছ উদ্বোধন প্ৰধানমন্ত্ৰী মোডীৰ

**পশ্চিমবংগ ঃ** প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে যোৱা ২৫ ফেব্ৰুৱাৰীত গুজৰাটৰ ৰাজকোটৰ অনুষ্ঠানৰ পৰা পাঁচখন এইমছ ৰাষ্ট্ৰৰ প্ৰতি উৎসৰ্গা কৰে। এই সময়ত পশ্চিমবংগৰ কল্যাণীৰ পৰা যোগদান কৰে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে। কল্যাণীতো এখন এইমছৰ উদ্বোধন কৰে প্ৰধান মন্ত্ৰীয়ে। প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে গুজৰাটৰ ৰাজকোটৰ পৰা ৪৮,১০০ কোটি টকাৰ অধিক মূল্যৰ বিভিন্ন উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন তথা আধাৰশিলা স্থাপন কৰে। প্ৰধান মন্ত্ৰীয়ে দেশবাসীক সম্বোধন কৰি ১৫ পৃষ্ঠাত

## সোলা মুখৰ হাঁহি

নুৰুল ইছলাম



কথাটো আড্ডাত উলিয়ালে কলিমনে। বোলো হেৰি নহয় ৰাইজ। কোনে কোনেনো ঘৰৰজনীক ভয় কৰি নচলে। হওঁতে কথাযাৰ দুই পৃষ্ঠাত

### ঢেকীয়াজুলিৰ যুৱ ব্যৱসায়ী ৰাজীৱ শৰ্মাৰ সফলতাৰ কাহিনী

## মুদ্ৰা ঋণ লৈ আন দহজনক দিছে সংস্থাপন

**নাৰায়ণ ফয়েল, ঢেকীয়াজুলি ঃ** যি সময়ত এচাম নিবনুৱা যুৱক-যুৱতীয়ে কৰ্মসংস্থাপন বিচাৰি হাবাথুৰি খাইছে, নিজ ৰাজ্যত কৰ্মসংস্থাপন নাপাই বহিঃৰাজ্যলৈ ঢাপলি মেলিছে তেনে সময়তে ঢেকীয়াজুলি নগৰৰ দুই নম্বৰ ৱাৰ্ডৰ এজন শিক্ষিত যুৱকে হাৰ্ডৱেৰৰ দোকান খুলি ব্যৱসায়ত বিশেষ সফলতা অৰ্জন কৰিছে। নিজৰ লগতে আন দহজনৰ সংস্থাপনৰ বাট মুকলি কৰিছে। এয়া হৈছে ঢেকীয়াজুলি নগৰৰ বালাজী হাৰ্ডৱেৰৰ স্বত্বাধিকাৰী ৰাজীৱ শৰ্মাৰ সফলতাৰ কাহিনী। উল্লেখ্য যে ঢেকীয়াজুলি নগৰৰ দুই ৱাৰ্ডৰ বাসিন্দা আনন্দ শৰ্মাৰ পুত্ৰ তথা স্নাতক ডিগ্ৰীধাৰী উদীয়মান যুৱক ৰাজীৱ শৰ্মাই ২০১৬ চনত নিজৰ বাসগৃহৰ দুই পৃষ্ঠাত



## প্ৰথম পৃষ্ঠাৰ পৰা

# মুদ্ৰা ঋণ লৈ আন দহজনক

সন্মুখত বালাজী হাৰ্ডৱেৰ নামৰ এখন দোকান আৰম্ভ কৰে। ব্যৱসায়িক দিশত সবল হোৱাৰ সংকল্পলৈ তেওঁ বেংকৰ মুদ্ৰা ঋণ লৈ সুদূৰ ৰাজস্থানৰ পৰা টাইলছ ক্ৰয় কৰি আনি নিজৰ দোকানত টাইলছসমূহৰ বিক্ৰী ব্যৱস্থা আৰম্ভ কৰে। যুৱ ব্যৱসায়ীজনে বিগত বৰ্ষত নিজৰ দোকানখন আটকধুনীয়াকৈ সজাবলৈ যত্ন কৰাৰ লগতে আৰচিচি ভৱন নিৰ্মাণ কৰে। শেহতীয়াকৈ তেওঁ নিজৰ দোকানখনৰ ওপৰ মহলাত টাইলছৰ লগতে অত্যাধুনিক পাকঘৰ আৰু স্নানাগাৰৰ সামগ্ৰীৰ শ্ব' ৰূম স্থাপন কৰে। যোৱা ২২ ফেব্ৰুৱাৰীত ধৰ্মীয় ৰীতি-নীতিৰে টাইলছ তথা অত্যাধুনিক পাকঘৰ আৰু স্নানাগাৰৰ সামগ্ৰীৰ শ্ব' ৰূম মুকলি কৰা হয়। উক্ত অনুষ্ঠানত ব্যৱসায়ীজনৰ পিতৃ তথা ঢেকীয়াজুলিৰ জ্যেষ্ঠ সাংবাদিক আনন্দ শৰ্মা, ঢেকীয়াজুলি পৌৰসভাৰ প্ৰাক্তন পৌৰপতি ৰাতুল কুমাৰ নাথ, বিশিষ্ট ব্যৱসায়ী তথা সমাজকৰ্মী সিদ্ধেশ্বৰ জয়ছোৱাল, বলৰাম বৰ্মা, ঢেকীয়াজুলি প্ৰেছ ক্লাবৰ সভাপতি গোলোক চন্দ্ৰ বৰা, ঢেকীয়াজুলি ৰাষ্ট্ৰভাষা বিদ্যাপীঠৰ প্ৰধান শিক্ষক ৰাধেশ্যাম মিশ্ৰ, ঢেকীয়াজুলি পৌৰসভাৰ ৱাৰ্ড কমিছনাৰ ৰঞ্জিতা জয়ছোৱালৰ লগতে অঞ্চলটোৰ বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। এই অনুষ্ঠানত যুৱ ব্যৱসায়ী ৰাজীৱ শৰ্মাই সাংবাদিকৰ আগত কয়— মই কেৱল নিজৰ কাৰণে ব্যৱসায় কৰা নাই। নিজৰ লগতে আন দহজনক সংস্থাপনৰ কথা চিন্তা কৰি ব্যৱসায়িক দিশত খোজ দিছো। এইক্ষেত্ৰত তেওঁ পিতৃ আৰু পৰিয়ালৰ লোকৰ লগতে বন্ধুবৰ্গৰ দিহা-পৰামৰ্শ গ্ৰহণ কৰি আগবাঢ়ি গৈছে বুলি ব্যৱসায়ীজনে প্ৰকাশ কৰে। উত্তৰ অসমৰ ৰাইজে ঢেকীয়াজুলি বালাজী হাৰ্ডৱেৰৰ টাইলছ তথা অত্যাধুনিক পাকঘৰ আৰু স্নানাগাৰৰ সামগ্ৰীৰ শ্ব' ৰূমৰ পৰা নিজৰ প্ৰয়োজনীয় সামগ্ৰী ক্ৰয় কৰি সুখী হ'ব বুলি ৰাজীৱ শৰ্মাই সাংবাদিকৰ আগত প্ৰকাশ কৰে। তেওঁৰ ব্যৱসায় প্ৰতিষ্ঠানৰ জৰিয়তে ৰানিং ৱাটাৰৰ বাবে প্ৰয়োজনীয় পাইপ, মটৰ, টেপ, পেইনটিং আৰু ঘৰৰ সাজসজ্জাৰ প্ৰয়োজনীয় সামগ্ৰীও যোগান ধৰা হ'ব বুলি জানিবলৈ দিয়ে।

# সোলা মুখৰ হাঁহি

বৰ সহজ যেন নেলাগেনে। প্ৰেক্টিকেলতহে কিন্তু বৰ ডেঞ্জাৰাছ। কিয়নো একেবাৰে সাংঘাতিক ছাবজেক এইটো। প্ৰশ্নটো শুনাৰ পিছত বজ্ৰ পৰাৰ লেখীয়াকৈ বহু সময় ধৰি আমাৰ কাৰোৰে মাত-বোল নাই। মুখবোৰ টোটেলি অফ। আচলতে সদায় সন্ধিয়া সময়ত নেউলমৰা চুবুৰিৰ কণপাইৰ গুমটি দোকানখনৰ কাষতে থকা বাঁহৰ চাংখনত আমাৰ আড্ডা চলে। বিষয় কিন্তু সদায় বেলেগ বেলেগ। মুঠতে আমাৰ বুঢ়াকেইটাৰ মজলিছ ভাল জমে। পিছে এই বিষয়টোৰ উত্তৰ দিবলৈহে কোনেও মুখ মেলিবলৈ সাহস গোটাব পৰা নাই। অনুমান কৰিলো নিজৰজনীক ভয় কৰি নচলা আমাৰ পাঁচজনকৈ বুঢ়াৰ ভিতৰত এজনো নাই। মানে ভয় কৰিয়েই চলে সকলোৱে। আটাইমখাই টলকা মাৰি থকা দেখি বৰমতা কেৰকনে গলহেকাৰি এটা মাৰি ক'লে। বাৰু প্ৰশ্নটো কৰাজনেই প্ৰথমে নিজৰ আধ্যা গালে ভাল হয় নেকি? হয় কথাটো। আটাইকেইজনে মূৰ দুপিয়াই হয়ভৰ দিলে। এইবাৰ কলিমনে বুকুখন ফুলাই ক'লে— কি কথানো কয়হে প্ৰভুসকল? সেইজনীক কেয়াৰ নকৰো বাবেইতো শহুৰৰ ঘৰতে নিগাজিকৈ আছোহি। কলিমনৰ দম্ভালি দেখি সকলো হতবাক। এৰা, ঠিকেই। দম আছে বাবেইতো ঘৈণীয়েকৰ ঘৰত আহি বেদখল কৰি আছেহি মানুহটোৱে। কেৰকনো বাৰু কমনে। এখোপ ওপৰত। হেৰি, সেইজনীক ভয় কৰিবলৈ অমুকাক তিৰুতা সেৰুৱা পাইছে নেকি? অমুকা লাই দিয়া ভকত নহয় বুজিছে। ঘৰখনৰ ধোৱা-পখলাৰ পৰা সকলোখিনি নিজেই কৰো। সেইজনীয়ে যাতে হাত দিবলৈ সাহসেই নকৰে। দস্তুৰমত মোৰ ঘৰত সেইজনীক কাম-বনৰ চান্স দি কিহৰ বাবে মূৰত তুলিম হয়নে! সকলোৱে কেৰকনৰ ফালে চাই এইবাৰ অমুকাৰ ফালে চকু ঘূৰালে। মানে অমুকাই মানুহজনীক ভয় কৰি চলো নে নচলো সেয়া জানিব বিচাৰিছে। এইবাৰ অমুকাই মুখ নেমেলি পাৰোনে। বোলো কিনো কথাবোৰ যে কৈ আছে ভাবিবই পৰা নাই। আচলতে কি জানে 'ভয়ত ভগৱন্ত পলাই, কিললৈ বসুদেৱো ডৰায়' বোলা কথা এযাৰ আছেই দেখোন। মুঠতে সেইবোৰ কেয়াৰ কৰা ভকত অমুকা নহয়। এবাৰ কি হৈছিল জানে। এদিনাখন পুৱা মানুহজনী পাগঘৰত। এনেতে কিবা কথাত হেস্তনেস্ত লাগিল। গ'লো নহয় বাপ্পেকে চোঁচা মাৰি। তাৰ পাছতে দৰৱা-দৰৱি। তেনেকৈ লাগি থাকোতে সেইজনীৰ হাতত থকা বেলনামাৰি ডালত দিলো জোৰেৰে খুন্দা মাৰি। সৰি পৰিল নহয় দুয়োপাৰি। কথাযাৰ কৈয়েই মুখখন হাঁকে মেলি দিলো। মুহূৰ্ততে মুখত কোব খোৱা দমৰাৰ দৰে আটাইকেইজনে অমুকাৰ সোলা মুখখনৰ ফালে ভেবা লাগি চাই ৰ'ল...।

# নলবাৰীত সহস্ৰাধিক বিজেপিলৈ

২৫ ফেব্ৰুৱাৰীত নলবাৰী জিলা পুথিভঁৰালত প্ৰেক্ষাগৃহত মহাযোগদান কাৰ্যসূচীত অংশগ্ৰহণ কৰি মন্ত্ৰী জয়ন্তমল্ল বৰুৱাই বিজেপি দল অন্য ৰাজনৈতিক দলসমূহতকৈ পৃথক বুলি কৈ কংগ্ৰেছৰ পৰিয়ালবাদৰ বিপৰীতে বিজেপিৰ মূল নীতি ৰাষ্ট্ৰ প্ৰথম, দল তথা সংগঠন দ্বিতীয় আৰু ব্যক্তি তৃতীয় বুলি ভাষণ প্ৰসংগত উল্লেখ কৰি নলবাৰী বিধানসভা সমষ্টিৰ নলবাৰী টাউন মণ্ডল, বাঁহজানী মণ্ডল, উত্তৰ নলবাৰী মণ্ডল আৰু ঘগ্ৰাপাৰ মণ্ডলৰ পৰা অহা বিৰোধী কংগ্ৰেছ, তৃণমূল কংগ্ৰেছ, জাতীয় পৰিষদ, বিপিএফ, বাওঁপন্থী দলসহ আমছু, যুৱ-ছাত্ৰ পৰিষদৰ সহস্ৰাধিক নেতা-কৰ্মীক দলীয় বস্ত্ৰ পৰিধান কৰাই আদৰণি জনায়। নলবাৰী জিলা কংগ্ৰেছৰ প্ৰাক্তন সভাপতি তথা প্ৰাক্তন মন্ত্ৰী ভূমিধৰ বৰ্মনৰ জোঁৱাই কিশোৰ হাজৰিকা, তৃণমূল মহিলা কংগ্ৰেছৰ ৰাজ্যিক সভানেত্ৰী পূৰৱী মালাকৰ, জাতীয় পৰিষদৰ নেতা দীপক ডেকা, এআইইউডিএফৰ নেতা মজনুৰ আলী, কংগ্ৰেছৰ স্থানীয় নেতা ধৰ্ম হালৈ, তিলক কলিতা, ইচিমা বিবি, বিপিএফৰ নেতা মাণিক দাস, যুৱ-ছাত্ৰ পৰিষদৰ আনোৱাৰ হুছেইনসহ কেইবাজনো সমাজকৰ্মী তথা নলবাৰী চহৰৰ জ্যেষ্ঠ অধিবক্তাৰ নেতৃত্বত সহস্ৰাধিক লোকে বিজেপি দলটোৰ নীতি আৰু প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী, মুখ্য মন্ত্ৰী ড° হিমন্তবিশ্ব শৰ্মাৰ কাম-কাজৰ প্ৰতি আকৃষ্ট হৈ বিজেপিত যোগদান কৰে। নলবাৰী জিলা বিজেপিৰ সাধাৰণ সম্পাদকদ্বয় পুলক শৰ্মা আৰু জয়ন্ত বুজৰবৰুৱাই আঁত ধৰা উক্ত মহাযোগদান কাৰ্যসূচীত অংশগ্ৰহণ কৰে নলবাৰী জিলা বিজেপিৰ সভাপতি ডাঃ মৃগাংক তালুকদাৰ, নলবাৰী পৌৰসভাৰ সভানেত্ৰী জয়শ্ৰী তালুকদাৰকে ধৰি দলীয় নেতৃত্বই।

# পূৰ্বতকৈ শিথিল কৰা হ'ব মিছন বসুন্ধৰা

বিধান সভা সমষ্টিৰ ৩,০৮৭ গৰাকী আৰু ঢকুৱাখনা বিধানসভা সমষ্টিৰ বাবে ১১,৪৮৩ গৰাকী। এই উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে লখিমপুৰ জিলাৰ ইমান বৃহৎ সংখ্যক পৰিয়ালক ভূমি পট্টা প্ৰদান কৰাৰ জৰিয়তে খিলঞ্জীয়া জনসাধাৰণৰ ভূমিৰ অধিকাৰ সুনিশ্চিত কৰাৰ দিশত বৰ্তমানৰ ৰাজ্য চৰকাৰৰ থকা দায়বদ্ধতাকে সূচাইছে। তেওঁ লগতে কয় যে লখিমপুৰ জিলাৰ অসংখ্য খিলঞ্জীয়া জনসাধাৰণে জনজাতি বেল্ট আৰু ব্লকৰ বাধা নিষেধৰ বাবে ভূমি পট্টা লাভ কৰাৰ পৰা বঞ্চিত হৈ আছিল। বৰ্তমানৰ ৰাজ্য চৰকাৰে মিছন বসুন্ধৰা ২.০ৰ মাধ্যমেৰে অজনজাতীয় খিলঞ্জীয়া জনগোষ্ঠীয়ে মাটিৰ পট্টা লাভ কৰাৰ ক্ষেত্ৰত থকা বাধা আঁতৰ কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছিল। বিশেষকৈ লখিমপুৰ আৰু ধেমাজি জিলাৰ সুৰক্ষিত শ্ৰেণী হিচাপে নিৰ্দ্ধাৰণ কৰি খিলঞ্জীয়া অজনজাতীয় সম্প্ৰদায়সমূহক মিছন বসুন্ধৰা ২.০ৰ জৰিয়তে সামৰি লোৱাৰ ফলত উপকৃত হ'বলৈ সক্ষম হৈছে বুলিও তেওঁ মন্তব্য কৰে। মিছন বসুন্ধৰা ৩.০ত ব্যক্তিৰ উপৰি মন্দিৰ, নামঘৰ, ক্লাব আদি সামাজিক অনুষ্ঠানক ভূমি পট্টা আবণ্টন দিয়াৰ ক্ষেত্ৰত গুৰুত্ব দিয়া হ'ব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে মিছন বসুন্ধৰাৰ প্ৰথম আৰু দ্বিতীয় সংস্কৰণত থকা কেতবোৰ কঠোৰ নিয়মৰ বাবে কিছু সংখ্যক আবেদন নাকচ কৰিবলগীয়া হৈছিল। এই দিশটোৰ প্ৰতি লক্ষ্য ৰাখি আগন্তুক মিছন বসুন্ধৰা ৩.০ত শিথিলতা অনা হ'ব বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে কয় যে বৰ্তমানৰ ৰাজ্য চৰকাৰে নিৰ্বাচনৰ সময়ত দিয়া প্ৰতিশ্ৰুতিসমূহ যাতে ৰূপায়ণ হয় সেই দিশত সৰ্বাধিক গুৰুত্ব আৰোপ কৰিছে। তেনে উদ্দেশ্যেৰে অসম চৰকাৰৰ সেৱাত এক লাখ যুৱক-যুৱতীক নিযুক্তিৰ প্ৰতিশ্ৰুতি পূৰণ দিশত চৰকাৰখনে আগবাঢ়িছে। তেওঁ লগতে কয় যে সামাজিক আৰু অৰ্থনৈতিকভাৱে পিছপৰা শ্ৰেণীৰ উন্নয়ন সাধনৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে ধ্বজাবাহী আঁচনি গ্ৰহণ কৰি সেই আঁচনিসমূহ ৰূপায়ণৰ দিশত নিৰৱচ্ছিন্নভাৱে কাম কৰি আহিছে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে আগন্তুক দিনত যাতে অসমে সকলো দিশতে এক অগ্ৰণী ৰাজ্য হিচাপে পৰিগণিত হ'ব পাৰে তাৰ বাবে ৰাজ্য চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। তেনে লক্ষ্য পূৰণৰ বাবে জনসাধাৰণে কৰ্ম-সংস্কৃতিক আকোঁৱালি লোৱাৰ ওপৰতো মুখ্যমন্ত্ৰীয়ে গুৰুত্ব আৰোপ কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে সমাজৰ সকলো শ্ৰেণীয়ে আগবাঢ়ি আহিলে ৰাজ্যখনে সকলো দিশতে এক বিশেষ স্থান অধিকাৰ কৰিবলৈ সক্ষম হ'ব। এই অনুষ্ঠান সাংসদ প্ৰদান বৰুৱা, বিধায়ক নৱ কুমাৰ দলে, মিচিং স্বায়ত্তশাসিত পৰিষদৰ অধ্যক্ষ সুনীল পেগু প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

# ৰাজ্যত পুনৰ প্ৰৱৰ্তন নহয় অ'পিএছ

পেঞ্চন আঁচনিৰ অধীনত ১০ বছৰ চাকৰি কৰি অৱসৰ গ্ৰহণ কৰিলে ন্যূনতম মাহিলি ৫,৫০০ টকাৰ লগতে মৰণীয়া সাহায্য পোৱাৰ প্ৰথা আছে; একে সময় চাকৰি কৰি অৱসৰ গ্ৰহণ কৰাসকলে এনপিএছৰ অধীনত ১,৫০০-২,০০০ টকা পোৱা কথাটো স্বীকাৰ নকৰি ২০৩৫ লৈ ঠেলি কৰ্মচাৰীসকলৰ প্ৰতি থকা দায়িত্ব আৰু কৰ্তব্যৰ ক্ষেত্ৰত প্ৰশ্নবোধক চিহ্ন আঁকিছে। তেওঁ পুনৰ কয় যে ২০৩৫ত এনপিএছ কেনেকৈ অ'পিএছতকৈ ভাল হ'ব তাৰ তথ্যভিত্তিক সিদ্ধান্ত নিদি কৰ্মচাৰী সমাজৰ প্ৰতি কৰা অৱজ্ঞা স্পষ্ট কৰিছে নাইবা অসম চৰকাৰত বিজ্ঞ অৰ্থনীতিবিদৰ অভাৱ স্পষ্টকৈ প্ৰকাশ কৰিছে। অসমত ৰেলৱে, বেংক, এলআইচি আদি সকলো স্থানতে এনপিএছ ব্যৱস্থাৰ বিৰুদ্ধে আন্দোলন হৈ থকাৰ পিছতো এইসমূহত আন্দোলন হোৱা নাই বুলি কৈ কি প্ৰকাশ কৰিছে, বুজাত আমাৰ অসুবিধা হৈছে বুলিও কয় বিবৃতিত। সদৌ অসম চৰকাৰী এনপিএছ কৰ্মচাৰী সংস্থাই এই বুলিও কয় যে অসমৰ কৰ্মচাৰী সমাজক পাকে প্ৰকাৰে এনপিএছ বিৰোধী আন্দোলন তীব্ৰ কৰাৰ বাবে মুখ্যমন্ত্ৰীয়ে উৎসাহ দিয়া যেন হৈছে।

কৰ্মচাৰীৰ প্ৰতি কৰা চৰকাৰৰ অবিচাৰ আৰু কৰ্মচাৰী সমাজৰ অৱসৰী সুৰক্ষাৰ স্বাৰ্থ সুৰক্ষিত কৰিবলৈ কৰ্মচাৰী সমাজে আন্দোলন তীব্ৰ কৰিব আৰু বিষয়টি ২০২৪ৰ নিৰ্বাচনৰ আগতেই জনতাৰ ওচৰলৈ লৈ যাব বুলি বিবৃতিত উল্লেখ কৰে। সদৌ অসম চৰকাৰী এনপিএছ কৰ্মচাৰী সংস্থাৰ নলবাৰী জিলাৰ প্ৰচাৰ সম্পাদক নীলিম আকাশ কাশ্যপেও প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে এই সন্দৰ্ভত। নীলিম আকাশ কাশ্যপে কয়, 'অ'পিএছ আমাৰ প্ৰাপ্য। আন্দোলনমুখী হোৱাতকৈ আমাক পুৰণি পেঞ্চনৰ আওতালৈ নি চৰকাৰে প্ৰমাণ কৰক যে ৰাজ্যখনৰ লাখ লাখ এনপিএছ কৰ্মচাৰীৰ ভৱিষ্যতৰ প্ৰতিও বিভিন্ন আঁচনিৰে ৰাইজৰ কথা চিন্তা কৰা বুলি প্ৰতীয়মান কৰিব খোজা চৰকাৰখন সচেষ্ট।' এনপিএছৰ বিপক্ষত স্থিতি লোৱা অখিল গগৈক ধন্যবাদ জনাইছে সদৌ অসম চৰকাৰী এনপিএছ কৰ্মচাৰী সংস্থাই। বিষয়টি বিধানসভাৰ মজিয়াত উত্থাপন কৰি কৰ্মচাৰী সমাজৰ হৈ মাত মতাৰ বাবে বিধায়ক গগৈৰ লগতে কংগ্ৰেছ আৰু কমিনিউষ্ট পাৰ্টিৰ বিধায়কসকলক অসমৰ কৰ্মচাৰী সমাজৰ হৈ ধন্যবাদ জনাই সদৌ অসম চৰকাৰী এনপিএছ কৰ্মচাৰী সংস্থাই। উল্লেখ্য যে বিধানসভাত পুৰণি পেঞ্চন আঁচনি প্ৰৱৰ্তন কৰিলে পাঁচ বছৰৰ ভিতৰত চৰকাৰ ভাঙি যাব বুলি প্ৰকাশ কৰিছিল মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই।

# দদৰাত সমাজকৰ্মী গণেশ্বৰ মেধি সোঁৱৰণী তোৰণ উন্মোচন



**উত্তৰ গুৱাহাটী ঃ** ১৯৫৪ চনত স্থাপিত দদৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ে এই বছৰ মাৰ্চত সত্তৰ বছৰ পূৰ্ণ কৰাৰ প্ৰাক্‌ক্ষণত দদৰাৰ বিশিষ্ট সমাজকৰ্মী প্ৰয়াত গণেশ্বৰ মেধিৰ পৰিয়ালে বিদ্যালয়খনলৈ যোৱা ২৩ ফেব্ৰুৱাৰীত এক অনবদ্য উপহাৰ দিয়ে। প্ৰায় সাত লাখ টকা ব্যয়সাপেক্ষে প্ৰয়াত গণেশ্বৰ মেধিৰ সোঁৱৰণত পৰিয়ালে নিৰ্মাণ কৰা সমাজকৰ্মী প্ৰয়াত গণেশ্বৰ মেধি সোঁৱৰণী তোৰণখন যোৱা ২৩ ফেব্ৰুৱাৰীত উন্মোচন কৰে প্ৰয়াত গণেশ্বৰ মেধিৰ সহধৰ্মিণী প্ৰেমলতা মেধিয়ে। এই উপলক্ষে আয়োজিত এক ৰাজহুৱা সভাত সভাপতিত্ব কৰে দদৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ মাধৱ চন্দ্ৰ পাঠকে। সভাত ভাষণ দি তোৰণখনৰ উন্মোচক প্ৰেমলতা মেধিয়ে সকলোকে সমাজৰ অহিতৰ বাবে নহয়, হিতৰ বাবেহে সেৱা আগবঢ়াই যাবলৈ আহ্বান জনায়। তোৰণ দাতা পৰিয়ালৰ হৈ ভাষণ দি দদৰা উচ্চতৰ মাধ্যমিক বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি মধুসূদন মেধিয়ে কয় যে তেওঁৰ ককাক প্ৰয়াত হৰেশ্বৰ মেধি দদৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰথমগৰাকী ভূমিদাতা হোৱাৰ উপৰি বিদ্যালয়খনলৈ সৰ্বাধিক পৰিমাণৰ ভূমিদাতা। তেওঁ বিদ্যালয়লৈ ভূমিদান দিয়া আন ভূমিদাতাসকলকো শ্ৰদ্ধাৰে স্মৰণ কৰে। তেওঁ আৰু কয় যে ভালেমান ভূমিদাতাই ভূমিৰ বিনিময়ত বিদ্যালয়ত সংস্থাপন লৈছে যদিও মেধি পৰিয়ালে ভূমিদানৰ বিনিময়ত কোনো সংস্থাপন লোৱা নাই। সভাখনত ভাষণ দি দদৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ তথা বিশিষ্ট শিক্ষাবিদ পৰেশ বৈশ্যই কয় যে সমাজৰ কাৰণে ত্যাগ কৰিব পৰাজনহে প্ৰকৃত সুখী, সমাজৰ পৰা লোৱাজন স্বাৰ্থপৰ। সভাত ভাষণ দি দদৰা গাঁৱৰ গাঁওপ্ৰধান চন্দ্ৰধৰ দাসে দদৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি মধুসূদন মেধিয়ে বিদ্যালয়খনক আগবঢ়াই নিবলৈ কৰি নিৰন্তৰ প্ৰচেষ্টাৰ কথা উল্লেখ কৰে। সভাত প্ৰয়াত হৰেশ্বৰ মেধিৰ পৰিয়ালবৰ্গক দদৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ তৰফৰ পৰা গামোচাৰে সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত দদৰা উচ্চতৰ মাধ্যমিক বিদ্যালয় পৰিচালনা সমিতিৰ উপ-সভাপতি যোগেন্দ্ৰ ঠাকুৰীয়া, সমাজকৰ্মী প্ৰদীপ ডেকা, বিশিষ্ট চিকিৎসা ডাঃ আব্দুল চৌধুৰী, শৰাইঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ তিলক চন্দ্ৰ গোস্বামী, সমাজকৰ্মী ধীৰেন চন্দ্ৰ বৈশ্য প্ৰমুখ্যে সমাজৰ ভালেমান গণ্যমান্য ব্যক্তি উপস্থিত থাকে। দদৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক নুৰুল ইছলামে আঁত ধৰা উক্ত সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে বিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ শৰৎ চন্দ্ৰ কলিতাই।

## মাজুলীত চৰাইচোং উৎসৱ অনুষ্ঠিত হ'ব চাৰিখন ৰাজ্যিক পৰ্যায়ৰ আলোচনাচক্ৰ

**বিশেষ সংবাদসেৱাদাতা, মাজুলী ঃ** পক্ষীকুলৰ সুৰক্ষা শীৰ্ষ আহ্বানেৰে মাজুলীত প্ৰথমবাৰলৈ আয়োজন কৰা পক্ষী উৎসৱ চৰাইচোং উৎসৱত চাৰিখনকৈ ৰাজ্যিক পৰ্যায়ৰ আলোচনাচক্ৰ অনুষ্ঠিত হ'ব। উৎসৱৰ প্ৰধান উদ্যোক্তা স্বেচ্ছাসেৱী সংগঠন 'মাজুলীৰ সাহিত্য' আৰু 'মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়'ৰ যৌথ উদ্যোগত আয়োজিত এই আলোচনাচক্ৰত মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়সহ মাজুলীৰ আটাইকেইখন মহাবিদ্যালয়ৰ পৰা নিম্নতম পাঁচগৰাকীকৈ ছাত্ৰ-ছাত্ৰীয়ে কলেজখনৰ একোগৰাকী শিক্ষকৰ তত্ত্বাৱধানত আমন্ত্ৰিত শিক্ষাৰ্থীৰূপে অংশগ্ৰহণ কৰিবলৈ কলেজসমূহৰ লগত যোগাযোগ কৰা বুলি উদ্যোক্তাসকলে জনাইছে। আলোচনাৰ মূল বিষয়ত এইসকল ছাত্ৰ-ছাত্ৰীয়ে মত বিনিময় কৰিব পাৰিব। এই অংশগ্ৰহণকাৰীসকলৰ মাজৰ পৰা শ্ৰেষ্ঠ অংশগ্ৰহণকাৰীক পুৰস্কাৰ দিয়াৰ লগতে মানপত্ৰ দিয়াৰো ব্যৱস্থা কৰিছে। উল্লেখ্য যে ১৬৩৩ খ্ৰীষ্টাব্দত স্বৰ্গদেউ প্ৰতাপ সিংহই প্ৰতিষ্ঠা কৰা অসমৰ প্ৰথমখন পক্ষী অভয়াৰণ্য চৰাইচোঙৰ ৩৯০ বছৰীয়া ইতিহাস সুঁৱৰি আয়োজিত 'চৰাইচোং উৎসৱ' অহা ৯, ১০ আৰু ১১ মাৰ্চত চৰাইচোঙৰ উপকণ্ঠৰ ভকতিদুৱাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সন্মুখৰ বাকৰিত অনুষ্ঠিত হ'ব।




অসম ভূমি ২৮ ফেব্ৰুৱাৰী, ২০২৪

সম্পাদকৰ মেজৰ পৰা...

# পৰিৱৰ্তনৰ জোৱাৰ

কুৰি শতিকাৰ বিশ্বত আৰম্ভ হোৱা পৰিৱৰ্তনৰ জোৱাৰে এতিয়া সমাজৰ সকলো স্তৰতে প্ৰৱেশ কৰিছে। প্ৰযুক্তি আৰু বিজ্ঞানৰ অভূতপূৰ্ব বিকাশৰ ফলত পূৰ্বতে মানুহে কৰিব নোৱৰা অনেক কাম যন্ত্ৰৰ ব্যৱহাৰেৰে এতিয়া কম আয়াসতে সিদ্ধ কৰি দিয়ে। তাৰ ফলত শ্ৰম আৰু সময়ৰ ৰাহি হোৱাৰ লগতে গুণগত মান উন্নত হয়। সমান্তৰালভাৱে মানুহৰ প্ৰয়োজন বৃদ্ধি হ'ল। পৃথিৱীৰ বৰ্ধিত জনসংখ্যাক পেটৰ ভাতমুঠি যোগান দিবলৈ পৰম্পৰাগত কৃষিপদ্ধতি অসমৰ্থ হ'ল। তাৰ ফলত একে পৰিমাণৰ মাটিতে অধিক শস্য উৎপাদনৰ প্ৰয়োজন আৰু কৃষিত বিজ্ঞান-প্ৰযুক্তিৰ ব্যৱহাৰ হ'ল। মানুহৰ শাৰীৰিক শ্ৰমৰ প্ৰয়োজন কমি আহিল। ইয়ে এটা সমস্যাৰ সমাধান কৰিলে। কিন্তু লগে লগে এটা নতুন সমস্যাৰ জন্ম দিলে। পূৰ্বতে কৃষিকৰ্ম কৰি জীৱিকা নিৰ্বাহ কৰা লোকৰ অধিকাংশ কৰ্মহীন হৈ পৰিল। এইসকল লোকৰ বাবে কৰ্মসংস্থাপনৰ ব্যৱস্থা কৰাটো এতিয়া বিশ্বজোৰা সমস্যা। আনহাতে, পুঁজিবাদৰ প্ৰসাৰৰ লগে লগে নানা ধৰণৰ নতুন নতুন সামগ্ৰীয়ে বজাৰ ছানি ধৰিলে। ম'বাইল ফোন, ইণ্টাৰনেট আদিৰ ব্যাপক প্ৰচলনে এহাতেদি মানুহৰ ৰুচিৰ পৰিৱৰ্তন ঘটালে আৰু আনহাতেদি খৰচৰ মাত্ৰা বৃদ্ধি কৰিলে। মানুহৰ প্ৰয়োজনীয় সামগ্ৰীৰ তালিকাখন সলনি হ'ল। ম'বাইল ফোন এতিয়া বিলাসৰ সামগ্ৰী নহয়। আধুনিক শিক্ষা ব্যৱস্থাৰ স'তে ম'বাইল ফোন অংগৰূপে যুক্ত হৈ পৰিছে। সেইবোৰ সন্তানক যোগান দিয়াৰ দায়িত্ব যিহেতু অভিভাৱকৰ ওপৰত ন্যস্ত, প্ৰতিটো পৰিয়ালৰ খৰচৰ পৰিমাণ বাঢ়িছে। মানুহৰ জীৱন ধাৰণৰ বাবে প্ৰয়োজনীয় সামগ্ৰীৰ তালিকাখনো দীঘল হৈ গৈ আছে। এইখিনিতে প্ৰশ্ন আহে ব্যয় বৃদ্ধিৰ স'তে সংগতি ৰাখি সমানুপাতিকভাৱে মানুহৰ আয় বৃদ্ধি হৈছে নে নাই? যদি হোৱা নাই, বৰ্ধিত খৰচৰ জোৰা মাৰিবলৈ ধন আহিছে কেনে উৎসৰ পৰা? অভাৱগ্ৰস্ত মানুহৰ সংখ্যা বৃদ্ধি হ'লে সমাজত অস্থিৰতাই দেখা দিয়ে। ইয়ে যাতে জনৰোষলৈ পৰিৱৰ্তিত নহয়, তাৰ বাবে প্ৰতিখন চৰকাৰেই চেষ্টা কৰে। ই নিতান্তই স্বাভাৱিক। কিন্তু আমাৰ দেশত বৰ্তমান দেখা গৈছে নানা ছল-চাতুৰীৰ আশ্ৰয় লৈ চৰকাৰে জনসাধাৰণক বিভ্ৰান্ত কৰিবলৈ চেষ্টা কৰিছে। আপদ কালত দৰিদ্ৰ জনসাধাৰণক আৰ্থিক সকাহ দিবলৈ যিকোনো কল্যাণকামী চৰকাৰ আগবাঢ়ি অহা উচিত। দুৰ্ভিক্ষ, বানপানী, প্ৰাকৃতিক দুৰ্যোগ আদিৰ সময়ত দুৰ্গত জনতাক সাহায্য কৰাটো প্ৰয়োজন। কিন্তু তেনে সাহায্য সাময়িক হোৱা উচিত। দুৰ্যোগৰ সময় পাৰ হোৱাৰ পাছত মানুহৰ স্বাভাৱিক জীৱন যাত্ৰা পুনৰ আৰম্ভ হয় আৰু চৰকাৰী সাহায্যও বন্ধ কৰা হয়। কিন্তু বৰ্তমান দেখা গৈছে, উপাৰ্জনৰ কোনো পথ নথকা কোটি কোটি লোকক অনাহাৰৰ পৰা ৰক্ষা কৰিবলৈ চৰকাৰৰ খৰচত অন্ন যোগান ধৰাটো নিয়মত পৰিণত হৈছে। কৰ্মহীন লোকৰ সংস্থাপনৰ ব্যৱস্থা কৰাটো চৰকাৰৰ দায়িত্ব। কামৰ বিনিময়ত উপাৰ্জন কৰাটো সমাজৰ প্ৰচলিত ৰীতি। এতিয়া সেই চিৰাচৰিত প্ৰথাৰ পৰা আঁতৰি গৈ দৰিদ্ৰ অথচ কৰ্মক্ষম লোকক বিনামূলীয়াকৈ খাদ্য যোগান ধৰাৰ ব্যৱস্থা চৰকাৰে কৰিছে। তাৰ বাবে নানা ধৰণৰ আঁচনিৰ প্ৰৱৰ্তন কৰা হৈছে। এনে আঁচনিৰ যোগেদি উপকৃত হোৱা লোকসকলক হিতাধিকাৰী আখ্যা দিয়া হৈছে। এই হিতাধিকাৰীসকল কৰ্মক্ষম, কিন্তু কৰ্মহীন। ৰাজকোষৰ ধনেৰে এওঁলোকক পোহপাল দি থকা হয়। হিতাধিকাৰীসকলৰ বাবে ব্যয় হোৱা ধনৰ পৰা কোনো ৰাজহুৱা সম্পদৰ সৃষ্টি নহয়। দেশৰ বা সমাজৰ অৰ্থনৈতিক উন্নয়নত ইয়ে কেনে ধৰণৰ অৰিহণা যোগাব, সেয়া পণ্ডিতসকলৰ বিচাৰ্য বিষয়। কিন্তু এই ব্যৱস্থাই যে এচাম কৰ্মবিমুখ লোকৰ সৃষ্টি কৰিছে তাত কোনো সন্দেহ নাই। এনে এদল কৰ্মবিমুখ লোকক লৈ এটা সবল জাতি গঠন কৰাটো যে সম্ভৱ নহয় সেই কথা কাৰো অজানা নহয়। তথাপি এইবোৰ অনুৎপাদনশীল আঁচনি চলাই নিয়া হৈছে শাসক দলৰ ৰাজনৈতিক লাভৰ প্ৰতি দৃষ্টি ৰাখি।

আমাৰ দেশৰ দৰিদ্ৰ লোকক আৰ্থিক সকাহ দিয়াৰ বাবে কল্যাণমূলক আঁচনিৰ প্ৰয়োজন আছে। কিন্তু তেনে আঁচনিয়ে মানুহৰ বাবে কৰ্মসংস্থান সৃষ্টি কৰিব লাগিব। মানুহৰ বাবে কাম থাকিলে আয় বৃদ্ধি পাব আৰু জীৱনৰ মান উন্নত হ'ব। কৰ্মইহে সম্পদ সৃষ্টি কৰে। অকল জনমোহিনী আঁচনি কিছুমান গ্ৰহণ শাসন ক্ষমতা ধৰি ৰখাৰ লক্ষ্য ল'লে দেশ আৰু দেশৰ অৰ্থনীতিৰ বিকাশ সম্ভৱ নহয়। সমাজৰ পৰিৱৰ্তনৰ স'তে ৰজিতা খুৱাই পৰিস্থিতিৰ লগত খাপ খোৱাকৈ অৰ্থবহ আঁচনি গ্ৰহণ কৰিব লাগিব।

*আত্মবিশ্বাস আৰু ধৈৰ্য হৈছে মানুহৰ এক বৃহৎ মনোবল বা এক কথাত ক'বলৈ হ'লে অমূল্য সম্পদ; ইয়াৰ অভাৱত মানুহ আভ্যন্তৰীণ দিশৰ পৰা সুস্থ হৈ নাথাকে।*

*ব্যক্তিসকলেও ইজনে আনজনৰ আত্মবিশ্বাস-ধৈৰ্য বৃদ্ধিত সহযোগিতা কৰা দৰকাৰ।*

*আত্মবিশ্বাস আৰু ধৈৰ্য অবিহনে যিকোনো কামতে উত্তীৰ্ণ অসম্ভৱ লেখীয়া। আত্মবিশ্বাস মানৱ মনৰ এনেকুৱা এবিধ শক্তি যিয়ে মানুহজনক জীয়াই থাকিবলৈ বা জীৱন যুদ্ধত যোগদানৰ বাবে সাহস যোগায়।*

# ধৈৰ্য, আত্মবিশ্বাস আৰু বৰ্তমানৰ মানুহ

**হিমাজ্যোতি তালুকদাৰ**

এই পৃথিৱীত জন্মলাভ কৰা প্ৰত্যেক মানুহৰ প্ৰয়োজন, সমস্যা, চিন্তা, সুখ, ভাল লগা, বেয়া লগা আদি যিদৰে বেলেগ বেলেগ ঠিক তেনেদৰে ধৈৰ্য শক্তি আৰু আত্মবিশ্বাসৰ পৰিধিও বেলেগ বেলেগ হোৱা দেখা যায়। বৰ্তমান মানুহৰ প্ৰয়োজনীয়তাবোৰৰ অতীতৰ লগত বহু তাৰতম্য হোৱা হেতুকে ধৈৰ্য গুণ, আত্মবিশ্বাস যেন কমি আহিছে।


পৰিস্থিতি মানুহৰ যিহেতু সদায় একেই নাথাকে সেয়েহে পৰিৱৰ্তিত পৰিস্থিতিৰ লগত মানুহৰ ভাবনাৰো সালসলনি ঘটি থাকে। আজি যিটো কথাৰ বাবে আনন্দ লাগিছে, কাইলৈ সেই কথাৰ বাবে আনন্দ নালাগিবও পাৰে অথবা ভাল লগা-বেয়া লগাৰো সংজ্ঞা বেলেগ হ'ব পাৰে। ঠিক তেনেদৰে দুখ বা নিৰাশাৰ সময়ত মানুহৰ ধৈৰ্য শক্তিয়ো বেলেগ বেলেগ ধৰণৰ, কাৰোবাৰ যদি বেছি কাৰোবাৰ কম আৰু আন কাৰোবাৰ অতি কম।

কথাতে আছে যে মানুহে ধৈৰ্য আৰু কৰ্মৰ দ্বাৰাইহে উন্নত হ'ব পাৰে অৰ্থাৎ ধৈৰ্যসহকাৰে সকলো কামত মনোনিবেশ কৰাৰ ফলতহে সফলতা অৰ্জন কৰিবলৈ সক্ষম হয়। পৃথিৱীৰ সফল বা ধনী ব্যক্তিসকল এদিনতে সফল বা ধনী হ'ব পৰা নাই তাৰ বাবে তেওঁলোকে ধৈৰ্যসহকাৰে নিজ লক্ষ্যত একাগ্ৰতাৰে নিজৰ কাম কৰি গৈ থাকিহে এদিন ধনীৰ আসন পায়। ঠিক তেনেদৰে অভিনেতা এজন এদিনতে বা এটা চৰিত্ৰত অভিনয় কৰিয়ে ভাল অভিনেতা বুলি সকলোতে বিখ্যাত হৈ নপৰে বা লেখক এগৰাকী নিজ মাতৃভাষাত অনুভৱ এটা প্ৰকাশ কৰিয়েই তেওঁ প্ৰসিদ্ধ লেখক হৈ নপৰে; ইয়াৰ বাবে লাগিব একাগ্ৰতা-ধৈৰ্য-অধ্যয়ন আৰু আত্মবিশ্বাস।

বৰ্তমান সময়ত মানুহে ধৈৰ্য আৰু আত্মবিশ্বাস লাহে লাহে হেৰুৱাই পেলাইছে বা হেৰুৱাৰ পথত বুলি কোৱা বিভিন্নজনৰ মুখত শুনিবলৈ পোৱা যায়। আত্মবিশ্বাস আৰু ধৈৰ্য অবিহনে যিকোনো কামতে উত্তীৰ্ণ অসম্ভৱ লেখীয়া। আত্মবিশ্বাস মানৱ মনৰ এনেকুৱা এবিধ শক্তি যিয়ে মানুহজনক জীয়াই থাকিবলৈ বা জীৱন যুদ্ধত যোগদানৰ বাবে সাহস যোগায়। আত্মবিশ্বাস অবিহনে মানুহ সুগন্ধিবিহীন ফুলৰ নিচিনা অৰ্থাৎ মানুহজনক দেখাত সতেজ যেন লাগিলেও কিন্তু আত্মবিশ্বাস নাথাকিলে ভিতৰৰ পৰা সতেজ বা শক্তিশালী হৈ নুঠে; সৰু-বৰ যিকোনো ঘটনাতে ভাগি পৰি ডিপ্ৰেচনলৈ অতি সহজে গতি কৰিব পাৰে।

ব্যস্ততাপূৰ্ণ বৰ্তমানৰ সময়ত প্ৰত্যেক মানুহেই নিজক লৈ কম-বেছি পৰিমাণে ব্যস্ত হৈ থকা দেখিবলৈ পোৱা যায় তেনেস্থলত আমাৰ আত্মীয় বা ওচৰ-চুবুৰীয়াৰ সকলো খবৰ ৰাখিবলৈ সময় নথকাটো স্বাভাৱিক কথা। বৰ্তমান সময়ত মানুহ অতীতৰ তুলনাত হেজাৰ গুণ বেছি ব্যস্ত হ'লেও কিন্তু অতীতৰ তুলনাত বৰ্তমান মানুহৰ সা-সুবিধা বহু বেছি। যেনে অতীতত আত্মীয়ৰ খবৰ ৰাখিবলৈ হ'লে ঘৰলৈ নিজে গৈ বা কাৰোবাক পঠিয়ায়, চিঠিৰ যোগেৰে খবৰ-বাতৰি ল'ব লাগিছিল যাৰ ফলত কিছুমান জানিবলগীয়া খবৰৰ পৰাও বঞ্চিত হ'ব লগাত পৰিছিল কিন্তু বৰ্তমান প্ৰযুক্তিবিদ্যাৰ ফলত বিভিন্ন মাধ্যমেৰে ঘৰত বহিয়ে সকলো সৰু-বৰ খবৰ ৰাখিব পাৰি। গতিকে যেতিয়াই আমাৰ আত্মীয় কোনোবাই হওক বা ওচৰ-চুবুৰীয়া কোনোবাৰ আত্মবিশ্বাসৰ অভাৱ বা ধৈৰ্য শক্তি হেৰুৱাই পেলাইছে বুলি অনুমান হয় তেতিয়াই পলম নকৰি বিভিন্ন ধৰণে কৌশল অৱলম্বন কৰি তেওঁৰ আত্মবিশ্বাস আৰু ধৈৰ্য বৃদ্ধি কৰিব লাগে; এনে কৰাৰ ফলত সেই ব্যক্তিগৰাকীৰ উদ্ধাৰ হোৱাৰ লগতে কৰ্তা ব্যক্তিগৰাকীৰো মনোবল বৃদ্ধি পায়।

আত্মবিশ্বাস আৰু ধৈৰ্য হৈছে মানুহৰ এক বৃহৎ মনোবল বা এক কথাত ক'বলৈ হ'লে অমূল্য সম্পদ; ইয়াৰ অভাৱত মানুহ আভ্যন্তৰীণ দিশৰ পৰা সুস্থ হৈ নাথাকে। সেইবাবে পিতৃ-মাতৃসকলেও সন্তানক জীৱনৰ সকলো পৰ্যায়তে মনোবল বৃদ্ধি কৰিবলৈ, আত্মবিশ্বাস অটুট ৰাখিব পৰাকৈ সহযোগ কৰিব লাগে। বেলেগ বেলেগ সম্বন্ধত থকা ব্যক্তিসকলেও ইজনে আনজনৰ আত্মবিশ্বাস-ধৈৰ্য বৃদ্ধিত সহযোগিতা কৰা দৰকাৰ। এই পৃথিৱীত যিহেতু কোনো বস্তুৱে স্থায়ী নহয় গতিকে মানুহৰ সুখ-দুখো স্থায়ী নহয় সেয়েহে আমি যদি আনক সহায়ৰ হাত আগবঢ়াওঁ তেহে আমাৰো প্ৰয়োজনত আনে সহায় কৰিব।



# সমস্নেহৰ দাৰিদ্ৰতাত সন্তানৰ জীৱন

সুনম বিশ্বাস

শিশু এটা ভূমিষ্ঠ হৈয়ে মাতৃস্নেহৰ উমান পায়। শীত-তাপৰ কথা মুখেৰে ক'ব নোৱাৰিলেও অনুভৱ কৰিব পৰাৰ দৰেই আদৰ-সন্মানৰ ভাষাও বুজিব পৰা হয়। এক কথাত জন্মৰ পৰাই প্ৰেমৰ ভাষা বুজিব পৰা হয়। প্ৰত্যেকটো শিশুৰ সৰ্বাত্মক বিকাশৰ বাবে মৌলিক প্ৰয়োজনবোৰ দৰে মৰম-স্নেহ একান্তই প্ৰয়োজন। সকলো পিতৃ-মাতৃয়ে বিচাৰে যে সন্তানক সীমাহীন আদৰ-যত্নৰ মাজেৰে আপডাল কৰিবলৈ; কিন্তু যেতিয়া পৰিয়ালত মাতৃৰ কোলা উজলাই প্ৰথম সন্তানৰ জন্ম হয়, তেতিয়া যেন সকলোৰে আদৰ-যত্নৰ বৰষুণ পৰে সন্তানটোৰ ওপৰত। কিন্তু দুটা বা তাতোকৈ অধিক সন্তান থকা কিছু পৰিয়ালত যেন পিতৃ-মাতৃৰ সমযত্ন, আদৰ, মৰম-স্নেহৰ পৰা বঞ্চিত হয় সন্তান। কিছু ক্ষেত্ৰত যেন পিতৃ-মাতৃয়ে ল'ৰাতকৈ ছোৱালীক অন্যহাতে ছোৱালীতকৈ ল'ৰাক বেছি মৰম কৰা, তেওঁৰ ইচ্ছা-অনিচ্ছাৰ প্ৰতি বেছিকৈ প্ৰাধান্য দিয়া দেখা যায়। সমঅধিকাৰ নোপোৱাৰ বেদনাই তেওঁলোকৰ কোমল অন্তৰখন বিষাক্ত কীটে কুটি কুটি জৰাজীৰ্ণ কৰি পেলোৱাৰ উপক্ৰম হয়। তেতিয়াই যেন ষষ্ঠ ৰিপুৱে বেৰি ধৰে তেওঁলোকৰ মনোজগতখন। আমাৰ সংবিধানে নৰ-নাৰী নিৰ্বিশেষে সকলোকে সমঅধিকাৰ প্ৰদান কৰিলেও যেন আমাৰ পিতৃ-মাতৃসকলে কেতিয়াবা সেই অধিকাৰৰ পৰা সন্তানক বঞ্চিত কৰা দেখা যায়।

কোৱা বাহুল্য যে শিশু এটাই ঘৰখনৰ পৰাই শিক্ষা জীৱনৰ প্ৰথম অধ্যায় আৰম্ভ কৰে। পৰিয়ালৰ সকলোৰে এইক্ষেত্ৰত ভূমিকা থাকে যদিও পিতৃ-মাতৃয়ে যেন গুৰুদায়িত্ব পালন কৰে। মাতৃৰ মুখৰ ভাষাৰেই তেওঁলোকে সপোন দেখে। এইক্ষেত্ৰত মাতৃয়ে নিৰপেক্ষভাৱে সন্তানক আদৰ, যত্ন কৰাটো জৰুৰী।

আমাৰ হাতৰ পাঁচটা আঙুলি সমান নহয় যদিও এটাক এৰি আনটো অচল। হাতখন মুঠি মাৰিবলৈ পাঁচোটা আঙুলিৰ প্ৰয়োজন হয়। তদ্ৰূপ পিতৃ-মাতৃৰ আচাৰ-আচৰণ, শিষ্টাচাৰৰ প্ৰতিফলন ঘটিব ভগ্নী-ভাতৃৰ মাজত। অভিভাৱকসকলক অনুকৰণ কৰিয়ে সন্তানে তাৰ বাস্তৱ জীৱনত নিজৰ আচৰণৰ বহিঃপ্ৰকাশ কৰে। সেয়ে আমি যথেষ্ট সচেতনতা অৱলম্বন কৰাটো জৰুৰী। কিছু ক্ষেত্ৰত আমাৰ নিজৰ গুৰুত্বহীনতাৰ বাবেই যে সন্তানৰ জীৱন ধ্বংসৰ অৱবাহিকাত ডুব যোৱাৰ উপক্ৰম হয় সেয়া সমুলঞ্চে উলাই কৰিব নোৱাৰো। সন্তানৰ আগত নিজেই মাদক দ্ৰব্য সেৱন কৰা, অশ্লীল শব্দ ব্যৱহাৰ কৰা, হাই-কাজিয়া, অনৈতিক কামবোৰ যদি কৰা যায় তেন্তে তেওঁলোকক এইবোৰৰ পৰা আঁতৰি থকাৰ উপদেশ দিয়াটো কিমানদূৰ সমীচীন হ'ব? 'উপদেশতকৈ আৰ্হি ভাল' বাক্যটোৰ নিটোল প্ৰয়োগ আগতে নিজৰ জীৱনত প্ৰতিফলিত কৰিব লাগিব। কিয়নো কথাতেই আছে নহয় আগৰ হাল যেনেকৈ যায়, পিছৰ হালো তেনেকৈ যায়। অভিভাৱকসকলৰ নীতি-আদৰ্শই নৱপ্ৰজন্মই গ্ৰহণ কৰে, সেয়েহে তেনে নীতি-আদৰ্শ চিৰসেউজ কৰি ৰাখিবলৈ প্ৰথমাৱস্থাৰ পৰাই নৱ অংকুৰিত বীজটোৰ যত্ন লোৱা জৰুৰী। তেওঁলোকৰ ওপৰতেই অনাগত সমাজৰ, দেশৰ ভৱিষ্যৎ নিৰ্ভৰশীল।

মিলাপ্ৰীতিৰ অভাৱত সম্পৰ্কবোৰত ঘুণে ধৰে। যেতিয়ালৈ নিজৰ মনটোক ৰামায়ণৰ কৈকেয়ীৰ দৰে নকৰিব তেতিয়ালৈকে কোনো মন্থৰাই কাণত বিষ ঢালিব নোৱাৰিব। বিশেষকৈ যৌথ পৰিয়ালত ভাতৃ-ভগ্নীৰ মাজত ভাতৃত্বৰ ভাব নোহোৱাই হৈছে বুলি ক'ব পাৰি। একতাৰ দৰিদ্ৰতাৰ কবলত পৰিয়েই পৰস্পৰৰ মাজত কুৰুক্ষেত্ৰৰ ৰণৰ আৰম্ভ হৈ যায়। ফলত গৃহ কন্দলে ধ্বংসস্তূপত পৰিণত কৰে এখন সুখৰ সংসাৰ।

গতিকে মানৱ শ্ৰেষ্ঠ জীৱ সমাজত ধ্বংসৰ কাৰণ নহৈ সৃষ্টিৰ এক বিৰল দৃষ্টান্ত ৰখাৰ বাবে সন্তানক মহান আদৰ্শৰে আপডাল কৰাটোৱে আমাৰ প্ৰধান কাম। প্ৰকৃত ভাতৃ প্ৰেমৰ উজ্জ্বল নিদৰ্শন যে ৰামায়ণৰ লক্ষ্মণ, ভৰত ভাতৃদ্বয় সেয়া আমাৰ নৱপ্ৰজন্মৰ কৰ্ণগোচৰ হোৱাটো প্ৰয়োজন।





## অভিনৱৰ প্ৰেম

ৰিজুমণি দেৱী

নেপালী ছোৱালী চানিয়া বিমান পৰিচাৰিকা আছিল। এদিন পশ্চিমবংগৰ এয়াৰফ'ৰ্চ অফিচাৰ অভিনৱক লগ পালে বিমানতে। দুয়োৰে চিনাকি হ'ল আৰু পিছত প্ৰেম। কলিকতাৰ বঙালী ল'ৰা অভিনৱ আৰু মেঘালয়ৰ নেপালী ছোৱালীৰ দুবছৰীয়া প্ৰেমৰ প্ৰমোচন হ'ল। দুয়ো স্বামী-স্ত্ৰী হ'ল। অভিনৱে চৰকাৰী বাসভৱনলৈ লৈ আনিলে চানিয়াক।

চানিয়াই বিয়াৰ পিছত চাকৰি এৰি দিলে। নিজকে বোৱাই দিলে এটা নতুন পৰিৱেশত।

দুটা বছৰ বৰ ভালকৈ পাৰ হ'ল। দুয়ো আছিল মাক-দেউতাকৰ একমাত্ৰ সন্তান। অভিনৱৰ দেউতাক এজন বিখ্যাত ডাক্তৰ।

এদিন দুয়োৰে মাজত এটা সামান্য কথাতেই কাজিয়া হৈ দুয়ো দুয়োকে এৰি থকাৰ প্ৰতিশ্ৰুতিত দুয়ো দুটা দিশত গমন কৰিলে জীৱনৰ ঠিকনা বিচাৰি।

# বাক্সা-নলবাৰী জিলাৰ গ্ৰন্থ আন্দোলনৰ প্ৰতিভূ বাসনা সাহিত্য গোষ্ঠী

শান্তনু বৰ্মন

সমাজ এখন উন্নতিৰ শিখৰলৈ যাব লগা হ'লে সমাজখনৰ প্ৰতিগৰাকী লোক গুণী-জ্ঞানী হ'ব লাগিব। গতিকে সকলোৱে গ্ৰন্থ অধ্যয়ন কৰাটো অতিকৈ প্ৰয়োজন। এই গ্ৰন্থ অধ্যয়নৰ প্ৰতি আগ্ৰহ জন্মাবৰ বাবে অসমৰ আগশাৰীৰ সাহিত্য-সংস্কৃতিমূলক অনুষ্ঠান বাসনা সাহিত্য গোষ্ঠীয়ে বিনামূলীয়াকৈ গ্ৰন্থ বিতৰণেৰে দাঙি ধৰিছে এক বিৰল নিদৰ্শন। সাহিত্য গোষ্ঠীটো বৰ্তমান অসম ভিত্তিত গঠিত হৈছে। সাহিত্য গোষ্ঠীটোৱে নলবাৰী আৰু বাক্সা জিলাৰ বিভিন্ন প্ৰান্তলৈ গৈ স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ মাজত বিনামূলীয়াকৈ গ্ৰন্থ বিতৰণ কৰি জিলা দুখনৰ চুকে-কোণে পঢ়ুৱৈ সমাজৰ বাবে এক গ্ৰন্থ আন্দোলনৰ পাতনি মেলিছে। ইয়াৰ উপৰিও সাহিত্য গোষ্ঠীটোৱে কিছু ব্যতিক্ৰমী চিন্তা-চৰ্চাৰে বহু গঠনমূলক আৰু সামাজিক কাম কাজেৰে আগবাঢ়ি গৈ সমাজলৈ অনবদ্য অৱদান আগবঢ়াই এক নতুন দিশলৈ ধাৱমান হোৱাৰ লগতে ৰাজ্যখনত এক আদৰ্শ দাঙি ধৰিছে। ২০০৫ চনৰ ১১ অক্টোবৰত এই মহান অনুষ্ঠানটোৰ জন্ম দিছিল সদৌ অসম সাংবাদিক সন্থা (আজু) আৰু নলবাৰী জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, বিশিষ্ট সাংবাদিক, শিক্ষাবিদ, সমাজকৰ্মী, সাহিত্যিক, সমাজসংগঠক ৰোহিনী মেধিয়ে আৰু ৰোহিনী মেধিৰ আশাসুধীয়া প্ৰচেষ্টাত কম দিনতে বাসনা সাহিত্য গোষ্ঠীটোৱে অসমৰ ৰাইজৰ মাজত পৰিচিত হৈ পৰিছিল। ৰোহিনী মেধিয়ে নিজৰ দৰমহাৰ বেছিভাগ পইচায়েই বাসনা সাহিত্য গোষ্ঠীৰ বিভিন্ন কামত খৰছ কৰিছিল। ভিতৰুৱা অঞ্চলৰ ছাত্ৰ-ছাত্ৰীৰ মাজত বিনামূলীয়াকৈ গ্ৰন্থ বিতৰণ কৰি পঢ়াৰ প্ৰতি আকৰ্ষিত কৰিছিল। অতি দুখৰ বিষয় ২০১৫ চনৰ ৬ জুন তাৰিখে বাসনা সাহিত্য গোষ্ঠীৰ জন্মদাতা আমাৰ সকলোৰে শ্ৰদ্ধাৰ ৰোহিনী মেধি হৃদৰোগত আক্ৰান্ত হৈ মৃত্যু হয়। মেধিৰ মৃত্যুৰ পাছত গোষ্ঠীটোৱে অভিভাৱকহীন হৈ পৰিছিল যদিও তেওঁৰ জ্যেষ্ঠ পুত্ৰ নিপজ্যোতি মেধিয়ে গুৰিবঠা ধৰি অনুষ্ঠানটো উজ্জীৱিত কৰি ৰাখিছে। জিলা দুখনৰ বিভিন্ন ঠাইৰ সদস্যৰে লগলাগি গোষ্ঠীটোক নৱৰূপ প্ৰদান কৰে। বাসনা সাহিত্য গোষ্ঠীয়ে এতিয়ালৈকে ত্ৰিশগৰাকী নবীন লেখক-লেখিকাৰ গ্ৰন্থ প্ৰকাশ কৰাৰ লগতে ৰাজ্যখনৰ কুৰিগৰাকী প্ৰখ্যাত সাহিত্যিকৰ এখন জীৱনী গ্ৰন্থও প্ৰকাশ কৰিছে। ইয়াৰ উপৰিও বাসনা সাহিত্য গোষ্ঠীয়ে ৰাজ্যখনৰ ভিতৰুৱা অঞ্চলৰ দুখীয়া ছাত্ৰ-ছাত্ৰীৰ শিক্ষাগ্ৰহণৰ লগতে জটিল ৰোগত আক্ৰান্ত দুখীয়া পৰিয়ালৰ ল'ৰা-ছোৱালীক সহায় কৰি অহা, ছাত্ৰ-ছাত্ৰীৰ মাজত গ্ৰন্থ বিতৰণ, আৰক্ষীৰ মাজত গ্ৰন্থ বিতৰণ, আৰক্ষীৰ মাজত গছপুলি বিতৰণ, বিভিন্ন সময়ত বিভিন্ন প্ৰান্তত গছপুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰি অহাৰ লগতে প্ৰতিবছৰে ৰাজ্যৰ নবীন-প্ৰবীণ কবিসকলক উৎসাহিত কৰাৰ লক্ষ্যৰে অসম ভিত্তিত স্ব-ৰচিত কবিতা প্ৰতিযোগিতা অনুষ্ঠিত কৰি গুৱাহাটী প্ৰেছ ক্লাবত বঁটা প্ৰদান কৰি আহিছে। আজিলৈকে প্ৰায় ৫০০ গৰাকী বিভিন্ন দিশত পাৰদৰ্শিতা দেখুওৱা ব্যক্তিক ৰাজহুৱাভাৱে সম্বৰ্ধনা জনাইছে। ইয়াৰ সমান্তৰালকৈ বাসনা সাহিত্য গোষ্ঠীটোৰ প্ৰতিষ্ঠাপক ৰোহিনী মেধিৰ স্মৃতিচাৰণ সভা প্ৰতিবছৰে গুৱাহাটী প্ৰেছ ক্লাবত অনুষ্ঠিত কৰি সমাজৰ বিভিন্ন ক্ষেত্ৰলৈ অৰিহণা যোগোৱা ৰাজ্যৰ কে'বাগৰাকীও বিশিষ্ট ব্যক্তিক বঁটা প্ৰদান কৰি আহিছে। এই অনুষ্ঠানটোৰ জৰিয়তে 'বাসনা' নামে এখন বিনোদনধৰ্মী আলোচনীও প্ৰকাশ কৰি আহিছে। সাহিত্য-সংস্কৃতিমূলক অনুষ্ঠান বাসনা সাহিত্য গোষ্ঠীয়ে সমাজখনত কৰি অহা সৃষ্টিমূলক কামসমূহে সমাজখনত এক নতুন দিগন্তৰ সূচনা কৰিব বুলি সকলোৱে আশা প্ৰকাশ কৰিছে। বাসনা সাহিত্য গোষ্ঠীয়ে ইতিমধ্যে বৌদ্ধিকমহলত সমাদ্ৰিত হৈছে।

# অস্তাচলৰ বেলিটো বুকুত সাৰটি

কিশোৰ কুমাৰ কলিতা

ফাগুন মানেই সৰাপাত
তথাপিও লঠঙা বিৰিখত সেউজীয়াৰ অন্বেষণ।
নহাৰ কথা জানিও অহাৰ বাটত
ৰৈ থকাৰ হেপাঁহ যেন পুৰাতন বাসনা!

ধূলিয়ৰী আকাশত ৰঙা-নীলাৰ আবিৰ
সদায়ে থাকে যৌৱন প্ৰাপ্তিৰ নৈপৰীয়া উন্মাদনা
দুখে দুখে মিলাই সুখী হোৱাৰ বাসনা।

কেতেকী হোৱাৰ হেপাহ কাহানিও নাছিল
তথাপিও বুকুলৈ বাৰে বাৰে বসন্ত আহে।
অথচ যি অহাৰ বাবে বাট চাই থাকে
তেওঁহে কাহানিও নাহে...!

জোনটো বুকুত সাৰটি দুপৰ নিশা
ঘৰলৈ উভতি অহাৰ পৰতো আয়ে ৰৈ থাকে!
(তেওঁ নকলেও জানে নৈপৰীয়া কবিৰ দুখ।)

কোনোবাখিনিত ৰৈ থাকে অপেক্ষাৰ অজুহাত
অস্তাচলৰ বেলিটো বুকুত সাৰটি
নাৱৰীয়া ককায়ো দেখে নতুনৰ সপোন।
অথচ সুখবোৰ ভগাই ল'ব নোৱাৰাৰো থাকে দুখ
ঠিক ক'ব নোৱাৰা কথাবোৰৰ দৰেই...!



# আন্ধাৰ ৰাতিৰ শেষত

ৰঞ্জিতা শৰ্মা

চৌপাশে অমানিশাৰ কালছায়া
ঘন কুঁৰলীৰ আচ্ছাদন
ৰৈ আছোঁ
খিৰিকী মুখত
ধুমুহাত ছিন্ন-ভিন্ন
দুঃখাৰ্ত হৃদয়ৰে,
চাও মাথোঁ অসীমলৈ
হেৰোৱা সপোনৰ
উহ্ বিচাৰি
ক্ৰমশঃ শীতাৰ্ত
আন্ধাৰ ৰাতিৰ
ডাতঠ চাদৰে
মেৰিয়াই ধৰে,
সাহৰ স'তে
সন্ধি পাতিবলৈ
বুকুয়ে
অহৰহ যুঁজে
আন্ধাৰ উপেক্ষিত হৈ ৰয়
জীপাল হৈ পৰে
কলিজাৰ সাহ
দুখৰ বুকুৰ
চলচলীয়া দুনয়ন
প্ৰভাতি কিৰণেৰে জলমলাই উঠে...।



# স্নেহৰ স্পৰ্শত

অনন্ত কুমাৰ ভূঞা

স্নেহ
যাৰ স্পৰ্শত
হৃদয় গ'লে
অনুভূতি জাগে মনত।

দুখ লাগিলে
চকুপানী নিগৰে
হাঁহি বিৰিঙে সুখত
মৰম নাপালে
ঠেহ পেঁচ ধৰে।

অভিমানী মনত
সঘনাই আৱেগ জাগে
সেয়াই অনুভৱ।

মৰম
অহা-যোৱা কৰিলে
প্ৰণয় জাগে
গোপনে আমনি কৰে।

ভাল পোৱানো কি
মন আৰু হৃদয়ৰ মিলন
প্ৰেমনো কি
ৰিক্ত সিক্ত যৌৱনৰ
সঁজাল ধৰা ক্ষণ।

অনুভৱ জীয়াই থাকে
প্ৰেৰণাই বাট দেখুৱাই
সঁচা কথাৰ উজান উঠে।

গভীৰ প্ৰশান্তি
এয়াই প্ৰেম ভালপোৱাৰ মৰম
ভিন্ন হৃদয়ৰ
অভিন্ন আৱেগ।

# সময়

সংগীতা ডেকা

প্ৰতিটো কেঁকুৰিয়ে প্ৰতিটো উজুটিত

শিকাই যায় গভীৰভাৱে,

যে শুভ্ৰ ছবিবোৰৰ আঁৰতো

ৰাতি বৰণীয়া তুলিকাবোৰ

সংগোপনে লুকাই থাকে...

যাক সময়ৰ পটভূমিত

স্বয়ং সময়েই আহি, এদিন নহয় এদিন

এপদ এপদকৈ ওৰণিবোৰ গুচাই যায়...

যিয়ে সহায় কৰে,

আলফুলীয়া চকুহাল মেল খাবলৈ!





বিভা বিন্দু কোঁৱৰ

# মিচিং জনগোষ্ঠীৰ পৰম্পৰাগত কৃষিভিত্তিক উৎসৱ আলি-আয়ে-লৃগাং

মিচিংসকলৰ পৰম্পৰাগত কৃষিভিত্তিক উৎসৱ হৈছে আলি-আয়ে-লৃগাং। ফাগুন মাহৰ প্ৰথম বুধবাৰটোত মিচিংসকলে আলি-আয়ে-লিগাং উৎসৱ পালন কৰে। এই উৎসৱ মিচিংসকলৰ বৰ হেঁপাহৰ। প্ৰথম অৱস্থাত আলি-আয়ে-লৃগাং ফাগুন, চ'ত বা



ব'হাগ মাহৰ যিকোনো এটা দিনতে পালন কৰা হৈছিল। কিন্তু ১৯৫৫ চনৰ পৰা এই উৎসৱ ফাগুন মাহৰ প্ৰথম বুধবাৰে পালন কৰাৰ আৰম্ভণি হয়। মিচিংসকল মূলতঃ কৃষিজীৱী, সেয়ে তেওঁলোকৰ উৎসৱ-পাৰ্বণসমূহো বিশেষকৈ কৃষিৰ লগত জড়িত। আলি-আয়ে-লৃগাং তেওঁলোকৰ জাতীয় উৎসৱ। মিচিংসকলে এই উৎসৱ খুব ধুমধামেৰে পালন কৰা দেখা যায়। মিচিং ভাষাত আলি মানে শস্যৰ বীজ বা কঠীয়া, আই মানে ফল আৰু লৃগাং মানে হৈছে আৰম্ভণি। অৰ্থাৎ এই উৎসৱ হৈছে শস্য ৰোপণৰ আৰম্ভণি উৎসৱ। কাৰণ কৃষিয়ে হৈছে মিচিংসকলৰ জীৱন যাপনৰ মূল কেন্দ্ৰবিন্দু। এই উৎসৱৰ প্ৰথম দিনা ঘৰৰ মুৰব্বীজনে বাৰীৰ এড়োখৰ ঠাইত কণী ভাঙি ধান, আদা আদি ৰোপণ কৰে আৰু ভগৱানক আপং দি পূজা কৰে। এই উৎসৱত এই বচন ফাকি গায়— 'হে সৃষ্টিকৰ্তা, হে বসুমতী আই, হে লখিমী আই, হে সূৰ্য-চন্দ্ৰ ধুমুহা-গাজনি, বৰষুণ পোক-পৰুৱা আদিক সাক্ষী কৰি আজিৰ পৰা পথাৰত শস্যৰ বীজ ৰোপণ কৰিবলৈ লৈছো তোমালোকে মংগল কৰিবা। শস্য অনিষ্টকাৰী পোক-পৰুৱাৰ পৰা ৰক্ষা কৰিবা। দুখীয়াৰ বাবেও এভাগ ৰাখিবা। যোৱা বছৰতকৈ এই বছৰ বেছি পাবলৈ দিবাহক।' এই উৎসৱত ল'ৰা-ছোৱালী, ডেকা- বুঢ়া সকলোৱে মিলিজুলি আনন্দ-ফূৰ্তি কৰে। আলি-আয়ে-লৃগাং মিচিংসকলৰ মাথোঁ উৎসৱেই নহয় তেওঁলোকৰ হৃদস্পন্দন বুলি গণ্য কৰা হয়। এই উৎসৱত গাঁৱৰ জীয়ৰী-বোৱাৰীসকলে ছাই মদ আৰু বগা মদ তৈয়াৰ কৰে। তেওঁলোকে ছাই মদক পঃৰ আপং আৰু বগা মদক নগিন আপং বুলি কয়। কেইবাসপ্তাহৰ আগৰ পৰা তেওঁলোকে এইবিলাক বনাবৰ বাবে যো-জা কৰে। তদুপৰি বৰা চাউল তৰাপাতেৰে বান্ধি এবিধ ভাত প্ৰস্তুত কৰে। যাক মিচিং ভাষাত পুৰাং আপিন বুলি কোৱা হয়। এই টোপোলা ভাতৰ লগত শুকান মাছ, মঙহ আৰু আপঙেই এই উৎসৱৰ প্ৰধান খাদ্য।

আলি-আয়ে-লৃগাঙৰ বাবে গাঁৱত বহু দিনৰ আগৰে পৰা তাঁতৰ খিটখিটনি শুনা যায়। গাঁৱৰ জীয়ৰী-বোৱাৰীয়ে প্ৰিয়জনক উপহাৰ দিবলৈ ৰংচঙীয়া মিবু গালুক বই উলিয়াবলৈ চেষ্টা কৰে। আলি-আয়ে-লৃগাঙত নিজে পিন্ধিবলৈও এবে, ৰিঃ বি গাচেং, মচাং আদি প্ৰস্তুত কৰে। এই উৎসৱত তেওঁলোকে সকলোৱে মিলিজুলি ভোজ-ভাত খায় আৰু সন্ধিয়ালৈ তেওঁলোকে জাতীয় সাজ-পোছাক পৰিধান কৰি গুমৰাগ নৃত্য কৰে। সময়ৰ পৰিৱৰ্তনৰ লগে লগে এই উৎসৱৰ পৰিসৰ বৃদ্ধি পাইছে। আজিকালি আলি-আয়ে-লৃগাং বিহুৰ দৰে মঞ্চত ব্যয়বহুল জাকজমকতাৰে পতা হয়।

বিভিন্ন সাংস্কৃতিক অনুষ্ঠান উদ্‌যাপন কৰা হয়। মিচিং জনগোষ্ঠীৰ অতি আদৰৰ উৎসৱ আলি-আয়ে-লৃগাঙৰ মান্যতা প্ৰদান কৰি চৰকাৰেও এই বছৰৰ পৰা সংখ্যাগৰিষ্ঠ মিচিং অধ্যুষিত জিলাকেইখনত চৰকাৰী বন্ধৰ দিন হিচাপে ঘোষণা কৰিছে।



# চৰিত্ৰ

শৈলেন কুমাৰ

মাধৱ আৰু যাদৱ দুই বন্ধুৰ কথোপকথন। মাধৱ আজি কিছুদিনমান আগতে হোৱা পথ দুৰ্ঘটনাত আহত হৈ চিকিৎসালয়ত ভৰ্তি হৈ আছে। দুয়োজন সৰুৰে পৰা নলে-গলে লগা বন্ধু। কিন্তু মাধৱে যাদৱৰ হঠাৎ হোৱা উন্নতিৰ বাবে পেটে পেটে হিংসা আৰু ঈৰ্ষা কৰে কিন্তু সন্মুখত প্ৰকাশ নকৰে। মাধৱে যাদৱক বিভিন্ন সময়ত ক্ষতি কৰিবলৈ উঠিপৰি লাগি থাকে। আৰু বহু ক্ষেত্ৰত মাধৱে যাদৱক শাৰীৰিক আৰু মানসিকভাৱে ক্ষতি কৰিবলৈ সফলো হৈছিল। কিন্তু যাদৱে তাৰ প্ৰত্যুত্তৰ কোনোদিনে দিয়া নাছিল। আজি মাধৱ চিকিৎসালয়ত ভৰ্তি হৈ আছে, তাৰ খবৰ এটা ল'বলৈ কোনো ওচৰত নাই। এবটল তেজৰ বাবে মাধৱে আজি দয়াভিক্ষা বিচাৰিছে। যেতিয়া মাধৱৰ এক্সিডেণ্টৰ খবৰ যাদৱে পালে, তেতিয়া যাদৱে ততাতৈয়াকৈ



চিকিৎসালয়ত গৈ মাধৱক ৰক্তদান কৰি কিছু টকা চিকিৎসাৰ সহায় হওক বুলি মাধৱৰ হাতত তুলি দিলে। যাদৱৰ এনে মহানুভৱতা দেখি মাধৱে হুকহুকাই কান্দিবলৈ ধৰিলে। যাদৱৰ মুখলৈ চাই মাধৱে ক'লে— 'বন্ধু তোমাক মই ইমান যাতনা, দুখ-কষ্ট দিলো। তথাপি তুমি আজি মোৰ এই দুঃসময়ত সহায় কৰিবলৈ আগুৱাই আহিছা, ইমান সহায় কৰাৰ উদ্দেশ্য কি? জানিব পাৰিমনে?' তেতিয়া যাদৱে ক'লে— 'হেৰা বন্ধু সাপক যদি গাখীৰ খুওৱা যায় বা অজগৰক যদি উপকাৰ কৰা যায় তথাপি সিহঁতে দংশন বা গিলিবই কাৰণ সেইটো সিহঁতৰ চৰিত্ৰ কিন্তু প্ৰকৃত মানুহৰ চৰিত্ৰ হ'ল দংশিত হোৱাৰ পাছতো নিজৰ মানৱতা ধৰি ৰখাটো। গতিকে বন্ধু তুমি যিটো মোক কৰিলা সেয়া তোমাৰ চৰিত্ৰ আৰু মই যিটো কৰিছো সেইটো মোৰ চৰিত্ৰ।

# জামুগুৰিহাটত নটসূৰ্যৰ অমৰ সৃষ্টি 'ভোগজৰা'ৰ সফল মঞ্চায়ন

**হিমাংশু ৰঞ্জন ভূএঞা**

অসমৰ নাট্য আন্দোলনৰ ইতিহাসত জামুগুৰিহাটৰ 'বাপুজী ভৱন নাট্য সমাজ'ৰ এক অগ্ৰণী স্থান আছে। সাংস্কৃতিক ঐতিহ্য আৰু নব্য চিন্তা-চেতনাৰে সমৃদ্ধ জামুগুৰীয়া সংস্কৃতিপ্ৰাণ চহা ৰাইজৰ আশাশুধীয়া ত্যাগ আৰু শ্ৰমত গঢ় লৈ উঠা, সোণালী জয়ন্তীৰ আলোকৰে উদ্ভাসিত এই অনুষ্ঠানটোৰ তিনি কুৰি চৈধ্য বছৰীয়া জীৱনকালটোত চকু ফুৰালে অসমৰ নাট্য আন্দোলনৰ উত্তৰণত জামুগুৰিহাটৰ অৱিহণা যে নিচেই কম নহয়, সেইটো স্পষ্ট



হৈ পৰে। দৰাচলতে 'বাপুজী ভৱন নাট্য সমাজ' নাট্যচৰ্চা আৰু প্ৰতিভা বিকাশৰ সমন্বিত কেন্দ্ৰ। এই নাট্য ভৱনৰ মজিয়াতে বহুজন কলা সাধকে নিৰলসভাৱে কলা-সংস্কৃতিৰ সাধনা কৰি অসমৰ সাংস্কৃতিক জগতখন চহকী কৰাত যথেষ্ট অৱিহণা যোগাইছে। এই অনুষ্ঠানৰ ক্ৰমবিকাশৰ পাতে পাতে সিঁচৰতি হৈ আছে জামুগুৰিহাট অঞ্চলৰ সাংস্কৃতিক জীৱনগাথাৰ অনেক কাহিনী। ১৯৪৪ চনত জামুগুৰিহাটত বছা বছা খেলুৱৈ কেইগৰাকীমানেৰে গঠিত হৈছিল 'জামুগুৰি টাউন ক্লাব'। সময়ত দেশত ৰাজনৈতিক পৰিৱৰ্তন ঘটিল। ভাৰতে স্বাধীনতা লাভ কৰিলে। সাংস্কৃতিক গতিধাৰাৰো ৰূপান্তৰ ঘটিল। জামুগুৰি টাউন ক্লাবেও ১৯৪৮ চনত 'জামুগুৰি শিল্পী সমাজ' লৈ পৰিৱৰ্তিত হৈ নাটক কৰাত মনোনিবেশ কৰিলে। যিহেতু সংস্কৃতি বন্ধ পুখুৰীৰ পানী নহয়, ই নদীৰ বোৱঁতী সুঁতিহে, সেয়েহে সময়ৰ আহ্বানত জামুগুৰি শিল্পী সমাজেও 'বাপুজী ভৱন নাট্য সমাজ'লৈ ৰূপান্তৰিত হৈ অবিৰত গতিত শতাধিক নাটক মঞ্চায়ন কৰি বিগত ৭৪ বছৰীয়া ইতিহাসত এক বিৰল অধ্যায়ৰ সূচনা কৰে। জন্মলগ্নৰে পৰা ক্ৰমাগতভাৱে নিয়মিত নাট্যচৰ্চাৰে প্ৰায় প্ৰতি বৰ্ষতে একোখনকৈ নাট মঞ্চস্থ কৰাৰ লগতে কেইবাটিও নাট কৰ্মশালা অনুষ্ঠিত কৰি এই নাট্যানুষ্ঠানটোৰে অসমৰ নাট্য আন্দোলনত এক সবল ভূমিকা আগবঢ়াই আহিছে।

নাট্যযাত্ৰাৰ এই স্বৰ্ণীল গৌৰৱে গৌৰৱান্বিত বাপুজী ভৱন নাট্য সমাজে তেজপুৰৰ 'দিল্লী পাব্লিক স্কুল'ৰ সহযোগত যোৱা ১৮ ফেব্ৰুৱাৰীৰ নিশা অসমৰ দুগৰাকী স্বনামধন্য নাট্যকৰ্মী, স্বনামধন্য নাট্যকাৰ-পৰিচালক ভৱানী ভূএঞা আৰু পংকজজ্যোতি ভূএঞাৰ সুদক্ষ পৰিচালনাৰে দুটিকৈ দৰ্শনীত নিবেদন কৰে নটসূৰ্য ফণী শৰ্মাদেৱৰ কালজয়ী নাট্যসৃষ্টি 'ভোগজৰা'।

আচলতে নটসূৰ্যৰ অমৰ নাট্য সৃষ্টি 'ভোগজৰা' সম্পৰ্কত অসমৰ নাট্যানুৰাগী ৰাইজক নতুনকৈ কোৱাৰ প্ৰয়োজন নাই। প্ৰখ্যাত বুৰঞ্জীবিদ ড° সূৰ্য্য কুমাৰ ভূএঞাৰ 'কোঁৱৰ বিদ্ৰোহ' গ্ৰন্থত বৰ্ণনা কৰা আহোম স্বৰ্গদেৱ চুন্যেওফাৰ ৰাজত্ব কালত হোৱা বিদ্ৰোহৰ আলমত নটসূৰ্য ফণী শৰ্মাই ৰচনা কৰিছিল বুৰঞ্জীমূলক নাটক ভোগজৰা। স্মৰ্তব্য যে ভোগজৰা নাটকত নটসূৰ্যই নিজে 'লক্ষ্মী সিংহ'ৰ চৰিত্ৰত বলিষ্ঠ অভিনয় কৰি কাললৈ কীৰ্তি ৰাখি থৈ গৈছে। তদুপৰি অসমৰ ভ্ৰাম্যমাণ নাট্যমঞ্চতো 'ভোগজৰা' স্বকীয় গৌৰৱেৰে উজলি আছে। ১৯৬৩ চনৰ ২ অক্টোবৰ তাৰিখে পাঠশালা হৰি মন্দিৰ প্ৰাংগণত অসমৰ প্ৰথমটো ভ্ৰাম্যমাণ নাট্যদল অচ্যুত লহকৰদেৱৰ মানস সন্তান 'নটৰাজ থিয়েটাৰে' প্ৰথম নাট মঞ্চস্থ কৰে। হৰি মন্দিৰ প্ৰাংগণৰ অস্থায়ী মঞ্চত নটৰাজ থিয়েটাৰে মঞ্চস্থ কৰা প্ৰথম বৰ্ষৰ প্ৰথম নিশাৰ প্ৰথমখন নাটক আছিল নটসূৰ্য ফণী শৰ্মাৰ 'ভোগজৰা'।

আহোম ৰাজত্বকালৰ এটি কাহিনী ৰূপকাত্মক ৰূপত নাটখনত নাট্যকাৰ ফণী শৰ্মাই ৰসোত্তীৰ্ণ ৰূপত তুলি ধৰিছে। আহোম স্বৰ্গদেউ লক্ষ্মী সিংহৰ ৰাজত্বকালত তেওঁৰেই আপোন ভতিজাক টিপমীয়া কোঁৱৰৰ বিদ্ৰোহ, ৰাজসিংহাসনৰ প্ৰতি টিপমীয়াৰ চূড়ান্ত অভিলাষৰ উপৰি টিপমীয়াৰ চাৰিত্ৰিক স্খলন, ৰাজবিষয়া কলিতা ফুকনৰ ভনীয়েক ৰূপাৰ স'তে কৰা মিছা প্ৰেম, সন্তানসম্ভৱা ৰূপাক কৰা চৰম প্ৰতাৰণা আৰু নদীৰ বুকুত পেলাই হত্যাৰ অপচেষ্টা, ৰূপাৰ মানসিক বিকৃতি ঘটা, ৰূপা পাগলীৰ কৰুণ জীৱন কাহিনী, খুৰাক লক্ষ্মীসিংহৰ সুন্দৰী যুৱতী সৰু পত্নী পৰ্বতীয়া কোঁৱৰীক নিজৰ প্ৰেম আৰু লালসাৰ জালত বন্দী কৰি টিপমীয়াই লক্ষ্মী সিংহক গোপনে হত্যা কৰি নিজে আহোম ৰাজসিংহাসন দখল কৰিবলৈ কৰা ভয়ংকৰ ষড়যন্ত্ৰৰ কথা ভোগজৰা নাটকত অতি সুন্দৰভাৱে অংকন কৰিছে নাট্যকাৰ ফণী শৰ্মাই। স্বৰ্গদেউ লক্ষ্মী সিংহৰ যাতে অপঘাতত মৃত্যু হয় আৰু নিজৰ ৰাজসিংহাসন দখলৰ সপোন পূৰণ হয়, তাৰ বাবে টিপমীয়া কোঁৱৰে ৰাজকাৰেঙৰ লিগিৰী ৰূপহীৰ সহযোগত কাতিৰাম বেজৰ হতুৱাই স্বৰ্গদেউৰ সোণৰ ভোগজৰাত মন্ত্ৰপূত চূণৰ দাগ লগায়। স্বৰ্গদেৱে ভোগজৰাত চূণৰ দাগ দেখি সেই দাগ কোনে লগালে তাৰ উৱাদিহ ল'বলৈ বহু চেষ্টা কৰে যদিও বিফল হয়; কিন্তু স্বৰ্গদেৱৰ সোঁহাতস্বৰূপ কলিতা ফুকনে কৌশলপূৰ্ণভাৱে টিপমীয়াৰ সকলো ষড়যন্ত্ৰ তথা কুকীৰ্তি প্ৰমাণসহকাৰে স্বৰ্গদেউৰ সন্মুখত ফাদিল কৰে। এইদৰে কলিতা ফুকনে নিজ ভগ্নী ৰূপাৰ স'তে টিপমীয়াই কৰা চৰম অন্যায় আৰু প্ৰতাৰণাৰ প্ৰতিশোধ লয়। টিপমীয়াৰ সকলো ষড়যন্ত্ৰৰ কথা গম পোৱাৰ পাছত টিপমীয়াক পোতাশালত বন্দী কৰি শেষত কিদৰে স্বৰ্গদেৱে সৰু কুঁৱৰী অৰ্থাৎ টিপমীয়াৰ প্ৰেয়সী পৰ্বতীয়া কুঁৱৰীৰ হতুৱাই টিপমীয়াৰ চকু কঢ়াৰ নিৰ্দেশ দিয়ালে সেয়াও নাট্যকাৰে সুন্দৰ ৰূপত তুলি ধৰিছে।

নাটখনি সাম্প্ৰতিক পৰিৱেশ-পৰিস্থিতিত সফলভাৱে মঞ্চায়ন কৰিবলৈ মূল কাহিনীৰ অলপো হেৰফেৰ নকৰি কিছু পৰিমাণে



পৰিচালকদ্বয়ে সম্পাদনা কৰি নিটোল ৰূপত উপস্থাপন কৰাত সফল হৈছে বুলি একেষাৰে ক'ব পাৰি। এক কথাত অঞ্চলটোৰ এচাম নবীন-প্ৰবীণ নাট্যশিল্পীৰ অপূৰ্ব অভিনয় তথা পোহৰ, আবহ সংগীত, ৰূপসজ্জা আৰু দৃশ্যসজ্জাৰ সুন্দৰ ব্যৱহাৰেৰে পৰিচালকদ্বয় ভৱানী ভূএঞা আৰু পংকজজ্যোতি ভূএঞাই জামুগুৰিহাটবাসী নাট্যানুৰাগী সুধী সমাজক উপহাৰ দিলে এখন সৰ্বাংগসুন্দৰ সফল নাটক। উল্লেখ্য যে 'ভোগজৰা' নাটখনত চতিয়া সমষ্টিৰ জনপ্ৰিয়, দক্ষ বিধায়ক তথা এগৰাকী বলিষ্ঠ অভিনেতা 'ভৰলীকোঁৱৰ', 'চতিয়াৰত্ন', 'কৰ্মৰথী' পদ্ম হাজৰিকাই নাটকখনৰ মূল চৰিত্ৰ 'লক্ষ্মী সিংহ'ৰ চৰিত্ৰ ৰূপায়ণ কৰে। এসময়ত বহুসংখ্যক নাটকত সুদক্ষ অভিনয়েৰে নিজৰ অভিনয় প্ৰতিভাৰ স্বাক্ষৰ ৰাখি থৈ যোৱা পদ্ম হাজৰিকাই ৰাজনৈতিক ব্যস্ততাপূৰ্ণ জীৱন আৰু শাৰীৰিক কিছু অসুস্থতাকো নেওচি 'লক্ষ্মী সিংহ'ৰ দৰে জটিল চৰিত্ৰ এটিতো সাৱলীল তথা বলিষ্ঠ অভিনয়েৰে দুয়োটি দৰ্শনীতে উপস্থিত দৰ্শকক মন্ত্ৰমুগ্ধ কৰি ৰাখে। আনহাতে, টিপমীয়াৰ চৰিত্ৰত নৱাগত যুৱ অভিনেতা প্ৰিয়ংকু বৰুৱাই যথেষ্ট সাৱলীল আৰু বলিষ্ঠ অভিনয় কৰিছে বুলি ক'ব পাৰি। নাটখনৰ অন্যতম মুখ্য চৰিত্ৰ কলিতা ফুকনৰ চৰিত্ৰত প্ৰবীণ অভিনেতা প্ৰদ্যুম্ন হাজৰিকা একপ্ৰকাৰ সফল হৈছে যদিও কিছু কিছু সংলাপ আৰু উচ্চস্বৰৰ হোৱাৰ প্ৰয়োজন আছিল। কাতিৰাম বেজৰ চৰিত্ৰত বলিষ্ঠ অভিনেতা শৈলেন বৰকটকীয়ে সাৱলীল অভিনয় কৰিছে। বিশেষকৈ জৰা-ফুঁকাৰ সময়ত তেখেতৰ হাতত বিহলঙনী আৰু ঢেঁকীয়াৰ প্ৰয়োগ আৰু মন্ত্ৰ প্ৰয়োগৰ উপস্থাপন শৈলীয়ে দৃশ্যটো অধিক মনোগ্ৰাহী কৰি তুলিছে। মন কৰিবলগীয়া যে নাটকখনৰ আন এটি চৰিত্ৰ পুৰোহিতৰ চৰিত্ৰত জামুগুৰিহাটৰ জ্যেষ্ঠ নাট পৰিচালক, অভিনেতা জনাৰ্দন ভূএঞাই কম সময়ৰ বাবে হ'লেও সুদক্ষ অভিনয় কৰি দৰ্শকক আপ্লুত কৰি তোলে। বেতবৰীয়াৰ চৰিত্ৰত নৱাগত মৃণালকৃষ্ণ হাজৰিকা, বুঢ়ুৰ চৰিত্ৰত নিৰঞ্জন দাস, চাউদাং বৰুৱাৰ চৰিত্ৰত বিকিৰাজ বাৰুতী আৰু তামুলীৰ চৰিত্ৰত নৱদ্বীপ ভূএঞা সফল হৈছে বুলিব পাৰি। একেদৰে কাম বৰুৱাৰ চৰিত্ৰত নব বৰা আৰু চিনাতলীয়াৰ চৰিত্ৰত সত্যৰঞ্জন বৰাই পৰিপক্ক অভিনয় কৰিছে। নাটখনৰ মুখ্য নাৰী চৰিত্ৰৰ সংখ্যা পাঁচটা। নাৰী চৰিত্ৰৰ ভিতৰত প্ৰথমেই নাম ল'ব লাগিব ৰূপা পাগলীৰ চৰিত্ৰটো। ক'ব পাৰি, এই চৰিত্ৰটো অসমীয়া নাটকৰ নাৰী চৰিত্ৰসমূহৰ ভিতৰতে এটি অত্যন্ত জটিল আৰু প্ৰত্যাহ্বানপূৰ্ণ চৰিত্ৰ। নাটখনত ৰূপা পাগলীৰ চৰিত্ৰত অভিনয় কৰা

১২ পৃষ্ঠাত



# আন্তৰ্জাতিক মাতৃভাষা দিৱস ঃ এটি অৱলোকন

নাছিৰ আহমেদ

১৯৪৭ চনৰ ১৪ আগষ্টত দ্বিজাতি তত্ত্বৰ ভিত্তিত ভাৰতৰ পৰা দ্বিখণ্ডিত হৈ পাকিস্তান ৰাষ্ট্ৰৰ জন্ম হৈছিল। এক দীৰ্ঘতম ভৌগোলিক ব্যৱধান আৰু ভাষাগতভাৱে পাৰ্থক্য থকা সত্ত্বেও একেবাৰে পূব খণ্ডত অৱস্থিত পূৰ্ববংগ পৰৱৰ্তী পূব পাকিস্তান নাম লৈ একেবাৰে পশ্চিম প্ৰান্তত অৱস্থিত পশ্চিম পাকিস্তানৰ লগত যুক্ত হৈ পাকিস্তান নামেৰে এটি ইছলামিক ৰাষ্ট্ৰ গঠন হৈছিল। পশ্চিম পাকিস্তানৰ ইছলাম ধৰ্মীয় জনসাধাৰণৰ মাতৃভাষা আছিল উৰ্দু আৰু পূব পাকিস্তানৰ মাতৃভাষা আছিল বাংলা। ধৰ্মীয় উন্মাদনাৰ দ্বাৰা প্ৰভাৱান্বিত হৈ পূব পাকিস্তানৰ বাংলাভাষী মুছলমানসকলে নিজৰ মাতৃভাষাৰ কথা পাহৰি উৰ্দু ভাষাক পাকিস্তানৰ ৰাষ্ট্ৰভাষা হিচাপে গ্ৰহণ কৰিছিল বা পশ্চিম পাকিস্তানৰ শক্তিশালী প্ৰশাসনৰ হাতত ধৰাশায়ী হৈ উৰ্দুক মাতৃভাষা হিচাপে গ্ৰহণ কৰিবলৈ বাধ্য হৈছিল। কিন্তু অতিশীঘ্ৰে তেওঁলোকৰ মোহভংগ ঘটিছিল।




নিজৰ মাতৃভাষাৰ মৰ্যাদা হেৰুৱাই পূব পাকিস্তানৰ বাংলাভাষী মুছলমান আৰু হিন্দুসকলৰ বুকুত বিদ্ৰোহৰ জুই দপদপকৈ জ্বলি উঠিল। তাৰ বহিঃপ্ৰকাশ ঘটিল ১৯৫২ চনৰ ২১ ফেব্ৰুৱাৰীত। পূব পাকিস্তানৰ লাখ লাখ জনতাই বাংলা ভাষাক পূব পাকিস্তানৰ মাতৃভাষা প্ৰদান কৰাৰ দাবীত পিকেটিং, হৰতাল, গণ সমাবেশেৰে গোটেই পূব পাকিস্তান উত্তাল কৰি তুলিছিল। তেতিয়া পাকিস্তানৰ জংগী মিলিটাৰী প্ৰশাসনে আন্দোলনকাৰীসকলৰ ওপৰত জঁপিয়াই পৰি নিৰ্বিচাৰে গুলিওৱাৰ ফলত অসংখ্য প্ৰতিবাদকাৰী আহত আৰু নিহত হয়। ১৯৫২ চনৰ ২১ ফেব্ৰুৱাৰীত পূব পাকিস্তানৰ পৰৱৰ্তী বাংলাদেশৰ আন্দোলনকাৰী বিশেষকৈ বাঙালী ছাত্ৰসকলে মাতৃভাষা বাংলাক পুনৰুদ্ধাৰৰ বাবে ছহিদ হোৱা বীৰসকলৰ স্মৃতিক সজীৱ কৰি ৰাখিবলৈ লগতে মাতৃভাষাক মৰ্যাদা দান কৰিবলৈ ১৯৯৯ চনৰ ২১ ফেব্ৰুৱাৰীত ৰাষ্ট্ৰসংঘৰ ইউনেস্ক'ৰে (United Nations Educational, scientific and Cultural Organisation) প্ৰতি বছৰে ২১ ফেব্ৰুৱাৰীক আন্তৰ্জাতিক মাতৃভাষা দিৱস হিচাপে উদ্‌যাপন কৰিবলৈ সিদ্ধান্ত লয়। ২০২০ চনৰ ২১ ফেব্ৰুৱাৰীৰ পৰা এই দিৱসটি পৃথিৱীৰ প্ৰায় সকলো দেশতে আড়ম্বৰপূৰ্ণভাৱে পালন কৰা হৈ আছে।

২০২৪ চনৰ ২১ ফেব্ৰুৱাৰীৰ আন্তৰ্জাতিক মাতৃভাষা দিৱসৰ মূল প্ৰতিপাদ্য বিষয় হ'ল— 'Multilingual education ----a pillar of learning and inter generational learning.' অৰ্থাৎ মাতৃভাষাৰ মাধ্যমত শিক্ষাদান আৰু জনগোষ্ঠীয় ভাষাসমূহকো গুৰুত্ব আৰোপ কৰাই হ'ব এই বছৰৰ আন্তৰ্জাতিক মাতৃভাষা দিৱসৰ মূল প্ৰতিপাদ্য। এতিয়া আমি যদি অসম বুৰঞ্জী ফঁহিয়াই চাওঁ দেখিম যে ১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিৰ ফলত ব্ৰিটিছ শাসকে অসমত আধিপত্য বিস্তাৰ কৰি ৰাজ্যৰ প্ৰশাসন সুস্থভাৱে আৰু দক্ষতাৰে পৰিচালনা কৰিবলৈ বংগদেশৰ পৰা বাঙালী কেৰাণী, মহৰী লৈ আহিছিল। এই বাঙালী কেৰাণী-মহৰীৰ ফুচলনিত বা ব্ৰিটিছ শাসকে ডিভাইড এণ্ড ৰুল পলিচীক সাৰোগত কৰি ১৮৩৬ চনৰ পৰা ১৮৭৩ চনলৈকে অসমৰ শিক্ষানুষ্ঠান আৰু আদালত-কাছাৰীত অসমীয়া ভাষাৰ পৰিৱৰ্তে বাংলা ভাষা প্ৰৱৰ্তন কৰিছিল; যাৰ বাবে প্ৰাচীনতম ভাষা হিচাপে অসমীয়া ভাষা ভাৰতৰ অন্য ৰাজ্যসমূহৰ তুলনাত উন্নত আৰু সমৃদ্ধিশালী ভাষা হোৱা সত্ত্বেও পঞ্চাশ বছৰ ধৰি অসমীয়া ভাষা নিজৰ ৰাজ্যতেই এলাগী হৈ পৰাৰ ফলত আধুনিক অসমীয়া ভাষা, সাহিত্য প্ৰতিবেশী ৰাজ্যসমূহৰ বিশেষকৈ আধুনিক বাংলা ভাষা, সাহিত্যৰ তুলনাত বহুত পিছ হুঁহকি গ'ল।

তদুপৰি স্বৰাজোত্তৰ ভাৰততো অসমীয়া ভাষা অসমৰ ৰাজ্যিক ভাষা হিচাপে এতিয়াও সম্পূৰ্ণ মৰ্যাদা লাভ কৰিবলৈ সক্ষম হোৱা নাই। বৰাক উপত্যকাত বাংলা ভাষাক মাতৃভাষা হিচাপে গ্ৰহণ কৰাৰ উপৰি ব্ৰহ্মপুত্ৰ উপত্যকাৰ বহুত শিক্ষানুষ্ঠানতো বাঙালী বুদ্ধিজীৱীৰ প্ৰচেষ্টাত বাংলা ভাষাক শিক্ষাৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰা হৈ আছে। মাজে মাজে এই বিষয়টো লৈ অসমীয়া আৰু বাঙালীৰ মাজত সংঘাত তীব্ৰ ৰূপ ধাৰণ কৰা পৰিলক্ষিত হৈছে। অসমত অসমীয়া ভাষাক মাতৃভাষা হিচাপে সাব্যস্ত কৰিবলৈ গৈ ১৯৬০ চনত মাতৃভাষা আন্দোলনত ৰঞ্জিত বৰপূজাৰীয়ে আৰু ১৯৭২ চনত মাধ্যম আন্দোলনত জঁপিয়াই পৰি মোজাম্মেল হকে প্ৰাণ আহুতি দি ছহিদ হৈছিল। ভাৰতবৰ্ষৰ আইন ৰাজ্যত এই উদাহৰণ বিৰল।

তাৰ উপৰি ভূতৰ ওপৰত দানহ পৰাদি অসমৰ প্ৰায় সকলো প্ৰান্ততে বেংছতাৰ দৰে ইংৰাজী মাধ্যমৰ বেচৰকাৰী শিক্ষানুষ্ঠান গঢ়ি উঠিছে। চৰকাৰী শিক্ষানুষ্ঠানসমূহ তুলনামূলকভাৱে নিম্নমানৰ হোৱাৰ বাবেই ইংৰাজী মাধ্যমৰ শিক্ষানুষ্ঠানত অভিভাৱক বা অভিভাৱিকাসকলেও নিজৰ ল'ৰা-ছোৱালীক নামভৰ্তি কৰাই গৌৰৱ অনুভৱ কৰে, ল'ৰা-ছোৱালীবোৰেও ইংৰাজী মিশ্ৰিত অসমীয়া ভাষা ইংৰাজী ষ্টাইলত কথোপকথন কৰি অসমীয়া ভাষাক সমাধিস্থ দি আছে। অৱশ্যে অসমীয়া মাধ্যমৰ জাতীয় বিদ্যালয়সমূহে এইক্ষেত্ৰত অসমীয়া ভাষা উন্নয়নৰ গতি কিছু পৰিমাণে হ'লেও ত্বৰান্বিত কৰি আছে।

আন্তৰ্জাতিক মাতৃভাষা দিৱসৰ দিনাই অসমবাসীয়ে অসম ৰাজ্যত




ৰুবি বুঢ়াগোহাঁই

# মনৰ কাৰেংঘৰ

দাম্পত্য জীৱন আৰম্ভ হোৱাৰে পৰা ৰাখীৰ জীৱনত যেন অকল দুখ আৰু দুখ। মানসিক যন্ত্ৰণাৰে আৰম্ভ তাইৰ সেই বহুমূলীয়া জীৱনটো। মনত এটি আশা লৈ সদায় আগুৱাই গৈছিল সাংসাৰিক যাত্ৰাত। কিন্তু সদায়েই অসফল হৈছিল আন্তৰিকতাবিহীন সম্পৰ্ক এটা সুন্দৰ কৰি ৰাখিবলৈ। স্বামী থাকে দূৰণিত চাকৰি সূত্ৰে আৰু তাই থাকে ভাড়াঘৰত ল'ৰা-ছোৱালীকেইটাৰ লগত কাৰণ সিহঁতৰ পঢ়া-শুনাৰ কথা আছে সেইবাবে তাইৰ দায়িত্ব আৰু চিন্তা হ'ল সিহঁতক মানুহ কৰাৰ। সেইবাবে এঠাইত থাকি সিহঁতক পঢ়া-শুনা কৰালে। সকলো নাৰীয়ে বিচাৰে স্বামীজনে মৰম, আদৰ কৰাটো, কিন্তু বিধাতাই কাৰ কপালত কি লিখে কোনেও নাজানে। স্বামী বাহিৰত এজন সন্মানীয় ব্যক্তি, সংসাৰখনত কিন্তু অজীৰ্ণপাতকী। এনে জটিল সম্পৰ্ক কেতিয়াও সুখৰ নহয় কাৰণ একপক্ষীয় সম্পৰ্ক এটা থকা আৰু নথকাৰ মাজত একো পাৰ্থক্য নাই। তথাপি তাই আছে সন্মান হানি হোৱাৰ ভয়ত, মাক-দেউতাকে দুখ পোৱাৰ ভয়ত।

এনেদৰেই পাৰ কৰিলে বহু বছৰ, সেয়েহে আজিকালি তাই উদাস মন এটা লৈ অলপ অসুখীয়া হৈ গৈছে। চাওঁতে চাওঁতে ল'ৰা- ছোৱালীকেইটা ডাঙৰেই হ'ল, কেতিয়ানো ডাঙৰ হ'ল গমকে নাপালে। সেন্দূৰৰ গুৰুত্ব কিমান এগৰাকী ভুক্তভোগী নাৰীয়েহে গম পায়। আজি ৰাখীও তাৰ ব্যতিক্ৰম নহয়। লাহে লাহে তাইৰ মনটো যেন বিদ্ৰোহী হ'ব ধৰিলে আৰু অলপ সামাজিক দিশত ওলাই নিজকে ব্ৰতী ৰখাৰ প্ৰয়াস কৰিলে। যিহেতু বিবাহ বিচ্ছেদ স্বামীয়ে মানি নলয় গতিকে এনেদৰেই জীৱন নিৰ্বাহ কৰিব লাগিব। নোৱাৰিলে অন্যায়ৰ বিৰুদ্ধে যুঁজিব, নোৱাৰিলে ৰাজপ্ৰাসাদ, অট্টালিকাত থাকিও শান্তি লভিব। মাথোঁ মনৰ ভঁৰাল উদং, টকা- পইচাৰে সঁচা মৰম, ভালপোৱা, বিশ্বাস কিনিব নোৱাৰি যদি মন হয় অহংকাৰী, কৃত্ৰিমতাৰে ভৰা। এনেকুৱা হাজাৰজনী নাৰী আছে অৱহেলিত, প্ৰতাৰিত। নিমাত হৈ সহি থাকে। ভয় আৰু সংকোচে আৱৰি ৰাখে প্ৰতিবাদী মনটোও।

আজিকালি তাই নিজৰ ভাল লগামতে কৰি যায়। গান শুনে, কিতাপ পঢ়ে, ভাল লগা মানুহৰ লগত এযাৰ কথা পাতে আৰু সময় পালে ওলাই যায়। মনতে দৃঢ় প্ৰতিজ্ঞ হৈছে যে এইবোৰ আৰু তাই গুৰুত্ব নিদিয়ে, তাই এতিয়া সামাজিক কামত জড়িত হৈ পৰিছে। সময়বোৰ ভাল লগা হৈ পৰিছে কেনেকৈ সময় গৈছে গমেই পোৱা নাই। সংগীতবিহীন জীৱনৰ আঁত বিচাৰি তাই সুখ আৰু আনন্দত অকণমান হাঁহিছে। মনটোক মুকলি কৰিবলৈ ফৰকাল আকাশৰ তলতে যেন সাজিব তাইৰ মনৰ কাৰেংঘৰটো, হেঁপাহবোৰ যেন তাতেই পূৰ কৰিব।



**ধাৰাবাহিক উপন্যাস**

# চৰিত্ৰৰ মাজত চৰিত্ৰ

অলকানন্দা দত্ত



ঠিক সেই সময়তে তাই ধুমুহাৰ মাজত বটগছৰ দৰে থিয় হৈ থাকি মাধুৰিমাক মানসিকভাৱে সাহস জোগাই কৈ উঠিছিল— 'কিয় পৰীক্ষাটো আগত থাকোঁতেও ইমান সোনকালে যাবলৈ ওলাইছা? শীঘ্ৰেই যদিহে কামত গৈ যোগদান কৰিবলৈ লাগে তেখেতেই যাওঁক, তুমি পৰীক্ষাটো দি যোৱা। নতুনকৈ অহা অফিচাৰজনে সেইকণ সহায় নকৰিবনে? জীৱনত সুযোগবোৰ সদায় একেদৰে নাহে নহয়। মই কৈছোঁ তুমি ল'ৰা-ছোৱালী দুটা লৈ অন্ততঃ পৰীক্ষা শেষ হোৱালৈ আৰু ডেৰ মাহ থাকি যোৱা। ইমানখিনি সময়ৰ কাৰণে নতুনজনে ক'ৰবাত ঘৰ এটা যোগাৰ কৰি ল'ব নোৱাৰিবনে। সেইখিনি সহানুভূতিৰ অভাৱ হ'লে কেনেকৈ হ'ব?

মাধুৰিমাইনো কেনেকৈ বুজাই কয় যে সাধাৰণতে চাৰ্জ দি দিয়াৰ পিছত আগৰজন অফিচাৰ কোৱাৰ্টাৰটোত থকাৰ অধিকাৰ নাথাকে। কিন্তু সৰহভাগ অফিচাৰেই সমিলমিল প্ৰচেষ্টাৰে ইজনে সিজনৰ কাৰণে চিন্তা কৰি কিছু এৰা-ধৰাৰ মাজেৰে কামবোৰ সমাপন কৰে, কিন্তু দুই-এজন ইমানেই অসহনশীল অফিচাৰ থাকে যে আনৰ বিপদ-আপদ-দুখ-সুখৰ প্ৰতি সমূলি কাণসাৰ নিদিয়ে। কোৱাৰ্টাৰটোত আগৰ পৰিয়ালটো কিছুদিন থকা যেন দেখিলে খালী কৰি দিয়াবলৈ উঠি-পৰি লাগি থাকে। তাৰ বাবে অসৎ উপয়ো অৱলম্বন কৰে। আগৰ পৰা কাম কৰি থকা চকীদাৰ, মাষ্টাৰৰোলৰ লেবাৰক আঁতৰাই নিয়ে। মুঠতে চাৰিওফালৰ পৰা অশান্তিকৰ পৰিবেশত সৃষ্টি কৰি দিয়ে। সেয়েহে নতুনজনৰ পৰা যাতে অপমানিত হ'বলগীয়া নহয়, তাৰ বাবেই দেৱজিৎ হাজৰিকা আৰু মাধুৰিমাই মানে-সন্মানে ওলাই যোৱাৰ চিন্তা কৰিবলৈ বাধ্য হৈছিল। কাৰণ নতুনকৈ অহা অফিচাৰজনৰ বহু নিৰ্লজ্জ কাহিনী ইতিমধ্যে তেওঁলোকে শুনিবলৈ পাইছিল। প্ৰত্যেকজন মানুহেই নিজৰ চৰিত্ৰৰ দোষখিনি লুকুৱাবলৈ চেষ্টা কৰিলেও সময় বিশেষে খুব প্ৰকট হৈ ওলাই পৰে, যেতিয়া অসহিষ্ণু মনোভাব গ্ৰহণ কৰে। মাধুৰিমাই বি এ পৰীক্ষাটো দিব বুলি গম পায়েই নতুনজনে টেলিফোনযোগে চাৰ্জ লোৱাৰ আগতেই জনাই দিছিল যে অতি সোনকালে ঘৰটো খালী কৰি দিব লাগিব। কাৰণ তেওঁৰ পৰিবাৰ অসুখীয়া, যোৰহাটৰ কোৱাৰ্টাৰত অকলে থৈ অহাত অসুবিধা আছে। লোকৰ প্ৰতি যৎসামান্য সহানুভূতি নথকা মানুহজনৰ ঘৈণীয়েকৰ প্ৰতি ইমানটো টান থকাটোও সম্ভৱ নহয়। আচলতে ক্ষমতাৰ যোগেদি প্ৰাপ্তি আদায় কৰাৰ এটা কৌশল মাত্ৰ। ক্ষমতাই যে মানুহৰ চৰিত্ৰ কেনেকৈ উদঙাই দেখুৱাই দিব পাৰে, তেতিয়া নিৰ্লজ্জতা প্ৰদৰ্শন কৰিবলৈও মানুহে কুণ্ঠাবোধ কৰিব নজনা হৈ পৰে। তেওঁলোকে চিনি পায় মাথোঁ— ক্ষমতাৰ অপব্যৱহাৰ কৰি হ'লেও নিজৰ প্ৰতিপত্তি কেনেকৈ দেখুৱাব পাৰি। ক্ষমতা, সহানুভূতি আৰু দূৰদৰ্শিতাৰ অভাৱতে ভাবি চাব নাজানে যে ভৱিষ্যতে তেনে বিপদ তেওঁলৈও আহিব পাৰে। তেতিয়া অনুশোচনা নহ'বনে? নে এই চৰিত্ৰৰ মানুহে কোনোদিনে এই শিক্ষা গ্ৰহণ কৰাৰ কথা ভাবা নাই।

এইবোৰ দেখি-শুনি প্ৰণৱ শেনচোৱাৰ খুব বেয়া লাগিছিল। কিবা প্ৰকাৰে মাধুৰিমাই পৰীক্ষাটো দি যাব পৰা হ'লে দেৱাহুতি আৰু তাৰ ভাল লাগিলহেঁতেন। এই উপকাৰী মানুহহালক সহায় কৰিব পৰা হ'লে তাৰ মনটোৱে অন্ততঃ শান্তি পালেহেঁতেন। প্ৰণৱ গড়কাপ্তানী বিভাগত ঠিকাৰ জৰিয়তে সোমোৱা বৰ বেছি দিন হোৱা নাছিল যদিও ইঞ্জিনিয়াৰৰ কৃপাৰে ধন্য হৈ থকা বাবে অতি সোনকালে তেৱোঁ প্ৰতিপত্তি থকা ঠিকাদাৰবিলাকৰ মাজৰে এজন হৈ পৰিছিল। সেয়েহে এই বিভাগটোৰ তলা-নলা ভালদৰে বুজিব পৰা হৈছিল। তেৱোঁ দেৱজিৎ হাজৰিকাৰ মনত সাহস যোগাবলৈকে কৈছিল— 'ছাৰ আপুনি অন্ততঃ আৰু দুটা দিন চাৰ্জ নিদিয়াকৈ ৰৈ দিয়কচোন, সেই দুটা দিনৰ ভিতৰতে কি কৰিব পাৰোঁ চাওঁ। মই ছাৰ ইতিমধ্যে গুৱাহাটীত আপোনাৰ হৈ মানুহ লগাইছোৱেই।' বিপদ কালত এশাৰী মাততে অমিয়াৰ সন্ধান পোৱা যায়, কাৰ কেনে চৰিত্ৰ— তাৰ বিষয়েও বুজ ল'ব পাৰি। দেৱজিৎ হাজৰিকাই খুব ভালদৰে জানিছিল যে তেওঁক ষ্টে (ৰখাই দিয়াটো) কৰাটো খুব মস্কিলৰ কথা আৰু অসম্ভৱো। তথাপি প্ৰণৱৰ আন্তৰিক প্ৰচেষ্টাৰ কথা শুনিবলৈ পাই তেওঁৰ মনটো ভাল লাগিছিল। কাৰণ ইতিমধ্যে প্ৰায়বিলাক ঠিকাদাৰেই নতুনজনৰ ওচৰলৈ তাঁত-বাতি কৰিবলগীয়া হোৱা বাবে বা দেনা-পাওনাৰ কিবা খতিয়ান তেওঁ লয় বুলি ফৰিং ছিটিকা দিছিল। মানুহৰ এই স্বভাৱ বা চৰিত্ৰবোৰ ট্ৰেন্সফাৰৰ সময়তে ধৰিব পৰা হয়। অৱশ্যে কিছু বছৰ আগলৈকে দেখা-দেখিকৈ নিজৰ স্বৰূপ ধৰা দিয়া নাছিল। ইজনে সিজনৰ প্ৰতি সহানুভূতিশীল আছিল।

প্ৰণৱ শেনচোৱাই গুৱাহাটীত মানুহ-দুনুহ লগাই দেৱজিৎ হাজৰিকাই ৰাখিবলৈ যত্ন কৰিছিল। ইউনিভাৰ্ছিটীত পঢ়োঁতে তেওঁ ছাত্ৰ সংগঠনৰ এজন সক্ৰিয় সদস্য আছিল। সেয়েহে নামী-দামী বহুত ৰাজনীতিবিদৰ লগতো তেওঁৰ ভাল চিনাকী আছিল। অৱশ্যে, এইবাৰ তেওঁ সফল হ'ব পৰা নাছিল যদিও ভৱিষ্যতে যে কিবা কৰিব পাৰিব সেই বিশ্বাস আহি গৈছিল। তথাপি তেওঁ ভগ্ন মনোৰথ লৈ মাধুৰিমাহঁতক ক'বলগীয়া হৈছিল— 'মই এইবাৰ সফল হ'ব নোৱাৰিলো যদিও কথা দিছো, অহা ছমাহৰ ভিতৰতে ছাৰক পুনৰ শিৱসাগৰলৈ নাইবা ডিব্ৰুগড় বা যোৰহাটলৈ ট্ৰেন্সফাৰ কৰি আনিমেই। লগতে মই এটা কথা ভাবিছো, মাধুৰিমাই কষ্ট কৰি হ'লেও পৰীক্ষাটো দি দিয়ক, আমি আজিকালি এটা সুবিধাজনক ভাল ঘৰভাড়া লৈ আছো, পৰীক্ষাটো আমাৰ ঘৰত থাকিয়েই দিব পাৰিব। আমাৰ ঘৰৰ কাষতো আৰু এটা ঘৰ খালী হ'ব। সেইটোৰ মালিকজন মাধুৰিমাৰো ওচৰ সম্বন্ধীয় মোমায়েক বুলি কোৱা শুনিছো। তাতো দুই-চাৰি মাহমান যেনে-তেনে থাকিব পাৰিলে মই ভাবোঁ আপোনাকো মই ভবাৰ দৰে কোনোবা এখন ঠাইলৈকে বদলি কৰাই আনিব পাৰিম। এইটো একেবাৰে খাতাং বুলি ধৰি থওক। এতিয়া মই কোৱা কথাটো আপোনালোক দুয়োৱে গভীৰভাৱে চিন্তা কৰি চাওক।'

দেৱজিৎ হাজৰিকাৰ ট্ৰেন্সফাৰৰ কথা শুনাৰ লগে লগে অতি হিচাপী মানুহ গিৰিধৰ হাজৰিকাই সৰুকণক পুতেকহঁতৰ খবৰ ল'বলৈ পঠিয়াই দিছিল। তেখেতৰো একান্ত ইচ্ছা— পুতেকে কিবাপ্ৰকাৰে পাৰিলে ষ্টে কৰাওক, নহ'লে বেলেগ এখন ঠাইলৈ ট্ৰেন্সফাৰৰ কাৰণে লাগক। ইমান দূৰলৈ বোৱাৰী-নাতিহঁতক পঠিয়াবলৈ একেবাৰে নাৰাজ। মুঠতে শিলচৰলৈ যাব নালাগে। যদিহে নগ'লেও নহয়, পুতেক অকলেই যাওক, চৰকাৰী ঘৰত থাকিয়েই বোৱাৰীয়ে পৰীক্ষাটো দি দিয়ক। যদিহে সেই ঘৰত থাকিবলৈ অসুবিধাৰ সন্মুখীন হ'বলগীয়া হয়, শিৱসাগৰ নগৰৰ ভিতৰতে দুয়োফালৰ কেইবাঘৰো আপোন মানুহ আছে, তেওঁলোকৰ ওচৰতে ঘৰ এটা ভাৰা কৰি থাকক। সৰুকণ আৰু মাজুক সপ্তাহত এবাৰকৈ খা-খবৰ ল'বলৈ পঠিয়াব পাৰিব, বোৱাৰীয়েকে পৰীক্ষাটো দি উঠাৰ পিছত যদিহে বৰ বেছি অসুবিধা পায়, যোৰহাট নগৰতো জীয়েকক থাকিবলৈ দিয়া ঘৰটোও যথেষ্ট ডাঙৰ, তাৰ দুটা কোঠা খালী হৈয়েই আছে। পুতেকে এইফালে এখন সুচল ঠাইলৈ ট্ৰেন্সফাৰ হৈ নহালৈকে তাতেই থাকিব পাৰিব। মাধুৰিমাই শহুৰেকৰ পৰামৰ্শবোৰ সদায় বৰ শ্ৰদ্ধাসহকাৰে মানি আহিছে। দেৱজিৎ হাজৰিকায়ো ভাল ধৰণে বুজি পালে— বোৱাৰীয়েকক দেউতাকহঁতে আঁতৰাই পঠিয়াবলৈ একেবাৰে নাৰাজ। তেওঁৰ মানুহজনীয়ে দেউতাৰ-মাকৰ হৃদয়খন জিনি আছে, এই কথা তেওঁ আকৌ এবাৰ নতুনকৈ উপলব্ধি কৰি প্ৰণৱ শেনচোৱাই দিয়া পৰামৰ্শটোকে সদ্যহতে মানি লোৱাটো ঠিক কৰিলে।

*ক্ৰমশ*

# অসমতে আছে এছিয়াৰ দ্বিতীয় বৃহত্তম বটবৃক্ষজোপা



মুন ৰাজবংশী

আমি সকলোৱে এটা কথা ভালকৈয়ে জানো, আমাৰ অসমৰ মাটি এটুকুৰা দামী হীৰাতকৈও বহুগুণে মূল্যবান। আমাৰ এই অসমৰ মাটিতে গজি উঠা সকলোকে আচৰিত কৰি তোলা তিনিশ বছৰৰ অধিক বয়স হোৱা এজোপা বিশালকায় বটবৃক্ষৰ কথাকেই ক'ব বিচাৰিছো মই আপোনালোকক। আহক এতিয়া আচল কথাটোলৈ আহো...।

মই মাঘৰ ২৫ আৰু ৯ ফেব্ৰুৱাৰী তাৰিখে উপস্থিত হৈছিলো পাঠশালাৰ জ্যোতিনগৰত। জ্যোতিনগৰত মই মোৰ আত্মীয় কামিনী মোহন শৰ্মা ডাঙৰীয়াৰ ঘৰত গৈছিলো এক বিশেষ কামত। নিজৰ জৰুৰী কাম শেষ কৰি গধূলি শৰ্মা ডাঙৰীয়াৰ ঘৰত ড্ৰয়িং ৰুমত বহি তেওঁৰ লগতে তেওঁলোকৰ পৰিয়ালৰ আটাইৰে লগত কথা পাতি থাকোতেই মোহন শৰ্মাই মোৰ ফালে চাই মাত লগালে, হেৰা! তুমি যিহেতু ইয়ালৈ আহিছা কাইলৈও থাকি যোৱা আমাৰ ইয়াত, কাইলৈ তুমি আৰু মই এটা ঐতিহাসিক বস্তু চাবলৈ যাম। ঐতিহাসিক বুলি কোৱাৰ লগে লগে মোৰ চকুহাল ডাঙৰ হৈ উঠিল আৰু মই তেওঁক সুধিলো— 'কি ঐতিহাসিক বস্তু আৰু ক'ত আছে সেইটো...?'

আমাৰ পৰা অলপ দূৰত। মটৰ চাইকেলেৰে গ'লে আধা ঘণ্টামান লাগিব। মই তেওঁৰ কথা শুনি ঠিক আছে বুলি ৰাতি শুই থাকিলো।

এটা সুন্দৰ নিৰ্মল ৰাতিপুৱা। অলপ ঠাণ্ডাৰ প্ৰভাৱ আছে যদিও আকাশ ফাটি ওলাই অহা ৰঙা সুৰুযৰ কিৰণে ঠাণ্ডা বুলি কুঁচিমুচি লেপৰ তলত সোমাই থকা শৰীৰটোক সতেজ কৰি তুলিছিল। ময়ো আগদিনাতকৈ আজি অলপ আগতীয়াকৈ বিছনাৰ পৰা উঠি গা-পা ধুই পুৱাৰ চাহকাপ খাই আমি যাবলৈ ওলালো বিশ্বৰ ঐতিহাসিক এছিয়াৰ দ্বিতীয় বৃহত্তম বটবৃক্ষজোপা চাবলৈ। জ্যোতিনগৰৰ মাজেৰে সৰ্পিল গতিৰ ভাঁজত আগবাঢ়ি যোৱা বাটেৰে আমিও এখন এখনকৈ দুই-তিনিখন গাঁও পাৰ হৈ জালিখাটা গাঁৱত উপস্থিত হ'লো। জালিখাটা গাঁও, এখন বৰ ধুনীয়া আৰু সেউজীয়াৰে ভৰা গাঁও। গাঁওখনত পকী ঘৰৰ লগতে মাজে মাজে দুই-এটা মাটিৰ বেৰৰ ঘৰো দেখা পোৱা গৈছিল। মাটিৰ বেৰৰ যদিও ঘৰবোৰ দেখাত বৰ শুৱনিকৈ সজাই দেখনিয়াৰ কৰি তুলিছিল। ইয়াৰ উপৰি এই জালিখাটা গাঁওখনক পূবফালৰ পৰা অসীমৰ সীমালৈ বৈ যোৱা কালদিয়া নৈখনে অধিক শুৱনি কৰি তুলিছে। নৈখনৰ পাৰতেই আছে ক'লীবুঢ়ী আইৰ থান। ক'লীবুঢ়ী আই আন কোনো নহয়, তেওঁ আছিল জালিখাটা গাঁৱৰ ক'লাবুঢ়া আতাৰ তিনিটা সন্তানৰ মাতৃ সেয়াও তিনিওজনী কন্যা সন্তান, পুত্ৰ সন্তান আশা কৰি তিনিওজনী কন্যা সন্তানকে পালে। ক'লাবুঢ়া আতা আছিল জালিখাটা গাঁৱৰ ডাঙৰ বেপাৰী। তেওঁ বেপাৰ কৰিয়েই তেওঁৰ ছোৱালী তিনিজনীক ডাঙৰ-দীঘল কৰি সুখৰ সংসাৰত বিয়া দি মুক্ত হৈছিল। ছোৱালী তিনিজনীক বিয়া দিয়াৰ পাছত এনেতে এদিন ক'লাবুঢ়া আতাই এটা ৰোগত আক্ৰান্ত হৈ প্ৰায় দুমাহ নৰিয়াত পৰিল। তাৰ পাছত এদিন এই সংসাৰ ত্যাগ কৰি সিপুৰী পালেগৈ। আতাৰ দুখতে ক'লীবুঢ়ী আবুও ইহসংসাৰৰ পৰা বিদায় মাগিলে। ক'লীবুঢ়ী আবুৱে মৃত্যুৰ কিছুদিন আগতে জালিখাটা গাঁৱৰ ৰাইজক মাটি আনি তেওঁলোকে থকা মাটি-বাৰীখিনি থানখনৰ নামতেই দান কৰি থৈ গৈছিল। আজি থানখনৰ তেওঁলোকৰ নামেৰেই নামকৰণ কৰা হৈছে। ক'লীবুঢ়ী থান এটা উল্লেখনীয় নাম। এই যে মই আগতে উল্লেখ কৰিছিলো এছিয়াৰ বৃহত্তম বটবৃক্ষজোপা বুলি। এই বটবৃক্ষজোপা ক'লীবুঢ়ী আবুৰ থানতেই অৱস্থিত। এতিয়া গছজোপাই প্ৰায় পাঁচ বিঘা মাটি আগুৰি আছে। ইয়াৰ ঠাল আৰু শিপাবোৰ ইমান দীঘলীয়া, ইয়াৰ আচল গুৰি কোনটো সহজে ধৰিবই পৰা অসম্ভৱ। ময়ো কেইবাঘণ্টা ধৰি চাই থকাৰ পাছতহে ধৰিব পাৰিছো আচল গুৰি

*১৩ পৃষ্ঠাত*



# আগৰ হাল যি পিনে

সমাজখনত কনিষ্ঠসকলৰ প্ৰতি জ্যেষ্ঠসকলৰ দায়বদ্ধতা কিমান বা জ্যেষ্ঠসকলৰ দায়িত্ব কিমান? এই প্ৰশ্নৰ উত্তৰ থাউকতে কৈ পেলাব নোৱাৰি যদিও এযাৰ কথা নিশ্চিতভাৱে ক'ব পাৰি যে আমাৰ সমাজৰ জ্যেষ্ঠসকলৰ নীতি-আদৰ্শ বা সংস্কাৰৰ ওপৰতেই কনিষ্ঠসকলৰ নীতি-আদৰ্শ বা সংস্কাৰ নিৰ্ভৰশীল। যেনেকৈ আমাৰ ঘৰ এখনত মাক-দেউতাকৰ নীতি-আদৰ্শ বা সংস্কাৰৰ ওপৰত সন্তানসকলৰ নীতি-আদৰ্শ বা সংস্কাৰ নিৰ্ভৰশীল।

আজি আমাৰ সমাজখনত আমি জ্যেষ্ঠসকলে কনিষ্ঠসকলক প্ৰায়েই সমালোচনা কৰো। কনিষ্ঠসকলৰ প্ৰতিটো খোজত দোষৰ উপৰি দোষ আমি দেখিবলৈ পাওঁ। আমি জ্যেষ্ঠসকলৰ দৃষ্টিত আজিৰ কনিষ্ঠসকল যেন তেনেই নীতি-আদৰ্শহীন, সংস্কাৰহীন। আজিৰ কনিষ্ঠসকলে ভাল কথাবোৰ বা ভাল কামবোৰৰ বিষয়ে যেন আজি সম্পূৰ্ণ অজ্ঞ। জ্ঞান শূন্য। ঠিক এনেকুৱা এটা ধাৰণা আজি আমাৰ জ্যেষ্ঠসকলৰ মনত। কিন্তু এই বিষয়ত যদিহে আমি স্পষ্টভাৱে এযাৰ কথা ক'বলগীয়া হয় তেতিয়া হ'লে কম যে জ্যেষ্ঠসকলৰ কনিষ্ঠসকলৰ প্ৰতি সততে সজীৱ হৈ অহা মনৰ এই ধাৰণা সম্পূৰ্ণ ভুল। অশুদ্ধ। কিয়নো আমি জ্যেষ্ঠসকলৰ নিজৰেই কিছুমান ভুলৰ বাবেই কনিষ্ঠসকল আজি অবাটে বাট বুলিবলৈ সহজ পাইছে বা সাহস পাইছে। তাত বোধকৰো কনিষ্ঠসকলৰ বহুখিনি দায়-দোষ আছে বুলি ক'ব নোৱাৰি।

উৎপল দাস

কিয়নো, কোৱা শুনো আগৰ হাল যি পিনে যায় পিছৰ হালো সেই পিনেই যায়গৈ। অৰ্থাৎ আমাৰ ঘৰ এখনৰ জ্যেষ্ঠজনে বেয়া নীতি-আদৰ্শ অৱলম্বন কৰিলে কনিষ্ঠজনেও সেই বেয়া নীতি-আদৰ্শক অনুসৰণ কৰাটো স্বাভাৱিক। জ্যেষ্ঠজনে সুৰাপান কৰা দেখিলে দুদিন পাছত কনিষ্ঠজনেও সুৰাপান কৰিবলৈ ইচ্ছা প্ৰকাশ কৰাটো স্বাভাৱিক। তেনেকৈ জ্যেষ্ঠজনৰ বেয়া মাত-কথা আদিকে ধৰি প্ৰতিটো বেয়া অভ্যাস কনিষ্ঠজনে নিজেই সকলোবোৰ জ্যেষ্ঠজনৰ পৰা আয়ত্ত কৰি লোৱাটোও তেনেই স্বাভাৱিক। ই কোনো ধৰণৰ ডাঙৰ কথা নহয়। কনিষ্ঠজনৰ পৰা জ্যেষ্ঠজন যদিহে সতৰ্ক নহয় বা জ্যেষ্ঠজনে নিজৰ বদ অভ্যাসবোৰ যদিহে নিজেই পৰিত্যাগ নকৰে তেনেক্ষেত্ৰত জ্যেষ্ঠজনে কনিষ্ঠজনক মিছাতে দোষাৰোপ কৰাটো অনৰ্থক। কনিষ্ঠজন বেয়া হোৱা বুলি ভবাটো অনৰ্থক। ঠিক তেনেকৈ আমাৰ সমাজখনৰ ক্ষেত্ৰতো একেটাই কথা। জ্যেষ্ঠসকল যদি নিজেই পৰিৱৰ্তন নহয় কনিষ্ঠসকল পৰিৱৰ্তন হোৱাটো অসম্ভৱ। সুৰাপান, ধূমপান, জুৱা, বেয়া মাত-কথা আদি বদ অভ্যাস জ্যেষ্ঠসকলে যদি নিজেই পৰিত্যাগ কৰি এটা ভাল পথলৈ উভতি আহে তেতিয়া হ'লে কনিষ্ঠসকলো সেই বেয়া পথৰ পৰা এটা সময়ত এটা ভাল পথলৈ উভতি আহিবলৈ বাধ্য হ'ব। ইয়াত মাথোঁ আমি জ্যেষ্ঠসকলৰ কিছু সদিচ্ছাৰহে প্ৰয়োজন। কিয়নো জ্যেষ্ঠসকল কনিষ্ঠসকলৰ প্ৰতি সদায় দায়বদ্ধ। আমি সমাজৰ সকলোজনেই আমাৰ এই সমাজখনৰ প্ৰতি দায়বদ্ধ। সেই কথা আমি আটায়ে পাহৰি থকাটো ভুল।

গতিকে সেই হেতু আমি সদায় আন এজনক দোষাৰোপ নকৰি এখন নিকা আৰু সৰ্বাংগসুন্দৰ সমাজ গঢ়াৰ প্ৰতি লক্ষ্য ৰাখি, আমি আমাৰ এই সমাজখনৰ সকলোজনেই আজি হ'ব লাগিব বদ্ধপৰিকৰ আৰু তেহে হ'ব আমাৰ এই সমাজখন সৰ্বাংগসুন্দৰ।

# বাহ্যিকতাৰ কৰাল গ্ৰাসত আজিৰ পৃথিৱী

কাজী শ্বাহাদত ইছলাম

সাম্প্ৰতিক সময়ত বাহ্যিকতাৰ পোকবিধে মানুহ জাতিটোৰ সজ মানসিকতাবোৰক কুটি কুটি খাই তাৰ অস্তিত্ব নাইকিয়া কৰি দিছে। যেতিয়াৰে পৰা ছ'চিয়েল মেডিয়াৰ আৱিষ্কাৰ হৈছে তেতিয়াৰে পৰা এই পোকবিধৰো জন্ম হৈছে। প্ৰতিটো বিষয়তেই মাথোঁ বাহ্যিকতা। আচলতে এটা সময়ত মানুহে অভিনয় শিকাৰ বাবে বিশেষ স্কুলবোৰত ভৰ্তি হৈছিল কিন্তু আজিকালি পোৱালি এটা জন্ম হোৱাৰ পিছতেই এনেকুৱা এটা পৰিৱেশ গঢ়ি দিয়া হয় য'ত স্বতঃস্ফূৰ্তভাৱে অভিনয় শিকিবলৈ আৰম্ভ কৰে। সেয়া বাস্তৱ অভিনয়। মানুহ এজনৰ আন্তঃপৃষ্ঠত যিয়েই চলি নাথাকক কিয় বাহ্যিক দিশত তাৰ প্ৰভাৱ কেতিয়াও পৰিব নিদিয়ে। ভেড়াৰ মাংস যিদৰে বহুত নোমৰ আঁৰত থাকে সেইদৰে সেই মানুহবোৰৰ প্ৰকৃততাও বহুত নকলৰ তলত থাকে। মোৰ জীৱনছোৱাত বহু ধৰণৰ সুখী মানুহক লগ পাইছো। তেওঁলোকৰ লগতে চা-চিনাকি হোৱাৰ পিছত যি দেখিছো তাৰ জৰিয়তে অনুমান কৰিব পাৰিছো তেওঁ বাহ্যিক দিশত দেখুওৱাৰ দৰে সুখী নহয়। বাস্তৱত তেওঁলোকৰ বেছিভাগৰে জীৱনক লৈ চিনেমা নিৰ্মাণ হ'ব পৰা কাহিনী আছে। ইয়াৰ জৰিয়তে মই এয়া ক'ব বিচৰা নাই যে মানুহে নিজৰ দুৰ্বলতাসমূহ নিজেই উদঙাই ফুৰক। আচলতে চলিত পৰিস্থিতিৰ ওপৰেৰে অত্যধিক সুখৰ প্ৰলেপ সানি ঘূৰি ফুৰাটোহে দৃষ্টিকটু যেন লাগে। সকলো পৰিস্থিতিতে নিজৰ অৱস্থা-দুৰৱস্থাক লৈ সন্তুষ্ট থকা মানুহে এইবোৰ নাটকৰ পৰা অলেখ দূৰৈত থাকিব পাৰে। আৰু তেনে মানুহ সুখীও।

প্ৰাচীন কালত মানুহ এইবোৰ পৰিস্থিতিৰ চিকাৰ হোৱা নাছিল। আধুনিকতাই মানুহক যিমানেই ঘেৰি ধৰিছে মানুহ সিমানেই এই বেমাৰত আক্ৰান্ত হৈছে। আজিকালি বিয়াৰ বাবে সাজি-কাচি প্ৰস্তুত হোৱা কন্যা এজনীৰ পিছত হেজাৰ হেজাৰ টকা খৰচ কৰে মাথোঁ দুই-চাৰি ঘণ্টা ৰূপৱতী হৈ থাকিবলৈ। কি প্ৰয়োজন মেকআপৰ নামত ইমান পইচা অপব্যয় কৰাৰ! আচলতে বাহ্যিক সৌন্দৰ্য চাই চাই প্ৰকৃত সৌন্দৰ্যক সৌন্দৰ্য বুলি মানি ল'বলৈও টান পায় আজিকালি। কথাবোৰত হয়তো বহুতেই একমত নহ'ব কিন্তু আন্তৰিকতাৰে ধিয়াই চালে কথাবোৰ মানি লোৱাত সহজ হ'ব। মানুহ সদায় নিজৰ পৰিস্থিতিক সন্মান দিব লাগে। নিজে সন্মান দিলেহে আনে দিব। অথবা আনে আপোনাক গুৰুত্ব দিয়ক নিদিয়ক সেইটো লৈ আপুনি মূৰ নঘমাব। নিজৰ আচল পৰিচয়ত চলি থাকক এটা সময়ত মানুহে আপোনাক সন্মান কৰিবলৈ বাধ্য হৈ পৰিব আৰু আপোনাক অনুকৰণ কৰিব।

এই কথাটোও নুই কৰিব নোৱাৰি যে নিজৰ দুৰ্বলতাবোৰ লোকচক্ষুৰ আঁৰ কৰি ৰাখিব লাগে যাতে মানুহে দুৰ্বলতাবোৰৰ সুযোগ লৈ পিঠিত কুঠাৰ মাৰিব নোৱাৰে। কিন্তু দুৰ্বলতা প্ৰকাশ কৰি চলা আৰু নিজৰ প্ৰকৃত পৰিস্থিতিৰ মতে চলাৰ মাজত সামান্য এটা পাৰ্থক্য আছে, এই সামান্য পাৰ্থক্যখিনিক বুজিব পাৰিলেহে সুখৰ প্ৰচ্ছায়া দেখা পোৱা যাব। অন্যথা এটি হুমুনিয়াহ অথবা মিচিকিয়া হাঁহিতো বাহ্যিকতাৰ কু-প্ৰভাৱ পৰিব।

আমি জানো যে সন্তানে সদায় অভিভাৱকক অনুসৰণ কৰি চলে। অভিভাৱকৰ সামান্যতম আচৰণৰ পৰা আৰম্ভ কৰি প্ৰত্যেকটো বিষয়ত ইচ্ছা-অনিচ্ছাতে হ'লেও স্বতঃস্ফূৰ্তভাৱে সন্তানৰ আয়ত্তত আহি পৰে। সেই ক্ষেত্ৰত অভিভাৱকসকল অলপ সচেতন হোৱা উচিত। মানুহ এজন দাপোণৰ সমুখত গৈ যেনে অংগি-ভংগি কৰে দাপোণৰ ভিতৰতে এটি প্ৰতিবিম্বই ঠিক তেনেদৰেই অংগি-ভংগি কৰে। সন্তান-সন্ততি দাপোণৰ দৰেই। গতিকে নিজৰ আচৰণ বা চলা-ফুৰাত গুৰুত্ব আৰোপ কৰিব লাগিব। কেতিয়াবা দেখা যায় কিছুমান সন্তানে দেউতাকৰ বৃত্তিৰ বিষয়ে লগৰবোৰৰ স'তে আলোচনা কৰিব নোখোজে। দেউতাকৰ উপাৰ্জনৰ পথ নিম্নখাপৰ বুলি ভাবি হীনমন্যতাত ভোগে। এনে পৰিস্থিতি এটা নাহিবৰ বাবে সৰুৰে পৰা সন্তানক ভাবিবলৈ বাধ্য কৰাব লাগে যে কামৰ সৰু-বৰ নাই। লগতে সৰুৰে পৰা পৰাপক্ষত নিজৰ কামটোত সন্তানে যাতে অলপ সহায়-সহযোগিতা কৰিবলৈ আগবাঢ়ি আহে তেনে মানসিকতাক গঢ় দিব লাগিব। সকলো কামৰে সুকীয়া সুকীয়া মৰ্যাদা আছে। দেশ এখন চলিবলৈ হ'ল সকলোধৰণৰ কাম কোনোবাই নহয় কোনোবাই কৰিবতো লাগিবই। জোতা চিলাই কৰাৰ পৰা ৰাষ্ট্ৰপতিৰ গাদীখনলৈকে সকলো পৰ্যায়ৰ মানুহ দেশত প্ৰয়োজন আছে নহ'লে দেশ এখন আগবাঢ়ি যাব নোৱাৰে। গতিকে প্ৰতিটো বিভাগত কৰ্মৰত মানুহ একো একোজন সৈনিক। এই হিচাপত নৰ্দমা পৰিষ্কাৰ কৰা মানুহজনো যিহেতু সৈনিক যাৰ বাবেই নিজৰ অথবা দেউতাকৰ উপাৰ্জনৰ পথটোক লৈ হীনমন্যতাত ভোগাৰ কোনো অৱকাশ নাই। এনেধৰণৰ চিন্তা-চৰ্চাবোৰে তেতিয়া সকলোৰে মাজতে প্ৰভাৱ বিস্তাৰ কৰিব যেতিয়া মানুহৰ বাহ্যিকতাময় ভাবটোৰ অৱসান ঘটিব।

## ডুগডুগীয়ে অসমৰ মেকআপ আৰ্টিষ্টসকললৈ আগবঢ়াইছে বিশেষ সুবিধা-গ্ৰাহকলৈ কেছ বেক পলিচী

# ১২ গ্ৰাহকলৈ ডুগডুগীৰ উপহাৰ

**গুৱাহাটী ঃ** অসমৰ সকলোতকৈ জনপ্ৰিয় ১৫ টাকৈ ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় বঁটাপ্ৰাপ্ত শুদ্ধ অসমীয়া গহনাৰ বাবে বিশ্ববিখ্যাত অসমীয়া ৰাইজৰ বুকুৰ কুটুম প্ৰতিষ্ঠান ডুগডুগীয়ে প্ৰতিটো বৰ্ষৰ দৰে এই বৰ্ষটো ডুগডুগীৰ সৰ্বশ্ৰেষ্ঠ ১২ গৰাকী গ্ৰাহকলৈ অসমীয়া গহনাৰ ছেট উপহাৰ হিচাপে আগবঢ়াব। সেই উপলক্ষে অহা ২৮ ফেব্ৰুৱাৰী পৰা ২৫ মাৰ্চলৈকে যিসকল গ্ৰাহকে অতি কমেও ৩০০০ টকাৰ যিকোনো এটা অসমীয়া গহনা ক্ৰয় কৰে, উপহাৰ কুপনৰ জৰিয়তে কেছ বেক পলিচীৰ দৰে এক ব্যতিক্ৰমী পদক্ষেপ হাতত লোৱা হৈছে। তদুপৰি তেওঁলোকৰ মাজৰ পৰা মুঠ ১২ গৰাকী গ্ৰাহকক এই বৰ্ষৰ সৰ্বশ্ৰেষ্ঠ গ্ৰাহক হিচাপে বাছনি কৰি ডুগডুগী ফালৰ পৰা বিশেষ অসমীয়া গহনা উপহাৰ হিচাপে আগবঢ়োৱা সিদ্ধান্ত লৈছে বুলি বিশিষ্ট সমাজসেৱক, যুৱ কবি-লেখক ডুগডুগী স্বত্বাধিকাৰী উৎপল বণিয়াই সংবাদ মাধ্যমক জানিবলৈ দিয়ে। তদুপৰি ন-পুৰণিসমূহ মেকআপ আৰ্টিষ্টক বিশেষ অফাৰ হিচাপে পাঁচবছৰীয়া ২৫ শতাংশ ৰেহাই ডিছকাউণ্ট কুপন আৰু ডুগডুগীৰ ১১ বৰ্ষৰ উপলক্ষে অহা ১৬ এপ্ৰিলত বিশেষ উপহাৰ প্ৰদান কৰিব। এই সুবিধাসমূহ ডুগডুগীৰ নগাঁও, গুৱাহাটী, যোৰহাট, ডিব্ৰুগড়, লখিমপুৰ, মৰিগাঁও, তেজপুৰ শাখাত উপলব্ধ হ'ব লগতে অনলাইনযোগে ৯৯৫৭৯৯২৬১৫ অথবা www.dugdugi.in ৱেবছাইট যোগেদিও গ্ৰাহকসকলে সেৱাসমূহ লাভ কৰিব পাৰিব।

# ৰঙিয়াত পশুপালনৰ প্ৰশিক্ষণ শিবিৰ

**অসম ভূমি সেৱা, ৰঙিয়া ঃ** ৰঙিয়াত যোৱা ২৩ ফেব্ৰুৱাৰীত বিজ্ঞানসন্মত গো পালন, ছাগলী পালন, গাহৰি পালন আৰু হাঁহ-কুকুৰা পালনৰ বিষয়ে দুদিনীয়াকৈ অনুষ্ঠিত এক প্ৰশিক্ষণ শিবিৰৰ অন্ত পৰে। গ্ৰেণ্ট থ্ৰণ্টন ভাৰত এলএলপিৰ উদ্যোগত তথা ৰঙিয়া মহকুমা পশুপালন আৰু পশু চিকিৎসা কাৰ্যালয়ৰ সহযোগত ৰঙিয়াৰ তুলসীবাৰীত এই শিবিৰটো অনুষ্ঠিত কৰা হৈছিল। শিবিৰটোত ৰণদিয়া এফপিচিৰ লগতে ৰঙিয়াৰ বিভিন্ন অঞ্চলৰ পৰা অহা পঞ্চাশগৰাকী প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। শিবিৰটোত ৰঙিয়া মহকুমা পশুপালন আৰু পশু চিকিৎসা বিষয়া সত্যজিৎ তালুকদাৰ, পশুধন বিষয়া আব্দুল গণিৰ লগতে খণ্ড পশু চিকিৎসা বিষয়া ডাঃ প্ৰণিতা কোঁৱৰ, ডাঃ ৰিকু ডেকা আৰু ডাঃ ৰামচন্দ্ৰ নাথে অংশগ্ৰহণ কৰি সমবেত অৰ্ধশতাধিক পশুপালক মহিলাক প্ৰশিক্ষণ প্ৰদান কৰে। প্ৰশিক্ষণৰ সময়ছোৱাত ৰঙিয়া পশুপালন আৰু পশু চিকিৎসা বিষয়া সত্যজিৎ তালুকদাৰে প্ৰশিক্ষাৰ্থীসকলক বিভিন্ন চৰকাৰী আঁচনি আৰু ঋণ সম্পৰ্কে ব্যাখ্যা কৰে। বিভিন্ন চৰকাৰী আঁচনিৰ জৰিয়তে মহিলাসকল কেনেদৰে উপকৃত হ'ব পাৰে এই বিষয়ে সবিস্তাৰে ব্যাখ্যা কৰি বিষয়াগৰাকীয়ে কয় যে পশুপালকসকলে বজাৰ বিচাৰি দূৰলৈ যোৱাৰ সলনি ঘৰৰ কাষৰ বজাৰখনত গুৰুত্ব দিলে যথেষ্ট লাভৱান হোৱাৰ সম্ভাৱনা আছে। ইয়াৰ পিছতে পশুধন বিষয়া আব্দুল গণিয়ে অনুষ্ঠানত ভাষণ দি কয় যে পশুপালন সম্পৰ্কে কৃষক ৰাইজ সজাগ হোৱাটো জৰুৰী। হাঁহ-কুকুৰা, ছাগলী, গৰু আৰু গাহৰি পালনৰ সময়ত পশুপালকসকলে বিশেষকৈ বিভিন্ন সোঁচৰা ৰোগ আৰু আৰ্থিক দিশত অসুবিধাৰ সন্মুখীন হোৱা পৰিলক্ষিত হয়। ডাঃ প্ৰণিতা কোঁৱৰ, ডাঃ ৰিকু ডেকা আৰু ডাঃ ৰামচন্দ্ৰ নাথে মহিলাসকলক উপকৃত হোৱাকৈ বিভিন্ন বিষয়ত ভাষণ দিয়ে। প্ৰশিক্ষণৰ সময়ছোৱাত মহিলাসকলৰ বিভিন্ন প্ৰশ্নৰো উত্তৰ দিয়ে প্ৰশিক্ষককেইগৰাকীয়ে। দুদিনৰ প্ৰশিক্ষণৰ অন্তত প্ৰতিগৰাকী প্ৰশিক্ষাৰ্থীক একোখনকৈ প্ৰমাণপত্ৰ প্ৰদান কৰা হয়।

অষ্টম পৃষ্ঠাৰ পৰা

# জামুগুৰিহাটত নটসূৰ্যৰ অমৰ সৃষ্টি

নৱাগতা অভিনেত্ৰী এনিশা বৰাৰ বলিষ্ঠ অভিনয় বহুদিনলৈ ৰাইজে মনত ৰাখিব। বিশেষকৈ চৰিত্ৰটিয়ে দাবী কৰা চকু-মুখৰ প্ৰকাশভংগী 'এক্সপ্ৰেচন'ৰ ক্ষিপ্ৰ পৰিৱৰ্তন সুন্দৰ ৰূপত তুলি ধৰাৰ উপৰি চৰিত্ৰটিত সোমাই পৰি শেষলৈকে অভিনয়ৰ ভাৱসাম্য ৰক্ষা কৰি ভৱিষ্যতে এগৰাকী প্ৰতিভাৱান অভিনেত্ৰী হোৱাৰ ইংগিত অভিনেত্ৰীগৰাকীয়ে বহন কৰিছে। পৰ্বতীয়া কুঁৱৰীৰ চৰিত্ৰটোত নৱাগত সুপ্ৰিয়া শৰ্মায়ো সুন্দৰ অভিনয় কৰিছে। ৰূপহী কুঁৱৰীৰ চৰিত্ৰত কুমকুম শইকীয়া ওজাই অভিনয় দক্ষতাৰ পৰিচয় দিছে। বিশেষকৈ দেওধনী নৃত্যটো সুন্দৰকৈ উপস্থাপন কৰাত তেওঁ সফল হৈছে বুলিব পাৰি। লংকেলিৰ চৰিত্ৰত পাপৰি বৰুৱা আৰু সহিতাৰ চৰিত্ৰত ৰীতা শইকীয়াই দৰ্শকৰ সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। দুয়োগৰাকী অভিনেত্ৰীয়ে নিজৰ নিজৰ চৰিত্ৰ দুটিৰ প্ৰতি সচেতন হোৱা পৰিলক্ষিত

হৈছে। সেইদৰে খুলীয়াৰ চৰিত্ৰত অংকুৰ বৰা, জয়ঢোল বাদক শান্তনু বৰা আৰু তাল বজোৱাত নৃপেন তামুলীৰ লগতে নাটখনৰ অন্যান্য পাৰ্শ্ব চৰিত্ৰসমূহত বংশী ভূঞা, মনজ্যোতি হাজৰিকা, গজেন শইকীয়া, সংগ্ৰাম ৰতন ৰাজবংশী, সত্যজিৎ দাস, ৰঞ্জন দাস, দীপজ্যোতি দাস, তীৰ্থ দাস, মামনি শইকীয়া, ৰূণজুন শইকীয়া, জানমণি দাস, ৰীতাঞ্জলি শইকীয়াই পৰিচালকৰ প্ৰতিটো নিৰ্দেশ যথাযথভাৱে পালন কৰি নাটখনৰ অগ্ৰগতিত সহযোগ আগবঢ়ালে।

নাটখনৰ মঞ্চসজ্জাৰ দিশত বাবলু হাজৰিকা, অভিজিৎ বৰা আৰু ৰাজদীপ ভূঞা, ৰূপসজ্জা আৰু সাজসজ্জাত কৌশিক শইকীয়া, মনজ্যোতি হাজৰিকা, বিপ্লৱ বৰা, সংগ্ৰাম ৰতন ৰাজবংশী, ৰাজেন বৰকটকী আৰু সাগৰিকা শইকীয়া বৰাই সহযোগিতা আগবঢ়ায়। নাটখন সামগ্ৰিকভাৱে সফল হোৱাৰ আন এটি শক্তিশালী দিশ হৈছে আবহ সংগীতৰ সুষম প্ৰয়োগ। অসমৰ ভালেমান মঞ্চত আবহ সংগীতৰ কাম কৰা যুৱ শিল্পী শুভিত ৰঞ্জন বৰাই সুন্দৰ তথা পৰিপাট্য আবহ সংগীতৰে নাটখনি আগবঢ়াই নিলে। আবহ সংগীতত সহযোগ আগবঢ়ায় জ্যোতিপ্ৰকাশ বৰুৱা আৰু জুবিন শইকীয়াই। অৱশ্যে এটা বিষয় উল্লেখ কৰিব লাগিব যে শব্দ আৰু পোহৰৰ কিছু বিজুতিয়ে মাজে মাজে নাটকখনৰ গতিত কিছু হেঙাৰ সৃষ্টি কৰিছে। পৰৱৰ্তী সময়ত এই সৰু-সুৰা খুটি-নাটি আঁতৰ কৰিব বুলি আমাৰ বিশ্বাস।

এক কথাত সুদক্ষ পৰিচালক ভৱানী ভূঞা আৰু পংকজজ্যোতি ভূঞাই নিজস্ব নাটকীয় চিন্তা আৰু পৰিচালকীয় দৃষ্টিকোণেৰে মঞ্চত নিটোল ৰূপত নাটকখন উপস্থাপন কৰিবলৈ যে সাধ্যানুযায়ী চেষ্টাৰ ত্ৰুটি কৰা নাই, সেইটো স্পষ্ট হৈ পৰিছে। পৰিশেষত আশা কৰিছো, পৰিচালকদ্বয় ভৱানী ভূঞা আৰু পংকজজ্যোতি ভূঞাৰ লগতে নাট্যচৰ্চাৰ স্বকীয় গৌৰৱেৰে মহীয়ান জামুগুৰিহাটৰ 'বাপুজী ভৱন নাট্য সমাজে' ভৱিষ্যতলৈ আৰু সফল তথা শক্তিশালী নাটক প্ৰযোজনাৰে অসমীয়া নাট্য আন্দোলনক সমৃদ্ধ কৰি তোলক। অনাগত সময়ত আৰু অধিক নতুন নতুন সুদক্ষ নাট্যকৰ্মী, অভিনেতা এই মঞ্চৰ পৰা সৃষ্টি হওক। আমাৰ শুভকামনা সদায় থাকিব।

# ছেট ৰেট মেগা মিষ্টাৰ নৰ্থ-ইষ্টৰ গ্ৰেণ্ড ফিনালে

**গুৱাহাটী ঃ** অহা ১ মাৰ্চত গুৱাহাটীৰ আইটিএ সাংস্কৃতিক প্ৰেক্ষাগৃহত অনুষ্ঠিত হ'ব ছেট ৰেট মেগা মিষ্টাৰ নৰ্থ-ইষ্টৰ ত্ৰয়োদশ সংস্কৰণৰ বহু প্ৰত্যাশিত গ্ৰেণ্ড ফিনালে। এই কথা ঘোষণা কৰিছে উত্তৰ-পূৰ্বাঞ্চলৰ সৰ্ববৃহৎ ফেশ্বন আৰু প্ৰতিযোগিতামূলক অনুষ্ঠানটোৰ আয়োজক মেগা এণ্টাৰটেইনমেণ্টে। উল্লেখ্য যে উত্তৰ-পূৰ্বাঞ্চলৰ এই সৰ্ববৃহৎ ফেশ্বন প্ৰতিযোগিতাখনলৈ টাইটেল স্প'নছৰ হিচাপে ছেট ৰেট, ষ্টাইল সহযোগী হিচাপে কিলাৰ জিন্স, ফেশ্বন সহযোগী হিচাপে বাটাৰফ্লাই ক্লথিং এণ্ড এক্সেচৰিজ আৰু আতিথ্য সহযোগী হিচাপে হোটেল ডায়েস্কো অলে এলোৰে সহযোগিতা আগবঢ়াইছে। ছেট ৰেট মেগা মিষ্টাৰ নৰ্থ-ইষ্টৰ ত্ৰয়োদশ সংস্কৰণৰ ঘোষণাত মেগা এণ্টাৰটেইনমেণ্টৰ প্ৰতিষ্ঠাপক অভিজিৎ সিংহাই উত্তৰ-পূৰ্বাঞ্চলৰ বহু প্ৰত্যাশিত অনুষ্ঠানটো পুনৰ অনুষ্ঠিত কৰাক লৈ আনন্দ প্ৰকাশ কৰে। তেওঁ কয়— 'উত্তৰ-পূবৰ এই বহু প্ৰত্যাশিত অনুষ্ঠানটো আমি পুনৰবাৰ অনুষ্ঠিত কৰি যথেষ্ট সুখী অনুভৱ কৰিছো। ছেট ৰেট মেগা মিষ্টাৰ নৰ্থ-ইষ্টৰ আটাইতকৈ অনন্য দিশটো হ'ল ইয়াত এগৰাকী বিজয়ীৰ বিপৰীতে তিনিগৰাকী বিজয়ী থাকিব। পৰম্পৰাগত প্ৰতিযোগিতাৰ দৰে ৰানাৰ্ছ আপ নাথাকিব; ইয়াৰ পৰিৱৰ্তে আমি তিনিওগৰাকী বিজয়ীক সমানে সন্মানিত কৰিম আৰু একে ধৰণৰ পুৰস্কাৰ প্ৰদান কৰিম। মেগা এণ্টাৰটেইনমেণ্টৰ লক্ষ্য হৈছে প্ৰতিগৰাকী যুৱকক ইতিবাচক পৰিৱৰ্তনৰ অনুঘটক আৰু উত্তৰ-পূৰ্বাঞ্চলৰ যুৱ আইকন হিচাপে আত্মপ্ৰকাশ কৰাৰ সমান সুযোগ প্ৰদান কৰা।' সংবাদমেলৰ সময়ত অভিজিৎ সিংহাই এই কথাও প্ৰকাশ কৰে যে এই প্ৰতিযোগিতাৰ বিজয়ীসকলৰ ভিতৰত এগৰাকীক চলিত বৰ্ষৰ শেষৰ ফালে তুৰস্কত অনুষ্ঠিত হ'বলগীয়া সুপৰিচিত টপ মডেল অব্ দা ইউনিভাৰ্ছ অনুষ্ঠানলৈ ভাৰতক প্ৰতিনিধিত্ব কৰিবলৈ নিৰ্বাচিত কৰা হ'ব। তেওঁ কয়— 'প্ৰতিযোগিতাখনৰ পূৰ্বৰ বিজয়ীসকলে গোলকীয় মঞ্চত ভাৰতক সফলতাৰে প্ৰতিনিধিত্ব কৰি দেশলৈ সন্মান কঢ়িয়াই আনিছে। এই প্ৰতিযোগিতাখনে মূলতঃ উত্তৰ-পূব ভাৰতৰ ব্যতিক্ৰমী প্ৰতিভাক প্ৰতিনিধিত্ব কৰিলেও আমাৰ লক্ষ্য হৈছে আমাৰ বিজয়ীসকলক আন্তঃৰাষ্ট্ৰীয় মঞ্চলৈ আগবঢ়াই নিয়া আৰু তেওঁলোকৰ দক্ষতা আৰু সামৰ্থ্যক সমগ্ৰ বিশ্বৰ দৰ্শকৰ সন্মুখত প্ৰদৰ্শন কৰা।'

# ৰেডিছন ব্লুৰ নেষ্ট এছিয়া ৰেষ্টুৰেন্টত নতুন খাদ্য সম্ভাৰ




**গুৱাহাটী ঃ** উত্তৰ-পূবৰ জনপ্ৰিয় খাদ্য সম্ভাৰৰ অনন্য সোৱাদেৰে খাদ্যপ্ৰেমী অতিথিসকলক এক ব্যতিক্ৰমী অথচ অনন্য অভিজ্ঞতা প্ৰদান কৰিবলৈ নিজৰ খাদ্যতালিকা সজাই তুলিছে গুৱাহাটীৰ ৰেডিছন ব্লুৰ উচ্চমানৰ এছিয়ান ফুড ৰেষ্টুৰেণ্ট নেষ্ট এছিয়াই। ৰেষ্টুৰেণ্টখনে নিজৰ খাদ্যতালিকাত 'ফ্লেভাৰছ অব্ ছেভেন ছিষ্টাৰ্ছ এণ্ড এ ব্ৰাদাৰ' শীৰ্ষক এক শিতানেৰে অন্তৰ্ভুক্ত কৰিছে উত্তৰ-পূবৰ প্ৰতিখন ৰাজ্যৰ বিশেষ খাদ্য সম্ভাৰ। উত্তৰ-পূবৰ ৰাজ্যকেইখনৰ চুপ, এপেটাইজাৰ, মেইন কোৰ্ছ আৰু ডেজাৰ্টেৰে সজাই তোলা হৈছে এই খাদ্যতালিকা। চুপৰ শাখাত অন্তৰ্ভুক্ত কৰা হৈছে ছিকিমৰ থুক্পা, মেঘালয়ৰ নাখাম বিচি আৰু মণিপুৰৰ চামথং আদিৰ অনন্য সোৱাদ। সেইদৰে এপেটাইজাৰত মণিপুৰৰ চিংজু, মিজোৰামৰ মিছামাছ পোৰা, মেঘালয়ৰ দোহ-নেয়ং আৰু অৰুণাচল প্ৰদেশৰ বাছচুৰি ফ্ৰাইৰ অবৰ্ণনীয় সোৱাদ উপভোগ কৰিবলৈ সক্ষম হ'ব খাদ্যপ্ৰেমীসকলে। আনহাতে, এই বিশেষ খাদ্য সম্ভাৰৰ মেইন কোৰ্ছৰ জৰিয়তে খাদ্যপ্ৰেমী অতিথিসকলে সোৱাদ ল'ব পাৰিব অসমীয়া থলুৱা জুতি লগা খাদ্যৰ। জহা কোমোৰাৰে হাঁহৰ মাংস, লাইশাকেৰে গাহৰি, কলডিল আৰু মুৰ্গী মাংস তথা জালুক দিয়া পাৰ মাংসই খাদ্যপ্ৰেমীসকলক প্ৰদান কৰিব উত্তৰ-পূবৰ সুকীয়া খাদ্যৰ অনন্য সোৱাদ। ইয়াৰ উপৰি মেইন কোৰ্ছত অতিথিসকলে উপভোগ কৰিব পাৰিব মণিপুৰৰ ঙা-থংবা, ত্ৰিপুৰাৰ মুই বৰক আৰু নগা বিশেষ আমৰুছু (কুকুৰা মাংস)ৰ দৰে থলুৱা খাদ্যৰো। ইফালে নেষ্ট এছিয়াৰ বিশেষ খাদ্য সম্ভাৰৰ নিৰামিষ আহাৰৰ শিতানত অন্তৰ্ভুক্ত কৰা হৈছে ভেণ্ডিৰ চৰচৰি, মাটি দাইলৰ খাৰ, ৰঙালাউ আৰু কল পচলাৰ দৰে থলুৱা খাদ্য। আনহাতে নেষ্ট এছিয়াৰ ডেজাৰ্টৰ 'ফ্লেভাৰছ অব্ নৰ্থ-ইষ্ট' শিতানত আছে মহুৰা পিঠা আৰু চাক-হাও ক্ষীৰৰ দৰে থলুৱা অনন্য মিষ্টান্ন সম্ভাৰ।

উক্ত ৰেষ্টুৰেন্টতত আসন সংৰক্ষণ আৰু অধিক তথ্যৰ বাবে আগ্ৰহীসকলে ৮৮১১০৯৯৩৯৭ নম্বৰত যোগাযোগ কৰিব পাৰে।

নৱম পৃষ্ঠাৰ পৰা

# আন্তৰ্জাতিক মাতৃভাষা দিৱস ঃ এটি

অসমীয়া ভাষাক মাতৃভাষা হিচাপে সম্পূৰ্ণৰূপে গ্ৰহণ কৰি সমগ্ৰ অসমতে (বৰাক আৰু ব্ৰহ্মপুত্ৰ উপত্যকাত) শিক্ষানুষ্ঠান, আদালত, কছাৰীত ইয়াক বাস্তৱায়িত কৰা উচিত। অসমৰ সকলো ঠাইতে অৱস্থিত জাননীপত্ৰ, দোকান, হোটেল, হাট-বজাৰ, চিকিৎসালয়, চিকিৎসকৰ পৰামৰ্শ গৃহ, চৰকাৰী প্ৰশাসনৰ সকলো বিভাগৰ কাৰ্যালয় আদিৰ নাম সকলোতে অসমীয়া ভাষাত লিখি ভাষাটোক পূৰ্ণ অধিকাৰ প্ৰদান কৰাৰ প্ৰয়োজনীয়তা আহি পৰিছে। মাতৃভাষা অসমীয়া ভাষাৰ জৰিয়তে প্ৰাথমিক বিদ্যালয়ৰ পৰা বিশ্ববিদ্যালয়ত সন্নিৱিষ্ট পাঠ্যক্ৰমৰ সকলো বিষয় যেনে— কলা, বিজ্ঞান, বাণিজ্য, অভিযান্ত্ৰিক, চিকিৎসা বিজ্ঞান, শিল্পকলা, ক্ৰীড়া, নৃত্য আদি সকলো দিশতে পাঠদান কৰিবলৈ সক্ষম কৰি তুলিবলৈ এই ভাষাটোক অত্যাধুনিকৰূপে সজাই-পৰাই তুলিব লাগিব। তাৰ বাবে লাগিব অসমৰ বিভিন্ন জনগোষ্ঠীৰ ভাষাসমূহৰ পৰা শব্দসমূহ গ্ৰহণ কৰি অসমীয়া ভাষাৰ শব্দৰ ভঁৰাল চহকী কৰা। আন্তৰ্জাতিক ভাষা হিচাপে ইংৰাজী ভাষা বা দেশৰ অইন ৰাজ্যৰ পৰা শব্দৰ ভাণ্ডাৰ গ্ৰহণ কৰাত আপত্তি নাই, কেৱল অইন ভাষাৰ শব্দবোৰে অসমীয়া ভাষাক গিলিবলৈ চেষ্টা নকৰি অসমীয়া ভাষাক বিকাশ সাধন কৰাত যাতে সম্পূৰ্ণ সহযোগিতা আগবঢ়ায়, তাৰ বাবে অসমৰ সকলো সচেতন ৰাইজে অতন্দ্ৰ প্ৰহৰীৰ দৰে চোকা দৃষ্টি ৰাখিব লাগিব। আন্তৰ্জাতিক মাতৃভাষা দিৱসৰ দিনটোত এয়াই হওক সকলোৰে কাম্য।

১১ পৃষ্ঠাৰ পৰা

# অসমতে আছে এছিয়াৰ দ্বিতীয় বৃহত্তম

কোনটো ! বটবৃক্ষজোপাক এছিয়াৰ দ্বিতীয় বৃহত্তম বুলি এই কাৰণে কোৱা হৈছে যে গছজোপাৰ পৰা ওলমি পৰা শিপাবোৰ আহি মাটিত খামোচ মাৰি ধৰি ডাঙৰ আৰু দীঘল হোৱাত বহুত সহায়ক হৈছে। প্ৰথমে গছজোপালৈ চালে এনেকুৱা লাগে যে মাটিত খামোচ মাৰি ধৰি থকা শিপাবোৰেই একো একোডাল বৃহৎ আকাৰৰ গছত পৰিণত হৈ আছে। তাৰ পাছত আকৌ সেই শিপাৰ পৰা ন কুঁহিপাতৰ স'তে এটা ঠানি দীঘল হৈ গৈ ডাঙৰ হৈ পৰিছে। কিছু বছৰ পাছত দেখা পোৱা গৈছে যে সেই ঠানিটোৰ পৰা আৰু এডাল দীঘল শিপা ওলাই আহি মাটিত খামোচ মাৰি ধৰিছে! এনেকৈয়ে এই গছজোপাই আজি ঠাইডোখৰক অধিক শুৱনি কৰি তোলাৰ লগতে বিশ্বৰ এটা ঐতিহাসিক কেন্দ্ৰবিন্দু হৈ পৰিছে ক'লীবুঢ়ী আইৰ থানৰ বটবৃক্ষজোপা। এই বটবৃক্ষজোপাৰ লগতে থানখনতো বহু ঘটনাই জড়িত হৈ আছে।

এই যে তিনিশ বছৰৰো অধিক বয়সৰ এজোপা গছ এই জালিখাটা গাঁৱত আছে প্ৰথমে স্থানীয় লোকৰ বাহিৰে ইয়াক হয়তো আন কোনেও নাজানিছিল; গছজোপাৰ লগত পূৰ্বতে যিমানবোৰ ঘটনা জড়িত হৈ আছে আজি যদি আপুনি-মই অন্ধবিশ্বাস বুলিও ভাবো কিন্তু এতিয়া এয়া এক সত্য বুলি মানি ল'ব লাগিব। থানখনৰ লগতে যেতিয়া গছজোপা বাঢ়ি গৈ ডাঙৰ হৈ গৈ আছিল জালিখাটা গাঁৱৰ ৰাইজৰ কাৰোবাৰ ঘৰত আপদ-বিপদে দেখা দিলে এই থানখনৰ লগতে গছজোপাৰ তলত আহি মনৰ ইচ্ছা প্ৰকাশ কৰাত সেই বিপদৰ পৰা মুক্ত হোৱা বুলি বহু কথাই শুনা পোৱা যায়। বছৰ বছৰ ধৰি বিভিন্ন ৰোগত আক্ৰান্ত হৈ বিছনাত পৰি থকা ৰোগীকো এই গছজোপাৰ তলৰ মাটি ঘঁহি দি ৰোগ নিৰাময় কৰাৰ কথা উল্লেখ কৰে স্থানীয় লোক থানখনৰ সভাপতিত্ব কৰা যতীন দাসে। তেওঁ হেনো পঞ্চাশ বছৰ ধৰি এই থানখন আৰু গছজোপাৰ নামত সভা-সমিতিত সভাপতিত্ব কৰি আহিছে। ক'লীবুঢ়ী আইৰ থানৰ সভাপতি যতীন দাসে মোৰ সন্মুখত এই কথাও সদৰী কৰে যে এই থান আৰু বটবৃক্ষজোপাৰ ওচৰলৈ আহি বিভিন্ন স্থানৰ হাজাৰ হাজাৰ লোকে মনৰ আশা বাঞ্ছনীয় হোৱা বুলিও সদৰী কৰে তেওঁ। এই থানত যিসকল ভক্তিপ্ৰাণ ৰাইজৰ মনৰ আশা বাঞ্ছা পূৰণ হৈছে তেওঁলোকে পুনৰ ইয়ালৈ আহি থানত ভোগ-প্ৰসাদৰ লগতে থানখনৰ নামত কিছু দান-বৰঙণি দি থৈ যোৱা বুলি সভাপতি যতীন দাসৰ লগতে স্থানীয় ৰাইজে সদৰী কৰে। অন্ধবিশ্বাস বুলি ক'লেও এটা কথা সত্য প্ৰকাশ কৰিবই লাগিব ! এই যে এছিয়াৰ দ্বিতীয় বৃহত্তম বটবৃক্ষজোপা আছে ক'লীবুঢ়ী আইৰ থানখনত তাত গৈ উপস্থিত হ'লে এনে এটা নিৰ্মল শান্তি ভাব আহে তাক হয়তো তাত যোৱা ব্যক্তিজনেহে বুজি পাব। মই তাত গৈ বহু সময় কটাইছিলো। মন্দিৰত চলি থকা আয়তীৰ নাম আৰু দুই-চাৰিজনে মিলি তাত ভোগ-প্ৰসাদ বিতৰণ কৰিছিল বাবেই থানৰ সমিতিয়ে সেই আয়োজনত ব্যস্ত আছিল। তাৰ মাজতে মোৰ লগত যিখিনি সময় উলিয়াই মোক বটবৃক্ষজোপাৰ বিষয়ে ক'লে তাৰ বাবে তেওঁলোকক মই অশেষ ধন্যবাদ জ্ঞাপন কৰিছো।

১২ পৃষ্ঠাৰ পৰা

# বাহ্যিকতাৰ কৰাল গ্ৰাসত আজিৰ পৃথিৱী


কোৱা বাহুল্য যে ছ'চিয়েল মিডিয়াত মানুহে নিজৰ দুৰ্বলতাসমূহ কেতিয়াও প্ৰকাশ কৰিব নিবিচাৰে। চাব গ'লে বেছিভাগ মানুহেই ৰাজকীয় ভাবমূৰ্তি পোষণ কৰে আৰু অত্যাধুনিক এপৰ জৰিয়তে নিজৰ ফটো ভিডিঅ'সমূহ এডিট কৰি প'ষ্ট কৰে যাৰ ফলত দৰ্শকে তেওঁৰ প্ৰকৃততাৰ পৰা অনেক দূৰৈত থাকে। কিন্তু লোকক সুখী দেখুওৱা এনেধৰণৰ মানুহবোৰৰ হৃদয়ৰ অৱস্থা অনুসন্ধান কৰিলে দেখা যাব তেখেতসকল আচলতে সিমান সুখী নহয়। এই সকলো বাহ্যিকতাৰ পৰা নিজকে পৃথক কৰিব লাগিব। অতীতৰ পৃষ্ঠাবোৰত নিজৰ অস্তিত্ব বিচাৰিব লাগিব।

এইখিনিতে কাৰোবাৰ মনত প্ৰশ্ন আহিব পাৰে যে সময় পৰিৱৰ্তনশীল। অন্ধকাৰ যুগৰ সেই নীতি-নিয়ম, জীৱন ধাৰণ আজি নাই। গতিকে পৰিৱৰ্তন হৈছিল, হৈ আছে আৰু হৈয়েই থাকিব। আমি যিহেতু পৰিস্থিতিৰ দাস গতিকে আমি যে পৰিৱৰ্তন হৈ আহি আহি আজি এইটো পৰ্যায় পাইছো এয়াও পৰিস্থিতিৰেই খেল। এতিয়া আমি যিমানেই নিজকে অতীতলৈ প্ৰত্যাৱৰ্তন কৰাব বিচাৰিম সেয়া জানো সম্ভৱ হ'ব? এই প্ৰশ্নৰ উত্তৰত এয়াই ক'ব বিচাৰো যে আমি বজাৰৰ পৰা যেতিয়া এটা মাছ কিনি আনি ৰান্ধি-বাঢ়ি খাবলৈ বহো তেতিয়া আমি মাছৰ কাঁইটবোৰ খাওঁনে? নিশ্চয় নাখাওঁ। কিয়নো আমি জানো যে মাছৰ কাঁইটবোৰ খোৱাৰ উপযোগী নহয়। কাঁইটবোৰ উপযোগী নহয় বুলি যেনেদৰে ডাষ্টবিনত পেলাই দিব পাৰো তেনেদৰে অনুপযোগী পৰিৱৰ্তিত ব্যৱস্থাক আওকাণ কৰিব নোৱাৰিনে? মই এইটো ক'ব বিচৰা নাই যে সকলো পৰিৱৰ্তন বেয়া। আমি সেই পৰিৱৰ্তনটো গ্ৰহণ কৰা উচিত যিটো পৰিৱৰ্তনে আমাক ক্ষতি নকৰে বৰঞ্চ উপকাৰহে কৰে। কিন্তু সদায় আমি সাধাৰণীকৰণ কৰাৰ বাবে কেতিয়াবা ভাল বস্তু আমাৰ হাতৰ পৰা গুচি যায় আৰু বেয়া বস্তুৱে আমাক আৱৰি ধৰে।

গতিকে আহক আমি পৰিৱৰ্তৰ প্ৰবাহত সম্পূৰ্ণভাৱে উটি নগৈ ভালবোৰ আঁকোৱালি লওঁ আৰু বেয়াবোৰ আওকাণ কৰি আগবাঢ়ো। তেতিয়া নিশ্চয় বাহ্যিকতা বিষয়টো ক্ৰমান্বয়ে আমাৰ মাজৰ পৰা বিলুপ্ত হ'বগৈ। আৰু আমি জীৱন ধাৰণৰ প্ৰকৃত আমেজ অনুভৱ কৰিব পাৰিম।

# লুই ফিলিপৰ ‘ৰয়েল ইণ্ডিয়ান ৱেডিং’

**গুৱাহাটী ঃ** আদিত্য বিৰলা ফেশ্বন এণ্ড ৰিটেইল লিমিটেডৰ ভাৰতৰ আগশাৰীৰ প্ৰিমিয়াম পুৰুষৰ পোছাক ব্ৰেণ্ড লুই ফিলিপে ইয়াৰ শেহতীয়া অফাৰ ‘ৰয়েল ইণ্ডিয়ান ৱেডিং’ সংগ্ৰহ উন্মোচন কৰি আনন্দিত। এই একচেটিয়া পৰিসৰটো সুন্দৰভাৱে ডিজাইন কৰা হৈছে যাতে প্ৰতিজন দৰা-কইনাকে তেওঁলোকৰ বিশেষ দিনটোত সুন্দৰকৈ সজাব পৰা যায়। লুই ফিলিপৰ ‘ৰয়েল ইণ্ডিয়ান ৱেডিং’ সংগ্ৰহটোৱে বিবাহ যাত্ৰাৰ প্ৰতিটো গুৰুত্বপূৰ্ণ মুহূৰ্ত, বিবাহৰ পূৰ্বৰ ফটোশ্বুটৰ পৰা আৰম্ভ কৰি গ্ৰেণ্ড ৰিচেপচন অনুষ্ঠানলৈকে সামৰি লৈছে। নিখুঁত তিনিটুকুৰা ছুট, মোহনীয় বুণ্ডি, পৰিশোধিত বন্ধগলা আৰু গ্লেম টুক্সিডো পৰিধান কৰি, প্ৰত্যেকটো সমষ্টি বিশেষভাৱে শৈলীবদ্ধ লেপেলৰ গোপন পেকেট আৰু অলংকৃত কলাৰে গৌৰৱ কৰা ছেটিন ছাৰ্টৰ দ্বাৰা পৰিপূৰকৰ সৈতে সমৃদ্ধ ক’লা ৰঙত নিৰ্বাচিত কৰা হয়। উৎকৃষ্টতম সামগ্ৰীৰে নিৰ্মিত এই সংগ্ৰহটোত নীলা, মেৰুণ, ৱাইন আৰু নীলা ৰঙৰ লগতে ক্ৰীম আৰু কোৱাৰ্টছ ৰঙৰ দৰে সূক্ষ্ম ৰঙো অন্তৰ্ভুক্ত হৈ আছে। এই ৰংসমূহে যিকোনো অনুষ্ঠানৰ বাবে এক আকৰ্ষণীয় সৌন্দৰ্য প্ৰদান কৰে। লুই ফিলিপৰ ৰয়েল ইণ্ডিয়ান ৱেডিং কালেকচন এতিয়া গুৱাহাটী কৰ্তৃত্বপ্ৰাপ্ত ৰিটেইলাৰ ২ লুই ফিলিপ ফ্লেগশ্বিপ ষ্টৰ অনলাইন www.louisphilippe.comত আৰু ব্ৰেণ্ডৰ ম’বাইল এপৰ জৰিয়তে উপলব্ধ।




জনতাৰ চৰকাৰ | myGOV मेरी सरकार

सत्यमेव जयते

অসম চৰকাৰ

সাফল্যৰ শিখৰত অন্য এক অভিযান

## মিছন বসুন্ধৰা ২.০

**সামাজিক সমতাৰ দিশে ১৪ নৱেম্বৰ ২০২২ত আৰম্ভ কৰা এটি অবিস্মৰণীয় যাত্ৰা**

ভূমি অধিকাৰ প্ৰদানেৰে খিলঞ্জীয়া জনগোষ্ঠীৰ সৱলীকৰণ



### অসম চৰকাৰৰ এক যুগান্তকাৰী আঁচনি

- খিলঞ্জীয়া ভূমিহীন আৰু দুৰ্বল শ্ৰেণীৰ বাবে ভূমিৰ অধিকাৰ সুৰক্ষিতকৰণ
- ভূমিৰ দাম পৰিশোধৰ ক্ষেত্ৰত ভূমিহীন খেতিয়ক/ অনুসূচিত জনজাতি/ অনুসূচিত জাতি/ উপাৰ্জনহীন বিশেষভাৱে সক্ষম লোক তথা বিধৱা মহিলাৰ বাবে নিম্ন নিৰিখ আৰু সৰল নিয়ম
- বংশানুক্ৰমিকভাৱে বসবাস কৰি থকা জনজাতীয় সম্প্ৰদায়ৰ ভূমিৰ ওপৰত অধিকাৰ সুৰক্ষিতকৰণ
- গৰাকীৰ নামত ভূমি তথ্য পঞ্জীভুক্ত কৰাৰ সুবিধা
- ভূমিৰ গৰাকীলৈ তেওঁলোকৰ মালিকানাধীন ভূমি বন্ধকীকৰণৰ সুবিধা

### বন্দৰস্তিকৃত ভূমিৰ পৰিমাণ

- ব্ৰহ্মপুত্ৰ উপত্যকা **৩,০১,৩৩১ বিঘা**
- বৰাক উপত্যকা **১,২১৪ বিঘা**
- চিলিং উদ্বৃত্ত আৰু খাছ শ্ৰেণীৰ ভূমিত ৮৭% বন্দৰস্তিকৰণ সম্পন্ন

**পট্টা বিতৰণ ২,২৯,৬৫৯**

ইয়াৰ ভিতৰত ১,৯২,০৫৬ বা ৮৪% প্ৰস্তাৱ অনুসূচিত জনজাতি, অনুসূচিত জাতি, অন্যান্য পিছপৰা শ্ৰেণী আৰু অধিক অন্যান্য পিছপৰা শ্ৰেণীলৈ দিয়া হৈছে

| মুখ্যমন্ত্ৰীৰ সময়সূচী | |
|---|---|
| তাৰিখ | বিধান সভা সমষ্টি |
| ২২ ফেব্ৰুৱাৰী ২০২৪ | ধেমাজি |
| | জোনাই |
| ২৩ ফেব্ৰুৱাৰী ২০২৪ | শদিয়া |
| | ডুমডুমা |
| ২৬ ফেব্ৰুৱাৰী ২০২৪ | চিচিবৰগাঁও |
| | ঢকুৱাখানা |
| ২৭ ফেব্ৰুৱাৰী ২০২৪ | গহপুৰ |
| | মাজুলী |
| ২৮ ফেব্ৰুৱাৰী ২০২৪ | ডিগবৈ |
| | টিংখাং |

সংক্ষেপতে মিছন বসুন্ধৰা ১.০

| | |
|---|---|
| লাভ কৰা আবেদন ২৭,৪৮,১৫২ | নিষ্পত্তিৰ হাৰ ৮৮% |
| নিষ্পত্তি ২৪,১০,৩০৭ | সেৱা প্ৰদান ১৯,০১,৮৬১ |

### ভূমি পট্টা প্ৰদানৰ কাৰ্যসূচী

| কেন্দ্ৰীয় আৰু ৰাজ্যিক মন্ত্ৰী, সাংসদ, বিধায়ক, পৰিষদীয় মুখ্য কাৰ্যবাহী সদস্য | জিলা | বিধান সভা সমষ্টি | ভ্ৰমণৰ তাৰিখ |
|---|---|---|---|
| শ্ৰীৰামেশ্বৰ তেলী | ডিব্ৰুগড় | চাবুৱা-লাহোৱাল | ২৩ ফেব্ৰুৱাৰী ২০২৪ |
| | তিনিচুকীয়া | টিংখাং | ২৮ ফেব্ৰুৱাৰী ২০২৪ |
| | | শদিয়া | ২৩ ফেব্ৰুৱাৰী ২০২৪ |
| | | ডুমডুমা | ২৩ ফেব্ৰুৱাৰী ২০২৪ |
| | | ডিগবৈ | ২৮ ফেব্ৰুৱাৰী ২০২৪ |
| শ্ৰীৰণজিৎ কুমাৰ দাস | বজালী | বজালী | ২৪ ফেব্ৰুৱাৰী ২০২৪ |
| | বঙাইগাঁও | অভয়াপুৰী | ২৪ ফেব্ৰুৱাৰী ২০২৪ |
| | বজালী | ভৱানীপুৰ-সৰভোগ | ২৫ ফেব্ৰুৱাৰী ২০২৪ |
| শ্ৰীঅতুল বৰা | গোলাঘাট | বোকাখাত | ২৩ ফেব্ৰুৱাৰী ২০২৪ |
| | লখিমপুৰ | লখিমপুৰ | ২৫ ফেব্ৰুৱাৰী ২০২৪ |
| | | বিহপুৰীয়া | ২৫ ফেব্ৰুৱাৰী ২০২৪ |
| শ্ৰীউৰ্খাও গৌড়া ব্ৰহ্ম | বঙাইগাঁও | বঙাইগাঁও | ২৫ ফেব্ৰুৱাৰী ২০২৪ |
| | | সৃজনগ্ৰাম | ২৫ ফেব্ৰুৱাৰী ২০২৪ |
| শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী | নলবাৰী | টিহু | ২৩ ফেব্ৰুৱাৰী ২০২৪ |
| | দৰং | মঙ্গলদৈ | ২৪ ফেব্ৰুৱাৰী ২০২৪ |
| | কামৰূপ | ৰঙিয়া | ২৫ ফেব্ৰুৱাৰী ২০২৪ |
| শ্ৰীপৰিমল শুক্লবৈদ্য | হোজাই | হোজাই | ২৩ ফেব্ৰুৱাৰী ২০২৪ |
| | | লামডিং | ২৪ ফেব্ৰুৱাৰী ২০২৪ |
| | মৰিগাঁও | মৰিগাঁও | ২৫ ফেব্ৰুৱাৰী ২০২৪ |
| | | লাহৰীঘাট | ২৫ ফেব্ৰুৱাৰী ২০২৪ |
| শ্ৰীকেশৱ মহন্ত | নগাঁও | কলিয়াবৰ | ২৪ ফেব্ৰুৱাৰী ২০২৪ |
| | কামৰূপ | কমলপুৰ | ২৪ ফেব্ৰুৱাৰী ২০২৪ |
| | | পলাশবাৰী | ২৫ ফেব্ৰুৱাৰী ২০২৪ |
| ডাঃ ৰণোজ পেগু | লখিমপুৰ | নাওবৈচা | ২৩ ফেব্ৰুৱাৰী ২০২৪ |
| | | ৰঙানদী | ২৪ ফেব্ৰুৱাৰী ২০২৪ |
| | ধেমাজি | ধেমাজি | ২২ ফেব্ৰুৱাৰী ২০২৪ |
| | | জোনাই | ২২ ফেব্ৰুৱাৰী ২০২৪ |
| | | চিচিবৰগাঁও | ২৬ ফেব্ৰুৱাৰী ২০২৪ |
| শ্ৰীঅশোক সিংহল | শোণিতপুৰ | ঢেকীয়াজুলি | ২৩ ফেব্ৰুৱাৰী ২০২৪ |
| | গোৱালপাৰা | দুধনৈ | ২৪ ফেব্ৰুৱাৰী ২০২৪ |
| | | পশ্চিম গোৱালপাৰা | ২৫ ফেব্ৰুৱাৰী ২০২৪ |
| শ্ৰীযোগেন মহন | চৰাইদেউ | মাহমৰা | ২৪ ফেব্ৰুৱাৰী ২০২৪ |
| | শিৱসাগৰ | শিৱসাগৰ | ২৪ ফেব্ৰুৱাৰী ২০২৪ |
| | চৰাইদেউ | সোণাৰি | ২৫ ফেব্ৰুৱাৰী ২০২৪ |
| শ্ৰীসঞ্জয় কিশান | ধেমাজি | জোনাই | ২২ ফেব্ৰুৱাৰী ২০২৪ |
| | | ধেমাজি | ২২ ফেব্ৰুৱাৰী ২০২৪ |
| | তিনিচুকীয়া | ডুমডুমা | ২৩ ফেব্ৰুৱাৰী ২০২৪ |
| | | শদিয়া | ২৩ ফেব্ৰুৱাৰী ২০২৪ |
| | | তিনিচুকীয়া | ২৭ ফেব্ৰুৱাৰী ২০২৪ |
| | | মাকুম | ২৭ ফেব্ৰুৱাৰী ২০২৪ |
| | | ডিগবৈ | ২৮ ফেব্ৰুৱাৰী ২০২৪ |
| | | মাৰ্ঘেৰিটা | ২৯ ফেব্ৰুৱাৰী ২০২৪ |
| শ্ৰীমতী অজন্তা নেওগ | গোলাঘাট | খুমটাই | ২৩ ফেব্ৰুৱাৰী ২০২৪ |
| | | সৰুপথাৰ | ২৩ ফেব্ৰুৱাৰী ২০২৪ |
| | | গোলাঘাট | ২৪ ফেব্ৰুৱাৰী ২০২৪ |
| শ্ৰীপীযুষ হাজৰীকা | মৰিগাঁও | জাগীৰোড | ২৩ ফেব্ৰুৱাৰী ২০২৪ |
| | বিশ্বনাথ | বিশ্বনাথ | ২৪ ফেব্ৰুৱাৰী ২০২৪ |
| | | বিহালী | ২৪ ফেব্ৰুৱাৰী ২০২৪ |
| | শোণিতপুৰ | ন-দুৱাৰ | ২৪ ফেব্ৰুৱাৰী ২০২৪ |
| শ্ৰীবিমল বড়া | ডিব্ৰুগড় | টিংখাং | ২৮ ফেব্ৰুৱাৰী ২০২৪ |
| | | খোৱাং | ২৯ ফেব্ৰুৱাৰী ২০২৪ |
| | শিৱসাগৰ | নাজিৰা | ২৯ ফেব্ৰুৱাৰী ২০২৪ |
| শ্ৰীজয়ন্ত মল্লবৰুৱা | ডিব্ৰুগড় | নাহৰকটীয়া | ২৩ ফেব্ৰুৱাৰী ২০২৪ |
| | | দুলীয়াজান | ২৩ ফেব্ৰুৱাৰী ২০২৪ |
| | নলবাৰী | নলবাৰী | ২৪ ফেব্ৰুৱাৰী ২০২৪ |
| শ্ৰীমতী নন্দিতা গাৰ্লোছা | শোণিতপুৰ | তেজপুৰ | ২৩ ফেব্ৰুৱাৰী ২০২৪ |
| | | ৰঙাপাৰা | ২৪ ফেব্ৰুৱাৰী ২০২৪ |
| | ডিব্ৰুগড় | ডিব্ৰুগড় | ২৫ ফেব্ৰুৱাৰী ২০২৪ |

| কেন্দ্ৰীয় আৰু ৰাজ্যিক মন্ত্ৰী, সাংসদ, বিধায়ক, পৰিষদীয় মুখ্য কাৰ্যবাহী সদস্য | জিলা | বিধান সভা সমষ্টি | ভ্ৰমণৰ তাৰিখ |
|---|---|---|---|
| শ্ৰীতপন কুমাৰ গগৈ | যোৰহাট | তিতাবৰ | ২৩ ফেব্ৰুৱাৰী ২০২৪ |
| | শিৱসাগৰ | ডিমৌ | ২৪ ফেব্ৰুৱাৰী ২০২৪ |
| শ্ৰীপল্লৱ লোচন দাস | শোণিতপুৰ | বৰচলা | ২৩ ফেব্ৰুৱাৰী ২০২৪ |
| শ্ৰীকৃপানাথ মাল্লা | কৰিমগঞ্জ | ৰাম কৃষ্ণ নগৰ | ২৩ ফেব্ৰুৱাৰী ২০২৪ |
| শ্ৰীপ্ৰদান বৰুৱা | ধেমাজি | ধেমাজি | ২২ ফেব্ৰুৱাৰী ২০২৪ |
| | | জোনাই | ২২ ফেব্ৰুৱাৰী ২০২৪ |
| | | চিচিবৰগাঁও | ২৬ ফেব্ৰুৱাৰী ২০২৪ |
| | লখিমপুৰ | নাওবৈচা | ২৩ ফেব্ৰুৱাৰী ২০২৪ |
| | | ৰঙানদী | ২৪ ফেব্ৰুৱাৰী ২০২৪ |
| | | লখিমপুৰ | ২৫ ফেব্ৰুৱাৰী ২০২৪ |
| | | ঢকুৱাখনা | ২৬ ফেব্ৰুৱাৰী ২০২৪ |
| | তিনিচুকীয়া | শদিয়া | ২৩ ফেব্ৰুৱাৰী ২০২৪ |
| | | ডুমডুমা | ২৩ ফেব্ৰুৱাৰী ২০২৪ |
| | | ডিগবৈ | ২৮ ফেব্ৰুৱাৰী ২০২৪ |
| শ্ৰীদিলীপ শইকীয়া | দৰং | ছিপাঝাৰ | ২৩ ফেব্ৰুৱাৰী ২০২৪ |
| | | দলগাঁও | ২৪ ফেব্ৰুৱাৰী ২০২৪ |
| শ্ৰীমতী কুইন ওজা | কামৰূপ | বকো ছয়গাঁও | ২৩ ফেব্ৰুৱাৰী ২০২৪ |
| শ্ৰীকামাখ্যা প্ৰসাদ তাছা | গোলাঘাট | দেৰগাঁও | ২৪ ফেব্ৰুৱাৰী ২০২৪ |
| | যোৰহাট | টিয়ক | ২৪ ফেব্ৰুৱাৰী ২০২৪ |
| শ্ৰীভূৱনেশ্বৰ কলিতা | নলবাৰী | বৰক্ষেত্ৰী | ২৩ ফেব্ৰুৱাৰী ২০২৪ |
| | বজালী | পকা বেতবাৰী | ২৪ ফেব্ৰুৱাৰী ২০২৪ |
| শ্ৰীপৱিত্ৰ মাৰ্ঘেৰিটা | যোৰহাট | যোৰহাট | ২৩ ফেব্ৰুৱাৰী ২০২৪ |
| | | মৰিয়নি | ২৩ ফেব্ৰুৱাৰী ২০২৪ |
| শ্ৰীপৰমানন্দ ৰাজবংশী | দৰং | ছিপাঝাৰ | ২৩ ফেব্ৰুৱাৰী ২০২৪ |
| শ্ৰীমানব ডেকা | লখিমপুৰ | লখিমপুৰ | ২৫ ফেব্ৰুৱাৰী ২০২৪ |
| ড০ অমিয় কুমাৰ ভূঞা | লখিমপুৰ | বিহপুৰীয়া | ২৫ ফেব্ৰুৱাৰী ২০২৪ |
| শ্ৰীভৰত চন্দ্ৰ নৰহ | লখিমপুৰ | নাওবৈচা | ২৩ ফেব্ৰুৱাৰী ২০২৪ |
| শ্ৰী ভূবন পেগু | ধেমাজি | জোনাই | ২২ ফেব্ৰুৱাৰী ২০২৪ |
| | | চিচিবৰগাঁও | ২৬ ফেব্ৰুৱাৰী ২০২৪ |
| শ্ৰীবলিন চেতিয়া | তিনিচুকীয়া | শদিয়া | ২৩ ফেব্ৰুৱাৰী ২০২৪ |
| | | ডুমডুমা | ২৩ ফেব্ৰুৱাৰী ২০২৪ |
| | | ডিগবৈ | ২৮ ফেব্ৰুৱাৰী ২০২৪ |
| শ্ৰীসুৰেণ ফুকন | তিনিচুকীয়া | শদিয়া | ২৩ ফেব্ৰুৱাৰী ২০২৪ |
| | | ডুমডুমা | ২৩ ফেব্ৰুৱাৰী ২০২৪ |
| | | ডিগবৈ | ২৮ ফেব্ৰুৱাৰী ২০২৪ |
| শ্ৰীভাস্কৰ শৰ্মা | তিনিচুকীয়া | শদিয়া | ২৩ ফেব্ৰুৱাৰী ২০২৪ |
| | | ডুমডুমা | ২৩ ফেব্ৰুৱাৰী ২০২৪ |
| | | ডিগবৈ | ২৮ ফেব্ৰুৱাৰী ২০২৪ |
| শ্ৰীৰূপেশ গোৱালা | তিনিচুকীয়া | শদিয়া | ২৩ ফেব্ৰুৱাৰী ২০২৪ |
| | | ডুমডুমা | ২৩ ফেব্ৰুৱাৰী ২০২৪ |
| | | ডিগবৈ | ২৮ ফেব্ৰুৱাৰী ২০২৪ |
| শ্ৰীপ্ৰশান্ত ফুকন | ডিব্ৰুগড় | টিংখাং | ২৮ ফেব্ৰুৱাৰী ২০২৪ |
| শ্ৰীবিনোদ হাজৰিকা | ডিব্ৰুগড় | টিংখাং | ২৮ ফেব্ৰুৱাৰী ২০২৪ |
| শ্ৰীতেৰছ গোৱলা | ডিব্ৰুগড় | টিংখাং | ২৮ ফেব্ৰুৱাৰী ২০২৪ |
| শ্ৰীতৰংগ গগৈ | ডিব্ৰুগড় | টিংখাং | ২৮ ফেব্ৰুৱাৰী ২০২৪ |
| শ্ৰীচক্ৰধৰ গগৈ | ডিব্ৰুগড় | টিংখাং | ২৮ ফেব্ৰুৱাৰী ২০২৪ |
| শ্ৰীপোনাকণ বৰুৱা | ডিব্ৰুগড় | টিংখাং | ২৮ ফেব্ৰুৱাৰী ২০২৪ |
| শ্ৰীনব কুমাৰ দলে | লখিমপুৰ | ঢকুৱাখনা | ২৬ ফেব্ৰুৱাৰী ২০২৪ |
| শ্ৰীউৎপল বৰা | বিশ্বনাথ | গহপুৰ | ২৭ ফেব্ৰুৱাৰী ২০২৪ |
| শ্ৰীভূবন গাম | মাজুলী | মাজুলী | ২৭ ফেব্ৰুৱাৰী ২০২৪ |
| মাজিবুৰ ৰহমান | দৰং | দলগাঁও | ২৪ ফেব্ৰুৱাৰী ২০২৪ |
| শ্ৰীডেভিদ চেতিয়া | ডিব্ৰুগড় | টিংখাং | ২৮ ফেব্ৰুৱাৰী ২০২৪ |
| শ্ৰীটঙ্কেশ্বৰ সোণোৱাল | ডিব্ৰুগড় | টিংখাং | ২৮ ফেব্ৰুৱাৰী ২০২৪ |

RO No.4861/23/28-Feb-24

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত | Connect with us @diprassam dipr.assam.gov.in

## প্ৰথম পৃষ্ঠাৰ পৰা

# একেদিনাই পাঁচখন এইমছ উদ্বোধন প্ৰধানমন্ত্ৰী মোডীৰ

কয়— 'বিগত ১০ দিনত দেশবাসীয়ে সাতখন নতুন এইমছৰ আধাৰশিলা স্থাপন আৰু উদ্বোধনৰ সাক্ষী হৈছে। পূৰ্বৰ চৰকাৰে বিগত কেইবা দশকজুৰি কৰা কামৰ তুলনাত আমাৰ চৰকাৰে দ্ৰুতগতিত কামবোৰ সম্পাদন কৰিছে, ফলত দেশখনে উন্নয়নৰ নৱজাগৰণৰ পথত আগবাঢ়ি গৈছে। এতিয়া চিকিৎসা মহাবিদ্যালয়ৰ সংখ্যা ২০১৪ৰ ৩৮৭ৰ পৰা ৭০৬ খনত উপনীত হৈছে। স্বাধীনতাৰ পৰৱৰ্তী ৭০ বছৰত সৃষ্টি হোৱা চিকিৎসকৰ সংখ্যাতকৈ অহা কেইবছৰমানৰ ভিতৰত এই মহাবিদ্যালয়সমূহৰ পৰা অধিক চিকিৎসক ওলাই আহিব। তদুপৰি, দেশৰ জনসাধাৰণৰ কল্যোণৰ বাবে ৬৪ হাজাৰ কোটি টকাৰ আয়ুষ্মান ভাৰত স্বাস্থ্য আন্তঃগাঁথনি অভিযান চলি আছে।' প্ৰধান মন্ত্ৰীয়ে আয়ুষ্মান ভাৰত যোজনা সন্দৰ্ভত আলোকপাত কৰি কয় যে ইয়ে ১ লাখ কোটি টকা ৰাহি কৰাত সহায় কৰিছে আৰু জন ঔষধি কেন্দ্ৰই ৮০ শতাংশ ৰেহাইত ঔষধ প্ৰদান কৰিছে, ফলত ৩০ হাজাৰ কোটি টকা ৰাহি হৈছে। 'ভাৰতক বিশ্বৰ তৃতীয় সৰ্ববৃহৎ অৰ্থনৈতিক মহাশক্তি হিচাপে গঢ়ি তোলাৰ বাবে আমি দিয়া নিশ্চয়তাৰ অংশ হৈছে সকলোৰে বাবে স্বাস্থ্য সুৰক্ষা আৰু সকলোৰে বাবে সমৃদ্ধি।'— প্ৰধান মন্ত্ৰীয়ে উল্লেখ কৰে। পশ্চিমবংগৰ কল্যাণীৰ এইমছৰ উদ্বোধনী অনুষ্ঠানত ভাষণ প্ৰদান কৰি কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ তথা আয়ুস মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয়— 'আজিৰ দিনটো দেশৰ জনসাধাৰণৰ বাবে এক অত্যন্ত গুৰুত্বপূৰ্ণ দিন, যিহেতু প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে 'মোডী কী গেৰাণ্টি'ৰ প্ৰতিফলনেৰে পাঁচখন এইমছ ৰাষ্ট্ৰৰ প্ৰতি উৎসৰ্গা কৰিছে। প্ৰধান মন্ত্ৰী স্বাস্থ্য সুৰক্ষা যোজনাৰ অধীনত সমগ্ৰ দেশতে ইতিমধ্যে কেইবাখনো এইমছ স্থাপন কৰা হৈছে। স্বাধীনতাৰ পাছত এয়া দেশৰ জনসাধাৰণৰ বাবে অনন্য উপলব্ধি। এনে ধৰণৰ আৰু বহু স্বাস্থ্যমূলক প্ৰচেষ্টাৰ জৰিয়তে মোডীৰ বলিষ্ঠ নেতৃত্বাধীন আমাৰ চৰকাৰে দেশৰ জনসাধাৰণৰ জীৱন যাপনৰ মান উন্নীত কৰাৰ সুযোগ প্ৰদান কৰিছে। দেশৰ স্বাস্থ্যসেৱা প্ৰণালী এতিয়া পূৰ্বতকৈ যথেষ্ট শক্তিশালী হৈছে।' প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে যোৱা ২৫ ফেব্ৰুৱাৰীত হাৰিয়ানাৰ ঝাজ্জৰত কেন্দ্ৰীয় যোগ আৰু প্ৰাকৃতিক চিকিৎসা প্ৰতিষ্ঠান আৰু মহাৰাষ্ট্ৰৰ পুনেত 'নিসৰ্গ গ্ৰাম' শীৰ্ষক ৰাষ্ট্ৰীয় প্ৰাকৃতিক চিকিৎসা প্ৰতিষ্ঠানৰ উদ্বোধন কৰে। আয়ুস প্ৰতিষ্ঠানসমূহৰ উদ্বোধন সন্দৰ্ভত কেন্দ্ৰীয় আয়ুস মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয়— 'মাননীয় প্ৰধান মন্ত্ৰীয়ে যোৱা ২৫ ফেব্ৰুৱাৰীত উদ্বোধন কৰা আয়ুস প্ৰকল্পসমূহে দেশৰ আয়ুস খণ্ডক অধিক শক্তিশালী কৰিব। কেন্দ্ৰীয় আয়ুস মন্ত্ৰালয়ৰ হৈ মই প্ৰধান মন্ত্ৰীক এই ছেগতে গভীৰ কৃতজ্ঞতা জ্ঞাপন কৰিছো। তেখেতৰ সবল ভূমিকাৰ বাবেই ভাৰতৰ পৰম্পৰাগত ঔষধ তথা চিকিৎসা প্ৰণালীয়ে দেশে-বিদেশে প্ৰসাৰিত হৈছে আৰু সৰ্বস্তৰৰ লোকৰ সমাদৰ বুটলিবলৈ সক্ষম হৈছে। তেখেতৰ মাৰ্গদৰ্শনমৰ্মে এতিয়া দেশৰ স্বাস্থ্যসেৱা খণ্ডত আধুনিক চিকিৎসা প্ৰণালীৰ স'তে পৰম্পৰাগত আয়ুস প্ৰণালীক একত্ৰিত কৰা হৈছে।'

# যুৱ প্ৰজন্মৰ আশা-আকাংক্ষা পূৰণৰ বাবে চৰকাৰে প্ৰয়াস কৰিছে

উপস্থিত হৈ নগাঁও আৱৰ্ত ভৱনৰ সন্মুখত আত্মসহায়ক গোট হাট আৰু মুকলি নাট্যশালা উন্নয়ন প্ৰকল্প উদ্বোধন কৰে। প্ৰায় ২.২৪ কোটি টকা ব্যয় সাপেক্ষে ৰাজহুৱা বিনোদন আৰু আত্মসহায়ক গোটৰ সদস্যাসকলৰ আৰ্থিক স্বচ্ছলতাৰ কেন্দ্ৰ হিচাপে এই প্ৰকল্প নিৰ্মাণ কৰা হৈছে। জিলাখনৰ উদীয়মান ক্ৰীড়াবিদসকলক উপযুক্ত ক্ৰীড়া আন্তঃগাঁথনি প্ৰদান কৰি আগুৱাই নিবলৈ ৰাজ্য চৰকাৰে নুৰুল আমিন ষ্টেডিয়ামৰ ইণ্ডোৰ ষ্টেডিয়ামৰ পুনৰনিৰ্মাণৰ পদক্ষেপ লৈছিল। মুখ্যমন্ত্ৰীয়ে ২০২০-২১ বৰ্ষৰ নগৰীয়া আন্তঃগাঁথনি উন্নয়ন পুঁজিৰে ৪.০৯ কোটি টকা ব্যয়েৰে নিৰ্মিত এই প্ৰকল্পও উদ্বোধন কৰে। আনহাতে, নগাঁও আইন মহাবিদ্যালয়ৰ ওচৰৰ দলঙৰ পৰা আৰ কে বি দলঙলৈ নগাঁৱৰ প্ৰাণ সদৃশ কলং নদীৰ পাৰ উন্নয়ন আৰু সৌন্দৰ্যবৰ্ধনৰ পদক্ষেপৰ অধীনত ২০২০-২১ বৰ্ষৰ নগৰীয়া আন্তঃগাঁথনি উন্নয়ন পুঁজিৰে ২৪.৯২ কোটি টকা ব্যয়েৰে এক প্ৰকল্পৰ ৰূপায়ণ কৰি থকা হৈছে। ইয়াৰে নেহৰুবালি চাৰিসীমাৰ পদপথ আৰু উদ্যান যোৱা ২৫ ফেব্ৰুৱাৰীত মুখ্যমন্ত্ৰীয়ে নগাঁৱবাসীৰ সেৱাত উচৰ্গা কৰে। নলযোগে প্ৰায় ৯০০ পৰিয়াললৈ পানী যোগানৰ ৩খন আঁচনিও ড° শৰ্মাই উদ্বোধন কৰে। ৪.৮৩ কোটি টকা ব্যয় সাপেক্ষে কছুৰীগুৰি, বগৰীগুৰি (দলংঘাট) আৰু বহুৱা চুকত এই আঁচনি ৩খন ৰূপায়ণ কৰা হৈছে। আনহাতে মুখ্যমন্ত্ৰীয়ে ১২.৪৯ কোটি টকা ব্যয়েৰে নগাঁও মহাবিদ্যালয় আৰক্ষী পইণ্টৰ পৰা ডিমৌ বাইপাছ শাখালৈ পথ উন্নয়ন আৰু সবলীকৰণ প্ৰকল্প, ২৫.৭৩ কোটি টকা ব্যয়েৰে নতুন অৱৰ্ত ভৱন নিৰ্মাণ আৰু গৌৰৱ পথ হিচাপে নগাঁও আৱৰ্ত ভৱন চাৰিআলিৰ পৰা পানীগাঁও চাৰিআলিলৈ ৫.২১ কোটি টকা ব্যয়সাপেক্ষ পথ নিৰ্মাণ প্ৰকল্পৰ আধাৰশিলাও স্থাপন কৰে। ড° শৰ্মাই যোৱা ২৫ ফেব্ৰুৱাৰীত ইয়াৰ পিছতে বৰ়মপুৰ বিধানসভা সমষ্টিত উপস্থিত হয় আৰু ১৬০.৬২ কোটি টকা ব্যয়েৰে নিৰ্মাণ সম্পূৰ্ণ হোৱা অথবা নিৰ্মাণ কৰিবলগীয়া কে'বাটাও প্ৰকল্পৰ উদ্বোধন আৰু শিলান্যাস কৰে। এই উপলক্ষে অনুষ্ঠিত অনুষ্ঠানত তেওঁ চামগুৰিত ১০০ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা ২৫ মেগাৱাট ক্ষমতাসম্পন্ন সৌৰশক্তি প্ৰকল্প উদ্বোধন কৰে। উল্লেখ্য যে নবীকৰণযোগ্য শক্তিৰ সামৰ্থ বৃদ্ধিৰ প্ৰচেষ্টাৰ অংশ হিচাপে শক্তি মন্ত্ৰণালয়ৰ নিৰ্দেশনা অনুসৰি প্ৰতিযোগিতামূলক নিবিদাৰ জৰিয়তে অযুউৰ পাৱাৰ প্ৰাইভেট লিমিটেড আৰু আৰু মহেশ্বৰী মাইনিং এণ্ড এনাৰ্জি প্ৰাইভেট লিমিটেডে এই প্ৰকল্প নিৰ্মাণৰ দায়িত্ব লাভ কৰিছিল। অযুউৰ পাৱাৰ প্ৰাইভেট লিমিটেডে ১৫ মেগাৱাট আৰু মহেশ্বৰী মাইনিং এণ্ড এনাৰ্জি প্ৰাইভেট লিমিটেডে ১০ মেগাৱাট সৌৰশক্তি, অৰ্থাৎ সৰ্বমুঠ ২৫ মেগাৱাট সৌৰশক্তি উৎপাদনৰ লক্ষ্যৰে প্ৰকল্পটো নিৰ্মাণ কৰিছে। আনহাতে ড° শৰ্মাই এই অনুষ্ঠানতে প্ৰায় ১০ কোটি টকাৰে নিৰ্মিত শ্বহীদ ঠগীৰাম সুত ক্ৰীড়া প্ৰকল্প, ১.৪০ কোটি টকাৰে নিৰ্মিত সদ্ভাৱনা প্ৰকল্প আৰু ৩৭.২২ কোটি টকাৰে নিৰ্মিত জল জীৱন মিছনৰ ৩১ খন পানী যোগান আঁচনি মুকলি কৰে। তদুপৰি তেওঁ ৮ টা জগন্নাথ সামূহিক আৰু দক্ষতা কেন্দ্ৰৰ শিলান্যাস কৰে। প্ৰায় ১২ কোটি টকা ব্যয়েৰে এই জগন্নাথ সামূহিক আৰু দক্ষতা কেন্দ্ৰকেইটা আমলখি চাহ বাগিচা, ৰঙামাটি চাহ বাগিচা, নৈ চাহ বাগিচা, উদমাৰী চাহ বাগিচা, কন্দলি চাহ বাগিচা, জিয়াজুৰী চাহ বাগিচা, শগুণবাহী চাহ বাগিচা আৰু চাপানলা চাহ বাগিচাত নিৰ্মাণ কৰা হ'ব। এই নগাঁও ভ্ৰমণকালতে মুখ্যমন্ত্ৰীয়ে যশস্বী চিত্ৰশিল্পী প্ৰণৱ বৰুৱাৰ স্মৃতিত নিৰ্মাণ কৰা প্ৰণৱ বৰুৱা কলাক্ষেত্ৰও উদ্বোধন কৰে। এই উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে যশস্বী শিল্পী প্ৰণৱ বৰুৱা আছিল ভাৰতীয় পৰম্পৰা আৰু ঐতিহ্যৰ প্ৰেৰণাৰে উদ্বুদ্ধ এগৰাকী শিল্পীসত্তা। শিল্পীগৰাকীৰ সৃষ্টিকৰ্মত আধুনিক মূল্যবোধ আৰু পৰম্পৰাগত সংবেদনশীলতা প্ৰতিফলিত হৈছিল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে যে তৈলচিত্ৰৰ ক্ষেত্ৰত প্ৰণৱ বৰুৱা নিঃসন্দেহে আছিল অন্যতম শ্ৰেষ্ঠ অসমীয়া চিত্ৰশিল্পী। শিল্পীগৰাকীয়ে প্ৰায় এককভাৱে সমগ্ৰ নগাঁও জিলাখনত এক কলাত্মক পৰিৱেশ গঢ়ি তুলিছিল বুলিও মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে। তদুপৰি মুখ্যমন্ত্ৰীয়ে একশৰণ ভাগৱতী সমাজ, অসমৰ বেবেজীয়া পালনাম থান দৰ্শন কৰি মূল কীৰ্তন ঘৰত সেৱা আগবঢ়ায়। তেওঁ থানখনৰ প্ৰস্তাৱিত কেন্দ্ৰীয় প্ৰশাসনিক ভৱনটোৰ আধাৰশিলাও স্থাপন কৰে। এই উপলক্ষে উপস্থিতসকলক সম্বোধন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে তিনি মহলীয়াকৈ নিৰ্মাণ হ'বলগীয়া ভৱনটো সম্পূৰ্ণকৰণৰ দিশত ৰাজ্য চৰকাৰে সহায়-সহযোগিতা আগবঢ়াব। নগাঁও বিধানসভা সমষ্টিত আয়োজিত জনসভাখনত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ভূমিহীন লোকলৈ পট্টা প্ৰদান তথা বিভিন্ন বিকাশৰ কাৰ্যসূচীসমূহ গ্ৰহণ কৰি বৰ্তমানৰ চৰকাৰখনে সমগ্ৰ অসমতে জনসাধাৰণৰ সমস্যাসমূহ সমাধানৰ প্ৰয়াস কৰিছে। নগাঁও বিধানসভা সমষ্টিত ৰূপায়ণ হৈ থকা বিভিন্ন উন্নয়নমূলক প্ৰকল্প আৰু আঁচনিৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ২০২৬ চনৰ ভিতৰত দেশৰ স্বাধীনতা সংগ্ৰামৰ এক কেন্দ্ৰ বিন্দু স্বৰূপ নগাঁৱৰ ৰূপ সম্পূৰ্ণ সলনি হৈ পৰিব। বৰ্তমানৰ ৰাজ্য চৰকাৰখনে সমগ্ৰ ৰাজ্যখনক এটা নতুন ৰূপ দিয়াৰ প্ৰচেষ্টা কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এসময়ত ধৰ্ণা, পিকেটিং আদিৰে পৰিচিত অসমত এতিয়া শান্তিৰ পৰিৱেশ সৃষ্টি হৈছে আৰু সকলো জাতি-জনগোষ্ঠী-ধৰ্মাৱলম্বী লোকৰ মাজত সমন্বয়ৰ নতুন পৰিৱেশ গঢ় লৈ উঠিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ভাৰতবৰ্ষই বিশ্বৰ পঞ্চম অৰ্থনীতিত পৰিণত হোৱাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এনে বিকাশৰ ধাৰা অব্যাহত থাকিলে দেশে এটা সময়ত আমেৰিকা, চীনৰ দৰে দেশৰ অৰ্থনীতিকো পিছ পেলোৱাৰ সম্ভাৱনা আছে। দেশত এতিয়া আস্থা-বিশ্বাসৰ পৰিৱেশ নিৰ্মাণ হৈছে বুলিও তেওঁ মন্তব্য কৰে। নিৰ্বাচনৰ সময়ত দিয়া প্ৰতিশ্ৰুতিসমূহ এটা এটাকৈ বাস্তৱত ৰূপায়ণ কৰাৰ বাবে বৰ্তমানৰ চৰকাৰখনে চেষ্টা কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অসমৰ প্ৰতি থকা সদিচ্ছাৰ বাবে অসমত প্ৰতিটো দিনতে একোটা নতুন কৰ্মযজ্ঞৰ আৰম্ভণি হ'ব ধৰিছে। তেওঁ কয় যে ৰাজ্যখনৰ প্ৰতি থকা প্ৰধানমন্ত্ৰীৰ এনে সদিচ্ছাৰ বাবেই ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত একাধিক দলং, জিলা সদৰসমূহত চিকিৎসা মহাবিদ্যালয় স্থাপন, উন্নত বাট-পথ নিৰ্মাণকে ধৰি বিভিন্ন আন্তঃগাঁথনিমূলক প্ৰকল্পৰ ৰূপায়ণ সম্ভৱপৰ হৈছে। বৰ্তমানে বিৰাজ কৰা শান্তিৰ পৰিৱেশ বাহাল থাকিলে ৰাজ্যখনে দ্ৰুততাৰে প্ৰগতিৰ শিখৰত উপনীত হ'বলৈ সক্ষম হ'ব বুলিও তেওঁ কয়। ভাষণত মুখ্যমন্ত্ৰীয়ে স্বচ্ছতাই জীৱনক পৱিত্ৰ কৰে বুলি মন্তব্য কৰি নগাঁও চহৰখনত স্বচ্ছতা বৰ্তাই ৰখাৰ বাবে সংকল্পবদ্ধ হ'বলৈ উপস্থিত সকলোকে আহ্বান জনায়। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে যে নগাঁৱৰ নুৰুল আমিন ষ্টেডিয়ামৰ সকলো অৰ্দ্ধনিৰ্মিত কাম সম্পূৰ্ণ কৰি ষ্টেডিয়ামখন নান্দনিক ৰূপত সজাই তুলিবলৈ ৰাজ্য চৰকাৰে যাৱতীয় পুঁজি যোগান ধৰিব। নগাঁৱত অনুষ্ঠিত এই সভাত জলসম্পদ আদি বিভাগৰ মন্ত্ৰী পীযুষ হাজৰীকা, বিধায়কদ্বয় ৰূপক শৰ্মা, শশীকান্ত দাস, প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী ৰাজেন গোহাঁই প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। আনহাতে, বৰ়মপুৰ বিধানসভা সমষ্টিত অনুষ্ঠিত সভাখনত মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে যে বৰ্তমানৰ ৰাজ্য চৰকাৰখনৰ কাৰ্যকালত বৰ়মপুৰ সমষ্টিত বহু সংখ্যক আঁচনি তথা প্ৰকল্প ৰূপায়ণ হৈছে আৰু সমষ্টিটোলৈ চকুত লগা পৰিৱৰ্তন আহি পৰি আহিছে। তেওঁ লগতে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সৌৰশক্তিৰ জৰিয়তে বিদ্যুৎ উৎপাদনত গুৰুত্ব আৰোপ কৰিছে আৰু প্ৰতিটো পৰিয়ালে যাতে নিজ গৃহত সৌৰশক্তি উৎপাদন কৰিব পাৰে সেই দিশত আঁচনি গ্ৰহণৰ কথাও বাজেটৰ জৰিয়তে ঘোষণা কৰিছে। প্ৰধানমন্ত্ৰীৰ আদৰ্শৰে অসমেও এই দিশত পদক্ষেপ গ্ৰহণ কৰি নিজ গৃহতে সৌৰশক্তি উৎপাদনৰ বাবে ইচ্ছুক সকললৈ ৰাজ্য চৰকাৰে ৰাজ সাহায্য আগবঢ়োৱাৰ পৰিকল্পনা গ্ৰহণ কৰিছে বুলিও তেওঁ কয়। তেওঁ লগতে জানিবলৈ দিয়ে যে আগন্তুক পাঁচ বছৰত অসমে তিনি হাজাৰ মেগাৱাট সৌৰশক্তি উৎপাদন কৰিবলৈ সমৰ্থ হ'ব। ২০২৬ৰ ভিতৰত বৰ়মপুৰ সমষ্টি ৰাজ্যখনৰ ভিতৰতে এটা অন্যতম বিকশিত সমষ্টি হ'ব বুলি মন্তব্য কৰি তেওঁ কয় যে বৰ্তমানৰ ৰাজ্য চৰকাৰখনে কম সময়ৰ ভিতৰতে সমগ্ৰ ৰাজ্যখনতে যথেষ্ট পৰিৱৰ্তন সাধিবলৈ সক্ষম হৈছে। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে ৰাজ্যৰ যুৱক-যুৱতীসকলক এক লাখ চৰকাৰী চাকৰিত নিযুক্তিৰ ব্যৱস্থা, আত্মসহায়ক গোটৰ মহিলা সদস্যসকলক উদ্যমী হিচাপে গঢ়ি তোলাৰ প্ৰচেষ্টা, ৪২ লাখ লোকলৈ ৰেচন কাৰ্ড বিতৰণ, মাইক্ৰ'ফাইনেন্সৰ ঋণ ৰেহাই, ছাত্ৰীলৈ বিনামূলীয়া নামভৰ্তিৰ ব্যৱস্থা, মাহিলী ধনৰাশি প্ৰদান আদিৰ দৰে ৰাজ্য চৰকাৰে লোৱা পদক্ষেপৰ কথা উল্লেখ কৰি কয় যে সমগ্ৰ ৰাজ্যতে এতিয়া এটা নতুন পৰিৱেশৰ সৃষ্টি হৈছে আৰু অসমৰ যুৱ প্ৰজন্মৰ আশা-আকাংক্ষাসমূহ পূৰণৰ বাবে চৰকাৰ যত্নপৰ হৈছে। ড্ৰাগছৰ বিৰুদ্ধে ৰাজ্য চৰকাৰে চলাই থকা অভিযানৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যত এতিয়া প্ৰতিবছৰে এহাজাৰ কোটি টকাতকৈও অধিক মূল্যৰ ড্ৰাগছ জব্দ হৈছে। তেওঁ লগতে কয় যে সুদৰ ব্যৱসায় কৰা লোকসকলৰ বিৰুদ্ধেও চৰকাৰে অভিযান অব্যাহত ৰাখিব। বৰ়মপুৰত নৱনিৰ্মিত শ্বহীদ ঠগীৰাম সুত ক্ৰীড়া প্ৰকল্পত গেলেৰী নিৰ্মাণৰ বাবে ৰাজ্য চৰকাৰে ১০ কোটি টকা প্ৰদান কৰিব বুলিও আজিৰ অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে। তেওঁ লগতে এই ক্ৰীড়া প্ৰকল্পত বিভিন্ন খেলৰ প্ৰশিক্ষণৰ ব্যৱস্থা কৰিবলৈও পৰামৰ্শ আগবঢ়ায়। মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰে ৰাজ্যৰ প্ৰতিটো বিধানসভা সমষ্টিৰে চৰকাৰী উচ্চ মাধ্যমিক বিদ্যালয়সমূহ উন্নত আন্তঃগাঁথনিৰে নিৰ্মাণৰ পদক্ষেপ গ্ৰহণ কৰিছে আৰু বৰ়মপুৰ বিধানসভা সমষ্টিত নতুনকৈ এনে ৮ খন শিক্ষানুষ্ঠান নিৰ্মাণ কৰা হ'ব। এনে একোখন শিক্ষানুষ্ঠানৰ আন্তঃগাঁথনি নিৰ্মাণত ৮ কোটি টকা ব্যয় হ'ব বুলিও তেওঁ সদৰি কৰে। এই সভাত জলসম্পদ আদি বিভাগৰ মন্ত্ৰী পীযুষ হাজৰীকা, বিধায়কত্ৰয় ৰূপক শৰ্মা, শশীকান্ত দাস, বিশ্বজিৎ ফুকন, ৰাজ্য চৰকাৰৰ মহাধিবক্তা তথা বিচিচিআইৰ যুটীয়া সম্পাদক দেৱজিৎ শইকীয়া, এপিডিচিএলৰ পৰিচালন সঞ্চালক ৰাকেশ কুমাৰকে ধৰি বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকে। এদিনীয়া কাৰ্যসূচীৰে আজি নগাঁও জিলা ভ্ৰমণকালতে মুখ্যমন্ত্ৰীয়ে ভাৰতীয় জনতা পাৰ্টি, অসম প্ৰদেশৰ মৰিকলঙত নগাঁও জিলা সমিতিৰ নৱনিৰ্মিত স্থায়ী কাৰ্যালয় ভৱনটোও উদ্বোধন কৰে।

## দক্ষিণ কামৰূপ প্ৰেছ ক্লাবৰ ‘গাঁৱলৈ যাওঁ ব’লক’ অনুষ্ঠান

# ক্ৰীড়াবিদ প্ৰবীণ চন্দ্ৰ দাসক ‘ক্ৰীড়াশ্ৰী’ উপাধি প্ৰদান



**অসম ভূমি সেৱা, আজাৰা ঃ** দক্ষিণ কামৰূপৰ সাংবাদিক, শিল্পী-সাহিত্যিকৰ অন্যতম অনুষ্ঠান ‘দক্ষিণ কামৰূপ প্ৰেছ ক্লাব’ৰ উদ্যোগত ‘গাঁৱলৈ যাওঁ ব’লক’ শীৰ্ষক কাৰ্যসূচী বিভিন্ন সময়ত ৰূপায়ণ কৰি আহিছে। ইয়াৰে অংশ হিচাপে যোৱা ২৫ ফেব্ৰুৱাৰীত পলাশবাৰীৰ সৰপাৰা গাঁৱৰ বাসিন্দা তথা সৰপাৰা স্বৰ্ণ শাখা সাহিত্য সভাৰ সভাপতি, বিশিষ্ট ক্ৰীড়াবিদ, অৱসৰপ্ৰাপ্ত শিক্ষক প্ৰবীণ চন্দ্ৰ দাসৰ বাসভৱনত অনুষ্ঠিতব্য সভাত তেওঁক বিশেষভাৱে সম্বৰ্ধনা জনোৱাৰ লগতে ‘ক্ৰীড়াশ্ৰী’ উপাধি প্ৰদান কৰা হয়। এই উপলক্ষে দক্ষিণ কামৰূপ প্ৰেছ ক্লাবৰ সভাপতি অশ্বিনী কুমাৰ তালুকদাৰ আৰু সম্পাদক বিশ্বজিৎ কলিতাৰ নেতৃত্বত অনুষ্ঠিত সভাত প্ৰথমে স্মৃতি তৰ্পণ, বন্তি প্ৰজ্বলন কৰে দক্ষিণ কামৰূপ ক্ৰীড়া সন্থাৰ সভাপতি তথা ক্ৰীড়া সংগঠন নাৰায়ণ চৌধুৰীয়ে। বৃক্ষৰোপণ কৰে দক্ষিণ কামৰূপ প্ৰেছ ক্লাবৰ কাৰ্যকৰী সভাপতি যাদৱ কিংকৰ শৰ্মাই। দক্ষিণ কামৰূপ প্ৰেছ ক্লাবৰ সম্পাদক বিশ্বজিৎ কলিতাই আদৰণী ভাষণ পাঠ কৰা সভাখন পৌৰোহিত্য কৰে দক্ষিণ কামৰূপ প্ৰেছ ক্লাবৰ সভাপতি অশ্বিনী কুমাৰ তালুকদাৰে। কামৰূপ জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ধীৰেন শৰ্মাই বিশেষ সম্বৰ্ধনা সভাখন মুকলি কৰি ক্ৰীড়াবিদ প্ৰবীণ চন্দ্ৰ দাসৰ কৰ্মময় জীৱন আৰু ক্ৰীড়াৰ স’তে থকা সম্পৰ্কৰ কথা ভাষণ প্ৰসংগত উল্লেখ কৰে। ইয়াৰে পিছত প্ৰবীণ চন্দ্ৰ দাসক সম্বৰ্ধনা আৰু ‘ক্ৰীড়াশ্ৰী’ উপাধি প্ৰদান কৰাৰ লগতে ক্ৰীড়াবিদ প্ৰবীণ চন্দ্ৰ দাসৰ জীৱনী তথা বিভিন্নজন শুভাকাংক্ষীৰ লেখাৰে সমৃদ্ধ ‘প্ৰবীণজ্যোতি’ নামৰ এখন অভিনন্দন গ্ৰন্থ উন্মোচন কৰা হয়। অভিনন্দন গ্ৰন্থ ‘প্ৰবীণজ্যোতি’ উন্মোচন কৰে অসম সাহিত্য সভাৰ প্ৰাক্তন প্ৰধান সম্পাদক জগদীশ পাটগিৰীয়ে। সভাত পলাশবাৰী সমষ্টিৰ প্ৰাক্তন বিধায়ক প্ৰণৱ কলিতা, পলাশবাৰী সমষ্টিৰ বিধায়ক হেমাংগ ঠাকুৰীয়া, অসম খো খো সন্থাৰ সভাপতি ৰাজীৱ প্ৰকাশ বৰুৱা, পলাশবাৰী সাহিত্য সভাৰ প্ৰাক্তন সভাপতি মায়াৰাম দাসৰ লগতে বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকি দাসৰ কৰ্মজীৱনৰ ওপৰত ভাষণ প্ৰদান কৰে।

## ভৱানীপ্ৰসাদ অধিকাৰীক ‘পৰাগজ্যোতি প্ৰকাশন’ৰ সম্বৰ্ধনা

**গুৱাহাটী ঃ** যোৱা ২৩ ফেব্ৰুৱাৰীত পৰাগজ্যোতি প্ৰকাশনৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয় সাহিত্যিক-সমালোচক, অসম সাহিত্য সভাৰ প্ৰাক্তন প্ৰকাশন সচিব ভৱানীপ্ৰসাদ অধিকাৰীক। মহানগৰীৰ হাতীগাঁৱৰ



লখিমীনগৰস্থিত নিজ বাসভৱনত তেওঁক সম্বৰ্ধনা জনোৱা হয়। প্ৰকাশনৰ সচিব, সাংবাদিক দীপক শৰ্মাই আঁত ধৰা সভাত অসম সাহিত্য সভাৰ প্ৰাক্তন সহকাৰী সম্পাদক কমল কলিতা, গীতিকাৰ-কবি শচীন দাস, গণেশ নগৰ সাহিত্য সভাৰ সভাপতি অৰুণ মহন্তই ভৱানীপ্ৰসাদ অধিকাৰীৰ ব্যক্তিত্বৰ বিষয়ে উল্লেখ কৰে। সভাত কল্যাণী দেৱী ভাগৱতীও উপস্থিত আছিল।

## সৰুপেটাৰ কাৰাটে খেলুৱৈ জিতু পাঠক-ৰবীমণি দাসৰ কৃতিত্ব

**অসম ভূমি সেৱা, শালবাৰী ঃ** গুৱাহাটীৰ বিহাবাৰীত অলপতে অনুষ্ঠিত হৈ যোৱা কাৰাটে গ্ৰেডিং পৰীক্ষাত বৰপেটা জিলাৰ সৰুপেটাৰ চাপাৰবৰী গাঁৱৰ বাসিন্দা কাৰাটে খেলুৱৈ জিতু পাঠক আৰু ৰবীমণি দাসে কৃতিত্ব অৰ্জন কৰিছে। উল্লেখ্য যে জিতু পাঠকে ৩ ডান ব্লেক বেল্ট লাভ কৰাৰ লগতে ৰবীমণি দাসে ৩ ডান ব্লেক বেল্ট লাভ কৰে। জিতু পাঠক আৰু ৰবীমণি দাস সৰুপেটাৰ জে বি যোগা এণ্ড কাৰাটে একাডেমীৰ প্ৰশিক্ষক। জিতু পাঠক আৰু ৰবীমণি দাসলৈ অভিনন্দন জ্ঞাপন কৰিছে সৰুপেটাৰ ক্ৰীড়াপ্ৰেমী, সমৰকলা অনুৰাগীৰ লগতে স্থানীয় ৰাইজে।




## নিজৰ কৰ্মৰাজিয়ে এগৰাকী ব্যক্তিক সমাজত চিৰদিনলৈ জীয়াই ৰাখে

# পাঠশালাত সুবোধ চৌধুৰীৰ প্ৰথম মৃত্যুবাৰ্ষিকী পালন

**অসম ভূমি সেৱা, পাঠশালা ঃ** সুবোধ চৌধুৰী এগৰাকী কেৱল ব্যক্তিয়ে নহয়, তেওঁ আছিল সমাজৰ বাবে অহোপুৰুষাৰ্থ কৰা ব্যক্তি। সমাজৰ বাবে এগৰাকী ব্যতিক্ৰমধৰ্মী ব্যক্তি হিচাপে চৌধুৰীয়ে যি কৰিম বুলি ভাবিছিল সেয়া কৰি পেলাইছিল। এই মন্তব্য গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত ন্যায়াধীশ তথা উপ-লোকআয়ুক্ত হিতেশ কুমাৰ শৰ্মাৰ। বজালীৰ সাংবাদিকসকলৰ অন্যতম পুৰণি অনুষ্ঠান পাঠশালা প্ৰেছৰ ক্লাবৰ প্ৰতিষ্ঠাপক সদস্য, পাঠশালা সাংস্কৃতিক সংঘৰ প্ৰাক্তন অধ্যক্ষ তথা মুখ্য সচিব, বিশিষ্ট সমাজকৰ্মী, গল্পকাৰ, কবি, পাঠশালা কলেজ ৰোড নিবাসী সুবোধ চৌধুৰীৰ প্ৰথম মৃত্যুবাৰ্ষিকী উপলক্ষে যোৱা শুকুৰবাৰে অনুষ্ঠিত গ্ৰন্থ উন্মোচনী সভাত প্ৰয়াত চৌধুৰীৰ দ্বাৰা ৰচিত গল্প সংকলন ‘অঘৰী’ উন্মোচন কৰি ভাষণ প্ৰসংগত আৰু কয় যে পঢ়ি থকা সময়ছোৱাত সুবোধ চৌধুৰী আছিল দুৰ্দান্ত প্ৰেমিক, সাহসী, বিপ্লৱী আৰু দৃঢ়তাৰ অধিকাৰী এগৰাকী সুঠাম যুৱক। সমাজৰ প্ৰতি, পৰিয়ালৰ প্ৰতি দায়বদ্ধতা থকাৰ বাবেই চৌধুৰী মৃত্যুৰ পাছতো মূৰ দাঙি থিয় হৈ আছে। পাঠশালা প্ৰেছ ক্লাবৰ সভাপতি পুলু কুমাৰ শৰ্মাই সভাপতিত্ব কৰা তথা ক্লাবৰ সহকাৰী সম্পাদক কল্যাণ কলিতাই আঁত ধৰা সভাত প্ৰয়াত চৌধুৰীৰ স্মৃতি যুগমীয়া কৰি ৰখাৰ উদ্দেশ্যে জ্যেষ্ঠ সাংবাদিক প্ৰণৱ কুমাৰ গোস্বামীৰ দ্বাৰা সম্পাদিত ‘স্মৃতিগ্ৰন্থ’ উন্মোচন কৰি বজালী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক হেমচন্দ্ৰ হালৈয়ে সুবোধ চৌধুৰীৰ ব্যক্তিত্ব সন্দৰ্ভত স্মৃতি ৰোমন্থন কৰে। সভাত ‘অসমীয়া প্ৰতিদিন’ কাকতৰ উপ-সম্পাদক তথা অসম বাৰ্তাজীৱী সংঘৰ উপ-সভাপতি অঞ্জন কুমাৰ শৰ্মাই বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি ভাষণ প্ৰসংগত মানুহৰ কৰ্মৰাজিয়ে এগৰাকী ব্যক্তিক সমাজত চিৰদিনলৈ জীয়াই ৰখাৰ লগতে মৃত্যুৰ পাছতো সজীৱ কৰি ৰাখে বুলি উল্লেখ কৰি প্ৰয়াত চৌধুৰীৰ স্মৃতিৰক্ষাৰ্থে প্ৰস্তুত কৰি উলিওৱা গ্ৰন্থ দুখনে চৌধুৰীক চিৰদিনৰ বাবে জীয়াই ৰাখিব বুলি মন্তব্য কৰে। সভাত উপস্থিত থাকি বিশিষ্ট নিবন্ধকাৰ নাগেশ্বৰ দাসে প্ৰয়াত সুবোধ চৌধুৰী সন্দৰ্ভত স্মৃতি ৰোমন্থন কৰি চৌধুৰী সাংবাদিক নাছিল যদিও এগৰাকী অলিখিত সাংবাদিক হিচাপে সকলো খবৰেই থকাৰ লগতে চৌধুৰী এগৰাকী প্ৰচাৰবিমুখ, প্ৰচুৰ সম্ভাৱনাময় ব্যক্তি আছিল বুলি মন্তব্য কৰে। সভাত সভাপতি পুলু কুমাৰ শৰ্মাই গ্ৰন্থ মগজুৰ সন্তান বুলি উল্লেখ কৰি প্ৰয়াত চৌধুৰীৰ ব্যক্তিত্ব সন্দৰ্ভত স্মৃতি ৰোমন্থন কৰে। উল্লেখ্য যে বিগত বৰ্ষৰ ৪ ফেব্ৰুৱাৰীত দুৰাৰোগ্য কৰ্কট ৰোগত আক্ৰান্ত হৈ মৃত্যুবৰণ কৰা চৌধুৰীৰ পাঠশালাস্থিত বাসভৱনত প্ৰথম মৃত্যুবাৰ্ষিকী পালন কৰা হয়। সভাৰ আৰম্ভণিতে বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি প্ৰদান কৰে প্ৰয়াত চৌধুৰীৰ সহধৰ্মিণী প্ৰতিভা চৌধুৰীয়ে। ইয়াৰ পাছতে আদৰণী ভাষণ প্ৰদান কৰে প্ৰয়াত চৌধুৰীৰ ভাতৃ ডাঃ ৰূপম চৌধুৰীয়ে। এক গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত অনুষ্ঠিত সভাৰ অন্তত শলাগ জ্ঞাপন কৰে প্ৰতিভা চৌধুৰীয়ে।




Printed by Prafulla Gogoi, Seven Stars Publications Pvt. Ltd. and published by Raghabendra Narayan Dutta Baruah , Seven Stars Publications Pvt. Ltd. on behalf of Raghabendra Narayan Dutta Baruah and printed at Seven Stars Publications Pvt. Ltd. at A.T. Road, Adabari, Near Bus Stand (Out Gate) Guwahati-781014 and published at 6, College Hostel Road, Panbazar, Guwahati-781001. Tel: 0361-2674555, E-mail: sspplghy@gmail.com

Editor: Baikuntha Nath Goswami